মন মাটি মেঘ

শ্ৰীলক্ষ্মীনন্দন বৰা

STATE CENTRAL LIBRARY
Call No.........
ASSAM

লয়াৰ্ছ বুক ষ্টল
গুৱাহাটি : অসম

প্ৰকাশক :
শ্ৰীবিচিত্ৰ নাৰায়ণ দত্ত বৰুৱা বি, এল
লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী।

প্ৰথম প্ৰকাশ :
১৯৬২

মূল্য—২'৫০ নঃ পঃ

মুদ্ৰক :
শ্ৰীগুৰু প্ৰেছ, মালিগাওঁ
গুৱাহাটী।

ইয়াত থকা গল্প কেইটি

হেমন্তৰ হিমে ধোৱা— ১

আপোন সুৰ— ৩৯

মৃগ তৃষ্ণা— ৫২

আঁউসীৰ বস্তি— ৬৪

নাটকীয়— ৯৩

দৈন্য— ১১২

মাপকাঠী— ১২২

মৰণ পৰ্ব্ব ঃ এজনী ডাইনীৰ ১৪৩

হেমন্তৰ হিমে ধোৱা

বিয়াৰ পাছৰ এই দহ মাহৰ ভিতৰত স্বৰ্ণাৰ মূৰৰ বিষ এটাও হোৱা নাছিল। কিন্তু এই কেইদিন তাইৰ অসুখটোৱে তাক চিন্তিত কৰি তুলিছে। তাই আগৰদৰে হাঁহি মাতি নুফুৰে। আবেলি মূৰ-ফুৰণী হয়। মাজে মাজে বমিও। গাটো এভাৰ যেন লাগে। হেলাই হেফাই থাকে। ফুট গধূলিতে শোৱা-পাটীত পৰে। আজি ভাতকে ৰান্ধিব নোৱাৰিলে। জ্বৰ উঠা নাই। মূৰ আচন্দায় কৰে। অসুখটো যদি বেছিকৈয়ে হৈছে তাই কালিযেই সকলো ক'ব পাৰিলেহেঁতেন। এতিয়া অসুখীয়া মানুহজনীক এৰি যায় কেনেকৈ? তাই কিন্তু তাক অফিচলৈ যাবলৈ কয়। মিছাযে মাখিটোকে হাতীটো কৰিব নেলাগে বুলি তাৰ চিন্তা পাতলায়। স্বৰ্ণাৰ যদি কিবা এটা হয়, সি কেনেকৈ সহিব? কেতিয়াও অসুখে লগ নোলোৱা মানুহজনীৰ যদি অসুখে বাহ লৈছে সতকাই ভাল হোৱা টান।

কিমান আশাদশা কৰি যে সি তাইক বিয়া কৰাই আনিছিল! এই দহমাহে তাই নতুনৰ সোৱাদ দিছে। দহমাহৰ আগতে চহৰৰ একাষৰ এই সৰুকৈ ভাড়া ঘৰটোৰ তেনেই জড় অৱস্থা আছিল। পিৰালিৰ কাষে কাষে লাওৰ আগ, ভাত কেৰেলাৰ আগ বগাইছিল। ঘৰৰ আগৰ বাকৰিখনত কাৰ্শলা বনৰপৰা

চুৰীয়া কোচাইহে ভিতৰ সোমাব পাৰি। আলিৰ মটৰৰ ধূলিয়ে বনপাতত চামতি মাৰিছিল। চকি টেবুলত চূণৰ দাগ। বেৰত চিগাৰেট মুমুৰাওঁতে য'তে ত'তে ছাঁইৰ আঁক পৰিছিল। ঘৰৰ সৰঞ্জামৰ ভিতৰত আছিল দুখন হাত ভগা চকী আৰু এখন মেজ। সেইখন মেজৰ ওপৰতে অফিচৰ ফাইল, দুখন এখন উপন্যাস, আৰ্চি-ফণী, চিগাৰেটৰ আধা পোৰা টুকুৰা, কিছুমান খালি জুইশলাৰ বাহ, কণ্ডেন্স মিল্কৰ টেমা আৰু প্ৰায়ে চাবি দিবলৈ পাহৰা এটা জীৰ্ণ-শীৰ্ণ টাইম-পিচ আদি হবেক ৰকমৰ বস্তু বিশৃঙ্খলভাৱে পৰি থাকে। মাজৰ কোঠাটোত কিছুমান চাউল-ডাইল আৰু ৰন্ধা-বঢ়াৰ আন আন বস্তু। তাত পচা জলকীয়াৰ গোন্ধ আৰু নিগণিৰ উপদ্ৰৱ। আচল ঘৰটোৰপৰা পাকঘৰৰ মাজৰ এচমকা ঘাঁহনিত দুটা জাবৰৰ দ'ম আৰু এজোপা লিচু। তাক তেতিয়া তেনে অৱস্থাত দেখাহেঁতেন স্বৰ্ণা আচৰিত হ'লহেঁতেন। বিয়াৰ আগতে স্বৰ্ণাই যদি তাক চিনি পালেহেঁতেন, তাক এনে অৱস্থাত দেখি নিশ্চয় চকুলো টুকিলে-হেঁতেন। এদিন সি পেটৰ অসুখত কেকাই থাকোতে মণিৰামৰ মাক আহি দৰব-পাতিৰ দিহা দি তাক কৈহে পালে—ভাল গঁৱালটোত দিন নিয়াইছা দিয়া। এনে আও মেলেছুৱা মানুহ আৰু আমি দেখা নাই। তুমি এনেদৰে থকা গম পালে কোনো তিৰোতাই ঘৰ নল'ব। দুদিনতে মাকৰ ঘৰ পাবগৈ।

সি মনে মনে হাঁহিছিল। বুঢ়ীৰ ওপৰত খং উঠা নাছিল। বুঢ়ীয়ে যে তাক ইমান মৰম কৰে।

সঁচাকৈয়ে সি আও মেলেঙ্কুৱাই আছিল। তাৰ মনৰ অৱস্থাও আছিল ঘৰটোৰ নিৰ্জ্জীৱতাৰ লগত খাপ খোৱা। ভালকৈ খাব আৰু থাকিব যে লাগে পাহৰিয়েই গৈছিল। ঘৰৰ পৰিবেশতো জীৱনৰ হা-হুতাশে ৰূপ পাইছিল। সি আছিল চোকা ল'ৰা। মাইনৰ পৰীক্ষাত প্ৰথম হৈ বৃত্তি পাইছিল। মেট্ৰিকত দুটা 'লেটাৰ' লৈ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ এশ এবুৰি আশা বুকুত বান্ধি কলেজত নাম লগাইছিল। ৰূপৰ কলঙৰ সোঁতৰ ছেৰে ছেৰে মনে ঠেও ধৰিছিল। তেতিয়া তাৰ ঘৰত আছিল দেউতাক আৰু ভনীয়েক ৰমলা। মাক মৰাৰ সময়ত ৰমলা আঠ্ঠু ল'ব পৰা। তাৰ কলেজীয়া অভিলাষ পূৰ নহ'ল। দ্বিতীয় বাৰ্ষিকৰ প্ৰথম ভাগতে দেউতাক ঢুকাল। ভনীয়েক ৰমলা তেতিয়া গাভৰুৱেই। সি তাইক মোমায়েকৰ ঘৰত ৰাখি চহৰত দুবেলা টিউশ্যনী কৰি আই-এ পাছ কৰিলে। তাৰ পাছতেই আৰম্ভ হ'ল সম্প্ৰতিৰ কেৰাণীজীৱন। সি এনে এটা আচম্বিত পৰিবৰ্ত্তন হ'ব বুলি সপোনতো ভৱা নাছিল। কিন্তু দেখিলে—জীৱনক ৰঙীণ বুলি কল্পনা কৰিব পাৰি, কোনেও তাত বাধা নিদিয়ে, কল্পনাক হিয়াৰেহে অনুভৱ কৰিব নোৱাৰি। তাৰ ডেকা মনটোৱে নিজকে বুজনি দিছিল—ভাগ্যক বিশ্বাস কৰা দুৰ্ব্বলীৰ কাম নহয়। আচলতে ভাগ্য আছে। ভাগ্যক বিশ্বাস কৰিলে ভগৱানক বিশ্বাস কৰিবই লাগিব। ভগৱান নিৰাকাৰ হৈ ভালেই কৰিছে। নহলে তেওঁৰ প্ৰতি অচলা ভক্তি হেৰাই গ'লহেঁতেন।

কিন্তু ভাগ্যই তাক চাৰি বছৰ কেৰাণী কৰিয়েই ৰাখিলে। ভাগ্য বা ভগৱানৰ কথা ভাবি অকালতে বুঢ়া হৈ গলোঁ। বুলি গুজৰি গুমৰি উঠিল। ভাগ্যৰ হাতত যদি আমি সকলো পুতলা, তেনেহলে জীৱনৰ ৰোমাঞ্চ ক'ত? ক'ত সেই সুখী পৰিয়ালৰ সপোন? ভাগ্যত ভৰসা নাই। বৰ কৃপণ। বিপৰ্য্যয়ে তাক দমাব নোৱাৰিলে। সি ৰোমাঞ্চ বিচাৰি পালে। জীৱনৰ ৰোমাঞ্চ গাভৰুৰ প্ৰেমভৰা কণ্ঠত নহয়, সিহঁতৰ চকামকা চৰিনিতো নহয, জীৱনৰ ৰোমাঞ্চ হ'ল—জীৱন যুদ্ধত, প্ৰতিকূল অৱস্থাত নিজকে জীযাই ৰখাত, নিজকে প্ৰতিষ্ঠা কৰাত। মুকলি মুৰীযা হ'বলৈ দুখী অৱস্থাৰেই ৰমলাক বিযা দিলে। এজন কেৰাণীলৈকে। গোটেই কেৰাণী শ্ৰেণীটোলৈকে সহানুভূতিৰে তাৰ অন্তৰ ভৰি পৰিল। তেওঁলোকৰো কিজানি তাৰ দৰেই জীৱনৰ নিষ্ঠুৰতাত পৰি বৰফৰ ওপৰত ৰ'দৰ জিলিঙনি লগা অভিলাষৰ ওখ সোণালী শিখৰ উঁই হাফলু হৈ পৰিল। ৰমলা ধুনীযা আৰু গুণৱতী। সি জানে যে ভাইৰ লখিমী হাতৰ পৰশ পাই যি কোনো মানুহৰে দেহ-মন জুৰ পৰিব। ভাইৰ সান্নিধ্যৰে সুখী হোৱা মানুহজন এজন কেৰাণী কাৰণেই তাৰ বৰ সন্তোষ। ৰমলা এতিযা মৰমীযাল মাতৃ। দুটি ল'ৰা-ছোৱালী।

তাৰ অভিলাষৰ তুঁহ জুই উমি উমি যিমানেই জ্বলিল, সিমানেই অসুখী হবলৈ ধৰিলে। সি হতাশবাদী হৈ পৰিল। ঘৰ মৰিশালী যেন হ'ল। সি পাহৰি গ'ল যে মানুহৰ মৰম আছে, সাধাৰণ মানুহৰ সুখ-দুখ আৰু আশা-নিৰাশাত কিবা অবৰ্ণনীয

যাহু আছে। জীৱনৰ পৰশ-পাথৰ সি হেৰুৱালে। চাব্বিশ বছৰত ভৰি দিলেহি। সি পাহৰি গ'ল যে, সি নিজকে অস্বীকাৰ কৰিছে। কোনো নাৰীৰ পৰশে তাৰ মনটো সেউজীয়া কৰিবলৈ নেপালে। তাক সকলোৱেই আমুৱাইছিল। কিন্তু এজনী গাভৰুৰ স্বপ্নোজ্জ্বল অন্তৰঙ্গ সহজ হাঁহিটোৱে আমুৱা নাছিল। তাক মুহিছিল। সেই আকৰ্ষণে মনৰ বহুত দীনতা-হীনতা মুচি পেলাইছিল। আশা-আকাঙ্ক্ষাৰ এচেৰেঙা সোণালী ৰ'দ পৰি জেলুকনি-বন্ধ-যোৱা মনটো ফৰকাল হৈ পৰিছিল। সেই কাৰণেই লগৰ আন দহোজনৰ দৰেই এটা দুটা ইন্‌ক্ৰিমেণ্ট্‌ পোৱাৰ পাছত ভাগকৰা জীৱনৰ মৌকোঁহ বিচাৰি সৃষ্টিৰ আনন্দত বিৰহিত আডামৰ ব্যাকুল বাসনাৰে, ভাবী-প্ৰিয়াৰ সপোন-সজ্জ্বল পুলকানুভূতিৰে বেইৰ তলত বহি মাহ-হালধিৰে দেহা শুচি কৰিলে, হোমাগ্নিত ঘিঁউ ঢালি পবিত্ৰ অগ্নি দেৱতাক সাক্ষী কৰি পতি-পত্নী একীভূত হোৱাৰ প্ৰতিশ্ৰুতিৰ শ্লোক উচ্চাৰণ কৰি লখিমী ঘৰলৈ আনিলে।

কিন্তু সেইজনী স্বৰ্ণাৰে অসুখ দেখি সি সহিব পৰা নাই। এই মাহটোত তাইৰ পাছত দহটামান টকা খৰচ হ'ল। তাই এতিয়া বিছনাখনত বহি আছে। সদায় তাইৰ লগত মেল মাৰিবলৈ অহা কলেজীয়া ছোৱালী নন্দিতা আৰু ৰুণুমী কাষতে। তৰু আৰু অপৰাজিতা আদি পাটগাভৰু ছোৱালী কেইজনীয়ে ঘনাই ঘনাই খবৰ কৰিছে। চিনেমা চাবলৈ ঘনাই ঘনাই লগ লোৱা ছোৱালী কেইজনীয়ে নবৌয়েকৰ অথন্তৰ দেখি বৰ দুখ

পাইছে। ৰুণুৰ মাক, পুতুলীৰ মাক বা মীৰাৰ মাকহঁতে তাইক উপদেশ দিয়েহি। ভাল ৰন্ধা-বঢ়া হ'লে সিহঁতে মাহু এডোখৰ, আঞ্জা অকণমান বা মাহুৰ ঘিলা দুখনমান তাইক দিয়েহি। তাইৰ ওচৰচুবুৰীয়াৰ লগত বৰ আত্মীয়তা। তাৰো সিহঁতৰ লগত আপোনভাব হৈছে। সি এতিয়া ভাবে যে মানুহবোৰ যিমান বেয়া বুলি ভবা যায় সিমান বেয়া নহয়। সকলোৰে চৰম লক্ষ্য সুখে-শান্তিৰে মিলি জুলি বাস কৰা। সংসাৰখন যিমান তিতা বুলি কয়, সিমান মিঠাও।

পুৰা চোতালত হিম মাৰ যোৱা নাই। এচেৰেঙা কোমল ৰ'দ পৰিছে। কালি গোলাপজোপাৰ পুলিটোৰ তলখন স্বৰ্ণাই খুচৰি দিছিল। শুকান মিহি মাটিখিনি হিমে সেমেকাই পেলোৱাত এটা সুন্দৰ গোন্ধ তাৰ নাকত লাগিছে। সি বাহিৰলৈ ওলাই আহি বেঞ্চখনত বহিল। ভিতৰৰ খোৰালী কেইজনী ওলাই গ'লেই সি স্বৰ্ণাক ডাক্তৰৰ তালৈ লৈ যাব। অফিচলৈ দেৰি হলেও কথা নাই। স্বৰ্ণাৰ কাৰণেই সি ইমান সুখত আছে। ভাড়া ঘৰটোৰ এতিয়া আৰু সেই ৰূপ নাই। তাইৰ পৰশ পাই নতুন হৈ পৰিছে। চোতালৰ সেউজীয়া ঘাঁহনিৰ ওপৰত গোলাপ আৰু টগৰ ফুল ফুলিছে। ঘৰৰ ভেঁটিত এতিয়া ফু-মাৰি ভাত খাব পাৰি। কাঁহী-বাটি চকী-মেজ চক্‌মকীয়া। সকলো পৰিপাটী। টেবুলৰ ওপৰত ফুল তোলা কাপোৰ। শোৱনি ঘৰত যতনে সজাই থোৱা ৰাধা-কৃষ্ণৰ ফটোৰ ওপৰত বকুলৰ মালা। ধুতী-পাঞ্জাবী আনকি লুঙিখনো আলনাত জাপি

কুচি ধোৱা। ধোবাক দিয়া এলাহত এতিয়া আৰু মলিয়ন গেঞ্জিৰ পৰা দুৰ্গন্ধ নোলায়। কিন্তু ঘৰৰ লখিমীয়েই যদি বেমাৰত পৰিল, সি কি সুখত দিন কটাব ?

বেঞ্চিখনত জুলুকা লাগি বহি থকা দেখি পাচফালৰপৰা মণিৰামৰ মাকে মাত দিলেহি—সঞ্জয়, স্বৰ্ণাই কৈছে তোমাক এইকণ কথাও আঁৰ মাৰি বুজাব লাগে। গাত লেথা থাকিলে এনেদৰে বতিওৱা, আলসনী লগা হয়েই। হোমিওপেথিক দুপুৰীয়ামান খালেই সকলো চাফ হ'ব। কিবা পলচেটিলা নেকি ? ত্ৰিশ নম্বৰৰ।

সি মুখেৰে একো নেমাতিলে। নিজৰ অজ্ঞতাক স্বীকাৰ কৰি তলমূৰ হৈ ৰ'ল। ছোৱালী কেইজনীয়ে তাৰফালে উৎসুকেৰে চাই ওলাই গ'ল। স্বৰ্ণাই তাৰ কাষ চাপি গাত হাত ফুৰাই লাহেকৈ ক'লে—ইমান উধাতু খাইছে কেলৈ ? মোৰ কি নোহোৱা বেমাৰ হৈছে ? মাইকী মানুহৰ এনে হয়েই।

তাই লাহে লাহে হাঁহিলেও। কথাটো কৈ সাউৎকৰে তাৰ কাষৰপৰা আঁতৰ হৈ আচাৰৰ বৈয়াম দুটা ৰ'দত দিলেগৈ। সি বুজা-নুবুজা একো ভাব নেদেখুৱালে। তাই আকৌ হঠাতে কাষ চাপি বেঞ্চিখনত কিলাকুটি দুটাৰে ভেঁজা দি গালত হাত দুখন থৈ ব্যস্তভাবে সঞ্জয়ৰ মুখৰ ফালে চাই মিচিকিয়াই ক'লে—আপুনি হ'বলা এইকণ কথাও বুজি নেপায় ! সিফালে মাইকী মানুহৰ জ্যোতিষী বুলি বৰকৈ জহায় !

সি আমনি পোৱা যেন দেখুৱাই মাত দিলে—হেৰা, ধেমালি নকৰিবাচোন। তোমাৰ অসুখ, তোমাৰ কথা। মোৰ কি? মই আন কথাহে ভাবিছোঁ।

—তথাপি আপোনাৰ ডাক্তৰী-জ্ঞান ভনী তটিনীতকৈও কম। আপুনি মাথোঁ জানে মেলেৰিযাত কুইনাইন খাব লাগে, কটা ছিঙাত আয়োডিন লগাব লাগে।

সঞ্জয়ৰ হাঁহিও উঠিছিল। ন বাজিলেই। সি গহীনালিৰ ভাব দেখুৱাই ক'লে—এতিয়া যোৱা, আমনি নকৰিবা। চাদৰখন উলিওৱা। অফিচলৈ যাবৰ হ'ল।

—অ', ভাতো নেখায হ'বলা। ইমানটো গপনে?

—ভাত?

তাই এইবাৰ শলিতাৰ ঘৰৰ ফালে ওলাই গ'ল। অলপ পাছতে দেখা গ'ল যে সৰু ল'ৰা এটাৰ হাতত দুটা মানুহে খাব পৰা ভাত। স্বৰ্ণাই আহি তাক গা ধুবলৈ পানী যতনাই দিলে। সি স্বৰ্ণালৈ ৰ' লাগি চাই ৰ'ল। পুৰাই বমি হৈছে আৰু ভাত-পানীত মুখ বহা নাই কাৰণে তাইক দুৰ্ব্বল যেন দেখা গ'লেও তাই আগতকৈ বেছি ধুনীযা হৈছে। চকুৱে মুখে এক মোহনীয কমনীয়তা বিৰিঙি উঠিছে। দেহাবয়বত এক অনাবিল গাম্ভীৰ্য্য, এক নতুন সজীৱতা। কাতি মহীয়া লখিমী ধাননিৰ দৰেই দেহৰ কোষে কোষে সৃষ্টি—পুলকিত জেউতি। সি তাইৰ ৰূপত ফুলভৰা গছৰ অপৰূপ শোভা দেখা পাইছে। তাৰ কালিৰ কথাটো মনত পৰিছে।

সিহঁতৰ লগৰে মহীৰাম কাকতিয়ে তাক কৈছিল, হেৰা সঞ্জয়, আমাৰ সিজনীয়ে কৈছে বোলে এইবাৰ তুমি ল'ৰাৰ মুখ দেখিবা। গাত শুভ লক্ষণ দেখিছে। ষ্টাফত হ'লে 'টি পাৰ্টি' দিব লাগিব। তাৰ বৰ লাজ লাগি গৈছিল। তেনেহলে অলপ দিনৰ ভিতৰতে তাৰ ঘৰখন সম্পূৰ্ণ হৈ পৰিব। স্বৰ্ণা তেনেহলে সুখেৰে সঁজাল দিয়া ধান কৰ পৰা এজনী ৰূপহী বোৱনী। সংসাৰত সি নিগাজীকৈয়ে খুটি পুটি বহিল। পোনতে বিয়া কৰাই সি ভুল কৰিলে বুলিয়েই ভাবিছিল। কিন্তু স্বৰ্ণাই তাক বৰ সহজ আৰু আপোনভাবেই গ্ৰহণ কৰি আহিছে। তাইহে তাক ইমানদিনে বুজি উঠিব পৰা নাই। তাইক পোনতে যিবোৰ কথা কৈছিল তাই সৰহ-ভাগেই বুজি নেপাইছিল। তাই লক্ষ্য কৰিছিল, কিহবাই যেন তাক আতুৰ কৰি তুলিছে। সি কৈছিল কেৰাণী জীৱনৰ ঠেক সংসাৰখনৰ কথা, একে ধৰণৰ জীৱনটোত একো হ'ব নোৱাৰাৰ কথা। এটা অফিচৰে একেবোৰ কামকে ঘূকটি থাকি একেবোৰ মানুহৰে সুখ-দুখ, বিপদ-বিঘিনিৰ লগত নিজকে খাপ খুৱাই একেখন ঠাইতে একেবোৰ জীয়াই থকাৰ চিন্তাকে মূৰত তুলি জীৱন যে নিমাখিত ভাৱে কটাই দিব লাগিব, এই ভাবটোৱেই তাক দুঃসহ কৰি তুলিছিল।

আজিও সি একেবোৰেই জীয়াই থকাৰ চিন্তা মূৰত তুলি লৈয়ো উপায়হীন হৈ পৰিছে। স্বৰ্ণাই ভাত ৰান্ধিব নোৱাৰা হ'লেই। অহা মাহৰ পৰা ভাত ৰান্ধিবৰ কাৰণে এটা

ল'ৰা জোগাৰ কৰিব লাগিব। আজিকালি তেনেকৈ ঘৰত কাম কৰা ল'ৰা পাবলৈ টান। মাহে পোন্ধৰ বিশ টকা-মান লাগিব। আশী টকা পোৱা মানুহ এটাৰ কাৰণে ইমান টকা দি মানুহ ৰাখিব পৰা অসম্ভৱ। তদুপৰি এটা মানুহক পুহি ৰাখিবলৈকো টান হ'ব। টাউনত খৰি দালৰপৰা তামোল এখনলৈকে সকলো কিনা। স্বৰ্ণাই যদি ভাত ৰান্ধিব নোৱাৰে, এই কেইদিন ওচৰচুবুৰীয়া ল'ৰা-ছোৱালীক খাটিব কৰোতে মুখ বিষাব। যদি মণিৰামৰ মাকহঁত দয়া পৰবশ হয়, সিও ভগৱন্তৰ আশীৰ্ব্বাদ। ডাক্তৰে কৈছে যে তাইক 'চেঞ্জৰ' দৰকাৰ। অনবৰত ঘৰৰ ভিতৰতে সোমাই থকাৰ কাৰণেই এনে অসুখ হৈছে। তদুপৰি এনে অৱস্থাত ভাল বস্তু খাব লাগে, ধুনীয়া বস্তু চাব লাগে। তেনেহলে তাইৰ এনে অসুখ হোৱাটো স্বাভাৱিক। দুখীয়া ঘৰৰ ছোৱালী যদিও তাই আলাসত উঠা। এটা ককায়েক, এজনী গাভৰু ভনীয়েক আৰু সৰু ভায়েক এটাৰ মাজত তায়ে আছিল আটাইতকৈ আদৰৰ। ঘৰুৱা কাম-বনত অকণো কষ্ট পোৱা নাছিল। কিন্তু সি তাইক বিয়া কৰাই পত্নী হিচাবে নানি যেন এজনী বান্দীহে আনিলে। ভাত ৰান্ধিব লাগে, কাপোৰ ধুব লাগে, ঘৰ-দুৱাৰ পৰিষ্কাৰপৰিচ্ছন্ন কৰিব লাগে। তদু-পৰি ঘৰৰ চুকে-কোণে লাও-জিকা লগাই অনবৰত ব্যস্ত থাকে। নিজৰ কাপোৰ-কানি নিজেই সী লয়। খৰচৰ হিচাবপত্ৰও তাইৰ হাততে। খৰচে জোৰা নমৰিলে হিচাব

কৰি চলাও কম যন্ত্ৰণাৰ কথা নহয়। দুটা মানুহৰ কাৰণেই যে ইমান কাম কৰিব লাগে সহজে বিশ্বাস নহলেও ঘৰৰ তিৰোতা দুদিনমান আঁতৰত থাকিলেহে বুজিব পাৰি যে সিহঁতে কিমানবোৰ কাম কৰে। তদুপৰি ঘৰটো অকণো স্বাস্থ্যকৰ নহয। ঘৰৰ টিনপাত মূৰৰ পৰা ডেৰহাতমান ওপৰতে। ৰ'দ-বতাহ সোমাবলৈ ভালকৈ দুৱাৰ-খিৰিকীৰ ব্যৱস্থা নাই। এনেকৈ অকণমান ঘৰটোতে অনবৰত সোমাই থাকিলে পোৱাতী তিৰোতাৰ আলসনী লগা, মূৰফূৰনি, বমি আদি হ'বই। ডাক্তৰে ঠিকেই কৈছে। তাইক 'চেঞ্জৰ' দৰকাৰ। কিন্তু জলবায়ু পৰিবৰ্ত্তনৰ কাৰণে আন ঠাইলৈ নিয়াও অসম্ভৱ। মাকৰ ঘৰত থৈ আহিবলৈ বোকাখাট ডেৰশ মাইল দূৰৈত। তিনি দিনমান ছুটী লব লাগিব। শহুৰেকৰ ঘৰলৈ নিবলৈ ই-সি খৰচ কৰোতে ডেৰকুৰিমান টকা খৰচ হ'ব। তাৰ কাৰণে সেইখিনি খৰচ কৰাও অসম্ভৱ। হাতত ধন নেথাকিলে জীযাই থাকোতেই হাত-ভৰি বন্ধা অৱস্থা। ইচ্ছামতে এফালে ওলাই যাব নোৱাৰি। সি জানে যে গতিশীলতাই একমাত্ৰ জীৱনৰ সাৰ্থকতা। গতি-চঞ্চলতাৰ ছন্দপতন হলেই জীৱন অসহ্য হৈ পৰে। কিন্তু সেই মহাজীৱনক আদৰি লবলৈ সি অপাৰগ। স্থবিৰতাই অকাল-মৃত্যু আনিছে। কেৰাণী জীৱন ক্ষুদ্ৰ জলাশয।

এইবোৰকে ভাবি সি ভাত মুঠি কণামুণাকৈহে গুজিলে। মুহুদি মাৰি সি স্বৰ্ণাক ক'লে—ইমানকৈ মানা কৰা স্বত্বেও

তুমি এনেকৈ কাম আজুৰি থকা ভাল হোৱা নাই। কানি-কাপোৰবোৰ ধোবাক দিবা। ইঘৰে সিঘৰে ঘুৰা-চকা কৰিবা।

স্বৰ্ণাই তামোলখন কাটি থৈ মজিযাত চুৰা বুটলি আছিল। কথাটো কাণসাৰ দিযা নাই বুলি সি কাষলৈ গৈ আকৌ ক'লে—আৰু এটা কথা। তোমাৰ লগত যে মেল মাৰিবলৈ কলেজৰ ছোৱালী ছুজনীমান আহে, সিহঁতৰ লগতে আবেলি কলঙৰ ফালে এপাক ঘুৰিবলৈ যাবাচোন।

—এৰা, এতিযা আৰু মোৰ আন চিন্তা নাই, কলেজীযা ছোৱালীৰ লগত পখিলী হৈ গা দেখুৱাই ফুৰিবলৈহে বাকী আছে? মানুহে ক'ব, কলেজৰ গোন্ধ নেপাতীজনীৰ কোবটো চা। আপুনি মোক হাঁহিযাতৰ পাত্ৰ কৰিহে এৰিব। ইমান চিন্তা কিয? এনে অসুখ কিবা মোৰহে হৈছেনে?

কথাটো কৈ খিলিখিলকৈ হাঁহি উঠিল। তাৰ কথাটো উৰুৱাই দিলে। তাযো জানে যে তাইৰ এই সময়ত ফুৰা-চকা কৰা ভাল। গাত আবেলিৰ হাৱা-বতাহ লাগিলে মনটো নতুন নতুন লাগে। কিন্তু তাক চিন্তিত নকৰিবলৈ তাই নিজে একো কথা মুলিযায আৰু সাধাৰণ অসুখ বুলি তাক দেখুৱায। এতিযালৈকে তাইৰ পাছত দহ টকামান খৰচ হ'লেই। এনেদৰে যদি খৰচ হয, সংসাৰ চলাই টান হৈ পৰিব।

তাৰ কথাটোত গুৰুত্ব নিদিযাত সি অপ্ৰস্তুত হৈ পৰিছিল। নিজ উপদেশৰ শ্ৰেষ্ঠত্ব প্ৰমাণ কৰিবলৈকে সি ক'লে

—বাৰু, হাঁহা। যিমান পাৰা সিমান হাঁহা। হাঁহিলে কাৰো লোকচান নাই। বৰঞ্চ স্বাস্থ্যৰ উন্নতিহে হয়। জীয়াই থকা দিন কেইটা সুবিধা পালেই হাঁহিব লাগে। জীৱন বৰ চুটি। দুখকষ্টইহে নেযায় সুপুৰায়। কিন্তু মই হ'লে এনেয়ে কোৱা নাই। ডাক্তৰৰ কথাও উপলুঙা নকৰিবা।

—থওক আপোনাৰ 'লেকচাৰ'খন, চাবে ন বাজিলেই। কাপোৰ-কানি পিন্ধক।

কথাটো কৈ তাই ভিতৰলৈ গৈ ছটা টকা হাতত গুজি ক'লে—ইযাৰে দুনেচা সূতা আনিব। উল সূতা। গোলাপী ৰঙৰ। চুৱেটাৰ এটা গুঁথি দিম। সদায় এডি কাপোৰ এখনেই দেখি দেখি আমনি লাগিছে আৰু।

অৱশ্যে এডি কাপোৰখন ল'লেও তাক বেচ শুৱাই পৰে। ছয়ুট ওখ হুটঙা মানুহ। গাৰ ৰং বগা। নাক-মুখ বৈ পৰা। যি পিন্ধে তাৰেই শুৱায়। সেই বিয়াতে উপহাৰ পোৱা টকাৰ কেইটামান তাইৰ হাতত আছিল। মাইকণে গিৰিযেকলৈ চুৱেটাৰ গোঁথা দেখি তাইৰ মনে নকলে। এটা চুৱেটাৰ গুঁথি দিবৰ প্ৰবল ইচ্ছা হ'ল।

সঞ্চয় অবাক্। তাইৰ অসুখৰ কথা চিন্তা কৰি সি পাৰ পোৱা নাই, অথচ তাই এইবোৰ ল'বাৰ ধেমালি বুলি ধুন মাৰি ফুৰিবলৈহে চুৱেটাৰৰ কাৰণেহে টকা উলিয়াইছে!

—হেৰা, আজি হ'ল একৈশ তাৰিখ। এই দহ দিন চলিবা কেনেকৈ? এনেয়ে বেমাৰত তৰণি নাই। তলমূৰ

কৰি এইবোৰ কাম কৰিলে একেবাৰে হাস্পতাল পাবগৈ লাগিব। তোমাৰ শৰীৰটো শিলৰে বন্ধোৱা বুলি নেভাবিবাচোন।

তথাপি স্বৰ্ণাই একো নুবুজাৰ দৰেই ক'লে—বাৰু, আপুনি সেইবোৰ নেভাবিবচোন। মোৰ শৰীৰৰ কথা মই বেছি বুজোঁ। হাতত আৰু সাত টকা আছে। তাৰেই জোৰা মৰিব। মই চুৰেটাৰটো গোথাই অনাম।

তাই নিৰবে তাৰ চকুলৈ চাই ৰ'ল। তাৰ আৰু দৰদটো বুজিবলৈ বাকী নেথাকিল। উলসূতা কিনিব বুলিযেই টকা কেইটা জেপত ভৰাই ল'লে। সি ভাবিলে, তাইক দুখ দিয়া বেযা। তিৰোতাৰ মনৰ হেঁপাহটো পূৰোৱা ভাল।

সি অফিচলৈ ওলাই গ'ল। হঠাতে জামৰি পৰা মনটো আকৌ ঠন ধৰি উঠিল। সি ভাবিলে যে স্বৰ্ণা হাডে-হিমজুৱে কেৰাণীৰ ঘৈণীযেক হৈ পৰিল। তাই নিজৰ জীৱনতকৈও তাক বেছি ভাল পায। তাইৰ স্বামীৰ প্ৰতি প্ৰীতি স্বাভাৱিক। মাষ্টৰৰ জীযাৰী হৈ ঘৰুৱা জীৱনৰ সকলো নিষ্কলুষ আনন্দৰে এজনক এদিন হোমৰ গুৰিত দেহমন সঁপি দি সুখে দুখে লগৰী হোৱাত বাদে আন একোৱেই ভাবিব নোৱাৰে। তেনে ছোৱালীযে জীৱনটো সহজভাবেই ল'ব পাৰে। মাথোঁ অকণমান মৰমৰ আশা কৰিযেই অশেষ কষ্ট ভোগ কৰিব পাৰে। তাইৰ জীৱন-বোধ তাতকৈ বেছি বুলি অনুমান হ'ল। তাই নিশ্চয বুজি পাইছে যে

যিখিনি পায় তাকে সন্তোষেৰে গ্ৰহণ কৰাতেই সাৰ্থকতা। জীৱন বৰ চুটি। সি চাই থাকোতেই মহীৰাম, ভোলা আৰু ৰূপেনহঁত বিয়াৰ দহ বাৰ বছৰৰ পাছতেই বুঢ়া যেন হ'ল। বুকু চাপ খালে। কথা কণ্ঠতে একোৱেই শুনি উৎসাহ নেলাগে। বাকী কেইটা দিন অনিচ্ছাৰেহে জীয়াই থাকিব যেন লাগে। সি এতিয়া ভাবি পাইছে যে চুটি জীৱনত অশান্তি চপাই ল'বৰ প্ৰয়োজন নাই। মানুহ সুখেৰে থাকিবলৈ বেছি বস্তুৰ দৰকাৰ নপৰে। মাথোঁ লাগে এটা মন। মন বুঢ়া নহ'লে জীৱনৰ প্ৰতিটো মুহূৰ্ত্তই মধুৰ। স্বৰ্ণাই তাক মধুৰ জীৱনৰ সন্ধান দিছে।

বাটছোৱা সি স্বৰ্ণাৰ কথাই ভাবি গ'ল। তাইৰ এই আপদীয়া দিন কেইটা যোৱাৰ পাছতেই তাৰ আৰু একো চিন্তা নেথাকে। বিয়াৰ পাছৰ দিন কেইটা তাৰ মনত পৰি তাৰ মনটো বৰ কোমল হৈ পৰিল। তেতিয়া সি বৰ কাল্পনিক হৈ পৰিছিল। স্বৰ্ণা যেতিয়া মনিৰামৰ মাকৰ লগত এফালে ওলাই গৈছিল বা আন কাৰোবাৰ ঘৰত বহি মেল মাৰিছিল, তাৰ ঘৰত অকলে মনটো উৰুঙা উৰুঙা লাগিছিল যদিও অস্বস্তি বোধ কৰা নাছিল। সৰু তক্তাখনৰ ওপৰত সজাই থোৱা তাইৰ ব্যৱহাৰ কৰা বস্তুবোৰে তাইৰ অস্তিত্ব ঘোষণা কৰিছিল। গোলা সেন্দুৰৰ বাটিটো, পাউদাৰৰ টিনটো, তেলৰ বটলটো বা আলনাত জাপি কুচি থোৱা চোলাটো বা চাদৰখনে তাইৰ মধুৰ সাক্ষ্য দিছিল।

সি তেতিয়াৰে পৰা স্বীকাৰ কৰিছে যে এজনী ভাল তিৰোতা এটা ডাঙৰ সম্পত্তি। আজি উলসূতা কিনিবলৈ দিয়াতৈ তাইৰ অসুখটো সি ভবামতে ডাঙৰ নহয়। এইবোৰ অসুখ কিজানি মাইকী মানুহৰ মনত মূৰৰ বিষ হোৱাৰ দৰেই অতি স্বাভাৱিক আৰু সাধাৰণ। স্বৰ্ণা কেতিয়াও বেমাৰী তিৰোতা হ'ব নোৱাৰে। তাইৰ উজ্জ্বল গাৰ ৰং, মুখত অবিৰাম আনন্দ আৰু আটিল গাটোৱে অতি স্বাস্থ্যবতী নাৰীৰ পৰিচয় দিছে। তেনেহলে সি উল সূতা কিনিবই।

· তিৰোতাৰ মন পোৱা বৰ টান। কিন্তু তাইৰ মনৰ বাতৰি সি পাইছে। তাতেই তাৰ গৰ্ব্ব। কিন্তু পোনতে তাইক যিকোনো এজনী তিৰোতা বুলি ভাবিয়েই সাধাৰণ গণ্ডীৰ পৰা নিষ্কৃতি পাবলৈ ব্যাকুল হৈ পৰিছিল। জীৱনত বৈচিত্ৰ আহিবলৈ বাট চাই ৰৈছিল। সি তাইক কৈছিল যে সোনকালে শ্বিলঙত এটা কামৰ যোগাৰ কৰি তাত ৰাতিৰ কলেজত বি, এ পঢ়িব। তাযো বেচ আনন্দতেই দিন নিযাব পাৰিব। শ্বিলঙীয়া জীৱনত গতি আছে। গতিৰ ছন্দ আছে। তাত প্ৰকৃতিৰ কাৰ্পণ্য নাই। ফ্লচ্ আছে, হৰেক ৰকমৰ ফুলে ফলে ভৰা পাহাৰ আছে। পাহাৰ বগাই নামি অহা ফটিক পানীৰ সৰু সৰু নিজৰা আছে। আৰু তাৰ অব্যক্ত সুমধুৰ কলধ্বনি আছে। পাইন গছৰ পাতে পাতে বতাহে নিতৌ বসন্তৰ গীত গায়। ওখ চাপৰ সেউজীয়া পাহাৰে মন সেউজবুলিয়া কৰে। শীতল পাহাৰৰ শীতল বতাহে

অজানিত মনলৈ পুলক আনে। আৰু শ্বিলঙত যে ইমান ফুল আৰু ফুলৰ ইমান ৰং! ৰামধনুৰ সাতো ৰঙতকৈ অনেক বেছি ৰং। ৰঙৰ সংমিশ্ৰণত ৰঙছুৱা হোৱা আৰু অলেখ ৰং। সেউজীয়া পাহাৰৰ ফুল, ওখ টিঙত ফুল, বাগিছাত ফুল, মানুহৰ ঘৰে ঘৰে ফুল। আৰু কি গতিশীল জীৱন। একে জীৱনতে ইমান বিলাক বিভিন্ন ধৰণৰ মানুহৰ মাজত থাকি দিন কটাই দিয়াও কম ভাগ্যৰ কথা নহয়। শ্বিলঙে সকলোকে সাদৰি ল'ব জানে। জীৱনৰ সমলয় অবিৰাম চলি থাকে।

সি স্বৰ্ণাক সমস্ত আত্ম-বিশ্বাসেৰে কৈছিল যে সেইখন শ্বিলঙতে সিহঁতৰ ভৱিষ্যতৰ জীৱন অতিবাহিত হ'ব। বি-এ পাছ কৰিলেই জীৱনৰ সকলো বাট মুকলি। কিন্তু সেইখন শ্বিলঙলৈ তাৰ নিজৰে যোৱা নহ'ল। তাৰ দুখো লাগে। স্বৰ্ণা যদি কোনো ধনী মানুহৰ গৃহিণী হ'লহেঁতেন সেই শ্বিলঙতে হাঁহি-ৰগৰেৰে এই সন্তান-সম্ভবা কাল কেইটা কটাই দিলেহেঁতেন। সি তথাপি স্বৰ্ণাৰ কাৰণে নিজকে ধন্য মানিছে। তাই এজনী সাধাৰণ ছোৱালী। তাই নেজানে যে তাইক আগুৰি থকা সংসাৰখনৰ ওখ দেৱালৰ সিপাৰে আৰু এখন জগত আছে। তাৰ কথা শুনি তাই মত দিছিল যে বিয়া কৰোৱা মানুহে ইমান হতাশ আৰু কল্পনা-জল্পনা কৰি মন বলিয়া কৰা বেয়া।

এইবোৰকে ভাবি কোন সময়ত অফিচ পালেহি তাৰ তৰ্কিবলৈকে নহ'ল। তাৰ অকলে অকলে কিবা ভাবি দিনটো উপভোগ কৰিবৰ ইচ্ছা হৈছিল। পিছে অফিচতহে আজি বহুত কাম। দুজন মানুহ কম আছে। ৰামনাথ আৰু মহেন্দ্ৰ। ৰামনাথৰ দেউতাকৰ বছেৰেকীয়া পৰিছে। আহিব পৰা নাই। মহেন্দ্ৰৰ 'ফ্লু' হৈছে। সি ভাড়া ঘৰটোত অকলে থাকে কাৰণে আপদালৰ অভাৱত এতিয়া ডিচ্‌পেন্সৰীত আছে। আৰু দহ-বাৰ দিনৰ পাছতহে সম্পূৰ্ণ আৰোগ্য হ'ব বুলি আশা কৰা যায়। দুজন মানুহৰ কামবোৰ ষ্টাফৰ ভিতৰতে ভগাই লৈছে। প্ৰত্যেকৰে মেজ গধুৰ। সঞ্জয় কামৰ মাজতে হেৰাই যায়। তাৰ মনত নপৰে স্বৰ্ণাৰ কথা, তাইৰ অসুখৰ কথা, হাৰা-বতাহ বদলাবলৈ নিব নোৱাৰাৰ কথা। ফাইল ঘটাত বাদে এই সুদীৰ্ঘ সাত ঘণ্টা তাৰ স্বকীয়া মূল্য নাই। তথাপি অফিচৰ কাম তাৰ বেয়া নেলাগে। কামত দায়িত্ব আছে আৰু আশা নিৰাশাৰ মাজত ডাঙৰ-দীঘল হৈ সি এই কথা স্বীকাৰ কৰে যে নিজকে পাহৰিব পৰা মানুহজনেই আটা-ইতকৈ সুখী। দেৱাল ঘড়ীটোলৈ এবাৰ মূৰ তুলি চালে। তিনি বাজি বিয়াল্লিচ মিনিট গ'লেই। গেজেটেড্ বিষয়া এজনৰ এশ পঁচিশটকা বাউন্স নয়া পইচাৰ বিলখন লিখাৰ পাছতেই আজিৰ কাম শেষ। আবেলিৰ ডাকটো আহি পালে। তাৰ নামত এখন চিঠি। ইন্‌লেণ্ডলেটাৰ। পঠাওঁতাৰ ঠিকনাত আছে—"তটিনী ৰাজখোৱা, বোকাখাট", তাৰ খুল-

শালীযেক। পঢ়ি চাব নোৱাৰি। চিঠিখন লিখিছে স্বৰ্ণালৈ। তাৰ 'কেযাৰ অব্'ত। মাইকী মানুহে মাইকী মানুহলৈ লিখা চিঠি পঢ়িলে সিফালে কি ওজৰ কৰে ঠিক নাই। সি ডাক্তৰখানাৰ কাষেদিযেই যাব কাৰণে মহেন্দ্ৰলৈ অহা পোষ্ট-কাৰ্ডখনো লৈ যাবলৈ দপ্তৰীটোৱে ক'লে। চিঠিখনত কেইশাৰামান মাথোঁ আখৰ। অভ্যাস নথকা মানুহে কষ্টৰে লিখা যেন লাগে। ভালকৈ ওচৰৰ পৰা আখৰবোৰ চাই দেখিলে যে শাৰী বেঁকা হয বুলি তলত কাঠ পেন্সিলৰ আঁক দিযা। নিশ্চয ঘৰৰ পৰা কোনোবা সৰু ল'ৰা-ছোৱালীযে লিখিছে। সি চিঠিখন পঢ়িবলৈ লোভ সামৰিব নোৱাৰিলে। কিজানি কিবা সুখবৰ আছেই। মহেন্দ্ৰৰ কাৰণে সি বৰ ব্যগ্ৰ। সি সৰু ল'ৰা। সঞ্জযে বৰ মৰমো কৰে। ঘৰ সান্দহ-খোৱাত। মেট্ৰিক পাছ কৰিযেই এই কম বযসতে কেৰাণী সোমাব লগা হ'ল। ঘৰত আছে দুখুনী বিধবা মাক, সৰু ভাযেক এটা আৰু ভনীযেক দুজনী। ঘৰত খেতি-বাতি নাই বুলিলেই হয। যি দুই এবিঘা মাটিত ধান পেলায, কপিলীৰ উৎপাতত ধানে থোক কাটিবলৈ নেপায। বেচেৰাৰ লেথা সঞ্জযতকৈ বহুত বেছি। এতিয়া ডাক্তৰখানাত নাৰ্চ কম্পাউ-ণ্ডাৰৰ শুশ্ৰূষা আশা কৰি পৰি আছে। সি চিঠিখন পঢ়িলে। পাঠশালা স্কুলত পঢ়া ভাযেক নৰেন্দ্ৰই লিখিছে। কেইটা-মান কথাই তাৰ অন্তৰত বৰ দুখ দিযে।

" আজি দুদিনমান ধৰি মাৰ বৰ অসুখ। ঘুমুৰীয়ে

ধৰা কাঁহটোত ৰাতি শুবই নোৱাৰে। দিনটোত এবাৰ ভাত সিজাই খাওঁ। সিমাহৰ বাকী শোধাব নোৱাৰাত হয়-ৰামৰ দোকানে মাল নিদিয়া হ'ল। কিতাপ-পত্ৰ জোগাৰ নোহোৱাত মাষ্টৰে মোক বৰকৈ বকে। ”

দূৰৈৰ গাৱঁৰ অসহায় পৰিয়াল এটাৰ করুণ দৃশ্য তাৰ চকুৰ আগত ভাঁহি উঠিল। সি ভাবিলে যে চিঠিখন নিজ হাতে দি সান্ত্বনা নিদিলে মহেন্দ্ৰৰ অসুখ চৰিবহে। সি গৈ ডাক্তৰখানা পালেগৈ। মহেন্দ্ৰ বিচনাখনতে কোচ্‌মোচ্‌ খাই বহি আছিল। বেমাৰৰ কথা সোধাত কলে যে সম্প্ৰতি জ্বৰ এৰিছে। ৰাতি টোপনিও যায়। গাটোহে দুৰ্ব্বল। সি চিঠিখন দিবনে নিদিযে আকৌ এবাৰ ভাবি চালে। নিদি-লেও অন্যায় হ'ব। সি জানিবলৈকে চিঠিখন লিখিছে। সি তাৰ মুখলৈ নোচোৱাকৈযে চিঠিখন আগবঢ়াই দিলে। সঞ্জয়ক দেখি মহেন্দ্ৰৰ শুকান মুখত যিকণ আনন্দ বিৰিঙিছিল, চিঠি-খন পঢ়ি মুখখন ক'লা পৰি আহিল। চকু চলচলীয়া পৰিল। চকুপানী লুকুৱাবলৈ সি গাৰুত মুখ গুজিলে। সঞ্জয় বৰ বিমোৰত পৰিল। সি মহেন্দ্ৰৰ বাহুত হাত ফুৰাই সান্ত্বনা দিবলৈ লাগিল। নিতান্ত গতানুগতিক ভাবেই।

—চিন্তা কৰি আৰু লাভ কি? অসুখ বিশেষ টান নহয়। চিঠিৰ পৰাই বুজিব পাৰি। এই কেইদিন গ'লেই এক তাৰিখেই ঘৰ ওলাব পাৰিবা। তদুপৰি হস্কিলে—মস্কিলে গাৱঁৰ মানুহে এনেয়ে চাই নেথাকে।

মহেন্দ্ৰই একো নেমাতিলে। সি ওপৰলৈহে চাই ৰ'ল। যেন ওপৰৰ অজান দেশৰ পৰা এটা শুভবাণী আহি তাৰ অন্তৰখন শাঁত কৰিব। তাৰ চকুৱোদ দুধাৰি চকুলো বাগৰি ঠুটৰীৰ ওপৰত মিলি গৈছিল।

সঞ্জয়ে তাৰ মুখলৈ চাই ৰ'ল। সি বৰকৈ শুকাইছে। গালৰ হাড ওলাইছে। বুকু আৰু কলাফুলৰ মঙহ হাডৰ লগত মিলি গৈছে। তাৰ বৰ দুখ লাগি গ'ল। এইটো মহেন্দ্ৰই তাৰ বিয়াত আপোন ভায়েকৰ দৰেই দিনে নিশাই খাটিছিল। সেইটো আঘোণত সি নিপোটল আছিল, কিন্তু এইটো কাতিত তাৰ দেহৰ এই দুখ লগা অৱস্থা। এতিয়া সঞ্জয়ৰ টকা পইচাৰ অভাব হলেও এখন সুখী ঘৰ হৈছে, কিন্তু কম বয়সীয়া ল'ৰাটোৱে বেমাৰ শাম কটাৰ পাছতো চৰকাৰী ডাক্তৰখানাত পাঁচি থাকিবলগীয়া হৈছে।

তাৰ দুখ পাতলাবলৈকে সঞ্জয়ে সুধিলে—ইযাত পিছে খোৱা বোৱা কেনে?

—ভাতবোৰ খাবই নোৱাৰি। লেপ্‌থেপ্‌ কৰে লুঠৰী যেন। যিকণ মাছ দিয়ে তাৰো সাদ-সোৱাদ নাই। ডাক্তৰে কৈছে, এতিয়া ভাল বস্তু খাব লাগে। মাছ, ফলমূল, গাখীৰ আদি, কিন্তু মোৰ হাতত এটাও পইচা নাই।

সঞ্জয়ে তাৰ দুৰৱস্থা দেখি আৰু সহি থাকিব নোৱাৰিলে। তাক খৰচ কৰি খাবলৈ, উলসূতা কিনিবলৈ অনা টকাৰে তিনিটা টকা উলিয়াই দিলে। শেষত যাবৰ সময়ত কৈ

গ'ল—বাৰু চিন্তা নকৰিবা। মনটো প্ৰফুল্লিত ৰাখিলেই গাত বল পাবা। আমিও কিবা এনেযে আছোনে? আজি গধূলিলৈ মিহি চাউলৰ ভাত আনিম। ডাঙৰ মাছৰ ডোখৰ এটাও। পেটত মাছৰ জোল পৰিলেই আগৰ মানুহ হৈ পৰিবা।

সি মাছ কিনাৰ উদ্দেশ্যেৰেই বজাৰ পালেগৈ। মনটো পাতল লাগিল। মহেন্দ্ৰই যদি তাৰ কথা শুনি সান্ত্বনা পাইছে আৰু এই তিনি টকাৰে ফলমূল কিনি খাই সোনকালে আৰোগ্য হয় সি নিজকে ধন্য মানিব।

বজাৰতহে মাছৰ বৰ দাম। সৰু পোনামাছ এভাগতে সাত অনা আঠ অনা। ডাঙৰ মাছৰ টুকুৰা লবাবই নোৱাৰি। বহুতপৰ ঘৰি পকি তিনি টকা দি এটা ইলীহমাছ কিনিলে। মাছটো অলপ ডাঙৰেই। দুসাজ খাব পাৰিব। নিজহাতে তিনি টকা দি মাছ আজিযেহে কিনিছে। তাৰ মনত বৰ ৰং। উলসূতা কিনাৰ কথা দ্বিতীয়বাৰ ভাবি নেচালে। স্বৰ্ণাই যে তাৰ বিষয়ে ইমানকৈ ভাবে। সিনো তাইৰ কাৰণে বিয়া হোৱা দিনধৰি কি কৰিছে? কি খুৱাইছে, বুৱাইছে? আজিলৈকে এখন ভাল কাপোৰ কিনি দিব পৰা নাই। মাকৰ ঘৰৰ পৰা অনা কেইখনহে সলাই সলাই পিন্ধে। ব্লাউজ কেইটাও নিজে চিলাই লয়। এতিয়ালৈকে এপদ ভাল বস্তু হেঁপাহ পলুৱাই খুৱাব পৰা নাই। অথচ তাইৰ এই মাক হ'বৰ অৱস্থাত পুষ্টিকৰ খাদ্যৰ প্ৰয়োজন। মাছটো কিনি

সি ভালেই কৰিলে। কেঁচুৱা হোৱাৰ আগতে মাকৰ কিবা বস্তু খাবৰ খুব মন হয়। তাইৰো যদি এটা ভাল মাছ বা এডোখৰ তেলাল খাঁহীৰ মঙহ খাবৰ ইচ্ছা গৈছে, তাই পইচা খৰচ হ'ব বুলি মুখ ফুটাই ক'ব পৰা নাই কিজানি। কিন্তু পছুলি পোৱাৰ লগে লগেই তাৰ আন এটা চিন্তা মগজত সোমাল। স্বৰ্ণাক যদি মাছটোৰ দাম তিনি টকা বুলি কয় তাই তাক দোষ দিব। ধনৰ মোল নুবুজে বুলি ক'ব। খৰচ কৰিব নেজানিলে হেজাৰ টকা দৰমহা পোৱাও লাভ নাই আদি বক্তৃতা জুৰিব। উলসূতা কিনি তাইৰ কথা ৰখাব নোৱাৰা কাৰণেও অসন্তোষ পাব। সি দোষৰ পৰা সাৰিবৰ এটা উপায় উলিযালে। তাই আন দিনাৰ দৰেই তুৱাৰ দলিত থিয় দি আছিল। তাক দেখিযেই চোতা-ললৈকে দোখোজমান আগবাঢি মাত লগালে—অ' আজি মাছ কিনিলে। ইলছা। কিমান ল'লে ? তেনেহলে সূতাৰ দাম মাছে খালে।

সি গহীন হৈ স্বাভাৱিকভাৱেই ক'লে—উলৰ কাৰণে দিছিলা ছটকা। কিন্তু মাছে খালে ডেৰ টকা। ভাবিলো, ইমান কম দামত মাছ সতকাই কিনিবলৈ পোৱা নেযাব।

বাকী কেইটাৰ হিচাব বটাই দিলে যে মহেন্দ্ৰই তাৰ পৰা তিনি টকা পাবলগীযা আছিল। অসুখত হাতত পইচা নাই কাৰণে আজিযেই পৰিশোধ কৰিলে। ডেৰটকা চান্দা দিবলগীয়া হ'ল। ল'ৰা কেইটামানে লাইব্ৰেৰীৰ চান্দা

খুজিছিল। স্বৰ্ণাৰো বিশ্বাস হ’ল। সি তাইক চিঠিখন দিলে। তাই মাছটো ভিতৰত থৈ তাৰ আগতে চিঠিখন ডাঙৰ ডাঙৰকৈ পঢ়ি গ’ল। চিঠিত লিখিছে যে মাক আৰু সৰু ভায়েক-টোৰ সৈতে তটিনী চব্বিশ তাৰিখে সিহঁতৰ ঘৰলৈ আহিব, তটিনীৰ স্কুল খটি হ’ব কাৰণেই আঠাইশ তাৰিখেই উভটি যাব। স্বৰ্ণাই কিন্তু কথাটো জানি একো উৎকণ্ঠা নেদেখু-ৱালে। মাক আৰু ভনীয়েক বিয়াৰ পাছত এয়ে প্ৰথম সিহঁতৰ ঘৰলৈ আহিব। তাত স্বৰ্ণাৰ খুব আনন্দ হ’ব লাগিছিল। তাই কিন্তু কথাটো তল পেলাবলৈকে ক’লে—মাছটো কিনি ভালেই কৰিলে। ইযাৰ দুডোখৰমান ভাজিব লাগিব। কণী নাই। মতা মাছ। বেচ তেলাল হ’ব।

সঞ্জযৰ আচৰিত লাগিল। তাই ইমান সোনকালেই ওপজা ঘৰখন পাহৰি পেলালেনে? দুয়ো বাৰান্দাতে বহিল। সন্ধিযা হৈছে। হেমন্তৰ হিম লাগি আলিৰ ধূলিবোৰ জ’য পৰিছে। সন্ধিযাৰ জোনৰ জেউতি লাগি আকাশখন শুধ বগা হৈ পৰিছে। দূৰৰিৰ পাতবোৰ বৰ উজ্জ্বল হৈ জিলি-কিছে। তাৰ বহি বহি অনেক কথাই ক’বৰ মন গ’ল। কিন্তু তাই নিমাত। আনদিনা হ’লে অনেক কথা কয়। বিশেষকৈ তটিনীৰ কথা। তাই এইবাৰ মেট্ৰিক দি কলেজত পঢ়িবনে নৰ্ম্মাল পঢ়িব, তাই দেখনিয়াৰ কাৰণে কেবাঠাইৰ পৰা বিয়াৰ প্ৰস্তাৱ আহিছে, ছোৱালী হাইস্কুলত তৰ্ক প্ৰতি-যোগীতাত প্ৰথম হয়, ভিনিহীয়েকৰ লগত বেচ তৰ্ক কৰিব

পাৰিব ইত্যাদি। কিন্তু আজি সি ঘৰৰ কথা ক'লে তাই তাকে তল পেলাবলৈ আন কথা উলিযায়।

ভাত কেইটা পুতুলীযেই ৰান্ধি দিলে। অৱশ্যে মাছটো ৰান্ধিবলৈ স্বৰ্ণাযে সকলো দিহা কৰিছিল। ৰাতি ন মান বজাত খোৱা শেষ হ'ল। ভাল বস্তু চাকি চাবলৈ শলিতাৰ মাক, পুতুলীৰ মাক আৰু মণিৰামৰ মাকৰ ঘৰত এডোখৰকৈ মাছৰে এৰেকোবাটি জোল স্বৰ্ণাই নিজে দি আহিলগৈ। সঞ্জযে ডাক্তৰখানাত মহেন্দ্ৰক দুডোখৰমান তলপেটৰ মাছৰে, মিহি চাউলৰ ভাত সি কোৱা মতে দি আহি বিচনাত পৰিলহি। দিনটোৰ ভাগৰত তাৰ বিচনাত পৰোতেই চকু সী নিলে। এনেতে স্বৰ্ণাই কাঁহী-বাতি ধুই আহি দুৱাৰ জপাই বিচনাত পৰিযেই তাক কলে—বুইছে, ইমান সস্তাত মাছ কিনিব পাৰে বুলি মণিৰামৰ মাকহঁতে ক'বই পৰা নাছিল।

আকৌ মাছৰ কথা উলিওৱাত সি সিমান ভাল নেপালে। স্বৰ্ণাই তেনেহলে মাছৰ কথাকৈযে চাৰিওফালে জহাই ফুৰিছে। কিজানি গিৰিযেকৰ মাছ কিনাত পাৰ্গতালি দেখি গৰ্ব্ববোধ কৰিছে। সিহঁতেও মাছটোৰ দাম ডেৰটকা বুলি বিশ্বাস কৰিবই। গিৰিযেকহঁত মাহটোৰ ভিতৰত মাথোঁ দুদিনমানহে মাছৰ বজাৰলৈ যায। তাকো কিনে গৰৈ, কাৱৈ, কৰতী আদি সৰু সৰু মাছ। ডাঙৰ মাছৰ বজাৰ দৰৰ লগত কোনো সম্পৰ্ক নাই।

—আৰু সিহঁতে কি কয় জানে? কয় যে আপুনি বিয়া বাৰু কৰাই বজাৰে সমাৰে বৰ চৌখিণ হৈ পৰিল।

সি চকু দুটা মুদি অলপ হাঁহিলে। ভাতৰ নিচাই চকুত ধৰিছে। স্বৰ্ণাই মনে মনে থাকিলেই ভৰ টোপনি ধৰিব। তাইৰ আকৌ আজি কথা বাঢ়িছে। বোধকৰোঁ অসুখটো কম পাইছে। কথা বাৰু কওঁক। কিন্তু অনবৰত মাছটোৰ কথা কৈ থাকে। শুনি আমনিহে পাইছে।

—আৰু এটা কথা। মণিৰামৰ মাকে ডেৰটকা আৰু পুতুলীৰ মাকে ডেৰটকা আজিযেই মোৰ হাতত দিছে। সিহঁ-তকো কাইলৈ তেনে দুটা মাছ কিনি দিব লাগে।

সি কথাটো শুনিযেই উচপখাই উঠিল। চকুত টোপনিযে ভৰ কৰাত যিকণ আৰাম লাগিছিল, খন্তেকতে নাইকীযা হ'ল। তাৰ মূৰত চৰগ ভাগি পৰিল। যদি মাছ কিনিব লগা হয, নিজৰ জেপৰ পৰাই তিনি টকা খৰচ হ'ব। সি নিজৰ ফাঁকিতে নিজে বান্ধ খালে।

—মই কিনিব নোৱাৰিমহে। মানুহৰ কাৰণে মাছ কিনি ফুৰাই মোৰ কাম নহয়, কাইলৈ মোৰ অফিচত বহুত দেৰি হ'ব।

স্বৰ্ণাই বৰ আঘাত পালে। গিৰিযেকৰ যে আন মানুহলৈ এটা নিষ্ঠুৰতা আছে আজিহে বুজিলে। তাই কলে—এতিয়া সেযেহে হ'ল? মই কোনটো লাজেৰে টকা ঘূৰাই দিম? সিহঁতে আমাৰ কাৰণে ইমান ভাবে, অথচ আপুনি বজাৰত

পাক এটা মাৰি মাছ এটাও কিনি দিব নোৱাৰে? ইমান নিহকুটুমীয়া নহ'বচোন।

উপায় নাই। আৰু যদি ফাঁকি দিবলগীয়া হয় বেছি-কৈহে বান্ধ খাব। সি ভাবিলে যে এনে ক্ষেত্ৰত স্বীকাৰো-ক্তিযেই বেছি কাৰ্য্যকৰী। তদুপৰি স্বৰ্ণা তাৰ কোনো পৰ নহয়। তাইৰ আগত কথা লুকুৱা পাপ। সি অতি আবে-গেৰে কৈ গ'ল, কেনেকৈ মহেন্দ্ৰৰ সৰু ভায়েকটোৱে দিয়া চিঠিখন পঢ়ি সি কাতৰ হৈ পৰিছিল, কেনেকৈ হস্পিটেলত তাৰ শুকান মুখখন দেখি তাৰ কান্দি পেলাবৰ ইচ্ছা গৈছিল, তাৰ খোৱা বোৱাৰ অসুবিধা আৰু টকা পইচাৰ নাটনিৰ কথা শুনি কেনেকৈ অসহ্য হৈ উঠিছিল। স্বৰ্ণাই শুনি এটা হুমুনিয়াহ পাৰিলে। সমস্যাটো দুয়ো এতিয়া ভাগ বাটি ল'লে। ৰাতি বাৰ বজালৈকে দুয়োৰে আলোচনা চলিল।

সমস্যাৰ সহজ সমাধান নহ'ল। যদি কাইলৈ বজাৰলৈ গৈ মাছৰ দাম বাঢ়িল বুলি পইচা ওলোটাই দিয়া হয় সিহঁতৰ বিশ্বাস ন'হব। এদিনৰ ভিতৰত মাছৰ দাম নেবাঢ়েও। যদি আচল কথাটোকে ফাঁচ কৰি দিয়ে, তেতিয়াও সিহঁতে স্বৰ্ণাক ক'ব যে তাইক যদিও গিৰিয়েকে ইমান মৰম কৰে বুলি কয়, আচলতে এতিয়াও তাই সঞ্জয়ৰ মোৰ পোৱা নাই। তেতিয়া স্বৰ্ণাই কোনো পধ্যে সহিব নোৱাৰিব। যদি মাছৰ দাম আজিহে কম বুলি কয় তেতিয়া হয়তো ক'ব পাৰে যে সঞ্জয়ে অনা মাছটো কিনা নহয়, ঘোচৰহে। নিৰ্দ্দোষী মানুহ-

টোৰ এনেযে বদনাম গুলাব। মুঠতে পৰিস্থিতিয়ে এনে ৰূপ ল'লে যে স্বৰ্ণাই ভৱিষ্যতে নিজৰ বিষয়ে ক'বলৈ অকণো চল নেথাকে, আৰু সঞ্জয়ৰো মান-সন্মানত চেকা পৰে, ওচৰ-চুবুৰীয়াৰ লগত সকলো অন্তৰঙ্গতা হঠাতে নোহোৱা হৈযে যাব পাৰে।

শেষত সঞ্জয়ে ক'লে—তেনেহলে তুমি ভাবা যে মাছ দুটা কিনি দিবই লাগিব? এটকা বাৰ অনা বুলি ক'লে নিজৰ পৰা আঠে টকা খৰচ হব।

—সেযে হওঁক। আঠে টকা খৰচ হ'লেও তেও আমাৰ সন্মান ৰওক।

সঞ্জয়ে চিন্তিত মনেৰে ক'লে—কিন্তু আজি হ'ল মাহৰ একৈশ তাৰিখ। এই নদিন চলিবা কেনেকৈ? তদুপৰি মাৰাইঁত অহাৰ কথা।

সেইবোৰ পাছ কথা। আজিৰ বিপদৰ পৰা বাচোঁ। এযে বহুত। সিইতৰ কাৰণে চিন্তাৰ কাৰণ কি? ঘৰৰে মানুহ। মাছৰ কাৰণে আঠে টকা দিলে মোৰ হাতত আৰু চাৰে চাৰি টকা থাকিব। তাৰেই জোৰা মৰিব।

সি তাইৰ প্ৰস্তাৱত মান্তি হ'ল। কিন্তু তাৰ টোপনি হৰিল। ৰাতি এক বাজিল। তাৰ মনটো লাহে লাহে গধুৰ হৈহে আহিল। চাটি ফুটি কৰিবলৈ লাগিল। স্বৰ্ণা শুইছে। মাছ কিনাৰ সিদ্ধান্ত হোৱাৰ পাছত আৰু তাই একো নেভাবিলে। সেয়েহে টোপনি গ'ল। কিন্তু সি ভাবি-

বলৈ লাগিল অহা সপ্তাহটোৰ কথা। তটিনীহঁত আহিব চাব্বিশ তাৰিখে আৰু যাবগৈ আঠাইশ তাৰিখে। কিন্তু হাতত আছে চাৰে চাৰি টকা। সিহঁতৰ আহিবলগীয়া নোহোৱাহেঁতেন এই বেইটা টকাৰেই ভাত-দাইল আৰু আলু-গুটি পিটিকাৰে কোনো মতে চলিলেহেঁতেন। কাৰণ, আজি-কালি সি বিড়ি-চিগাৰেট নেখায়। কিন্তু লেথা স্বৰ্ণাৰ কাৰণেহে। তাইৰ এই আপদীয়া দিন কেইটাত হাতত পইচা-কড়ি নথকাটো কম বিপদৰ কথা নহয়। চাৰিওফালৰ পৰাই দুৰ্য্যোগ। স্বৰ্ণাই যদিও কয় যে মাক তাইৰ ঘৰৰে মানুহ যেতিয়া, আলহী বুলি নেভাবিলেই হ'ল। কিন্তু সি গমি পাইছে যে সেইটো তাই অন্তৰৰ পৰা কোৱা কথা নহয়। সেই কাৰণেই তটিনীৰ চিঠি পাই একো আনন্দৰ ভাৱ দেখুৱা নাই। তাৰ বৰ দুখ লাগি গ'ল। টকা এনে বস্তু যে মানুহক কেবল টকাইহে আনন্দ দিব পাৰে। তাৰ হাতত যদি আজি টকা থাকিলেহেঁতেন, তটিনীহঁত অহাৰ খবৰটো উৎসৱ যেন লাগিলহেঁতেন। এই কেইদিন সিহঁত অহাৰে দিন গণি থাকিলেহেঁতেন। কিন্তু তটিনীৰ চিঠিখন প্ৰথম পাযেই স্বৰ্ণাই মুখ ক'লা কৰিলে। বিয়া দিয়া ছোৱালীজনীয়ে মাকৰ মুখখন দেখিবলৈ যি আশা কৰে সেই আশাকো ধনৰ অভাবে মৰিমূৰ কৰিলে। স্বৰ্ণাই মাক অহাৰ খবৰটো পাই কিজানি দুখহে পালে। অৱশ্যে দুখ হ'বই। আশা-দশা কৰি মাক আহিব জীয়াৰীৰ সুখ চাবলৈ। কিন্তু চাৰিওফালে

আৰ্থিক দুৰ্য্যোগৰে তাৰ জুৰুলা অৱস্থা দেখি মুখেৰে যুটাই একো নক'লেও দুখ মনেৰেই উভটি যাব। আৰু আহিব লগতে গাভৰু ছোৱালীজনী। এপদ ভাল বস্তু খাবৰ জোগাৰ নহলে সি লাজতে নিজক বিক্ৰী কাৰ দিব।

ৰাতি দুই বাজিলেই। সি টোপনিযাবৰ চেষ্টা কৰিলে। কিন্তু তাৰ চাটি-ফুটি বাঢিলহে

হাতত আছে চাৰে চাৰি টকা। সেই চাৰিদিন সিহঁতক নিজে খোৱাতকৈ বহুত ভাল খুৱাব লাগিব। সৰু খুলশালীযেকটো ভিনিহীয়েকৰ ঘৰলৈ প্ৰথম অহাৰ কাৰণে এজোৰ পোছাক দিব লাগিব। ভটিনীকো এটা গাভৰু ছোৱালীৰ মনোমত উপহাৰ দিব লাগিব। শাহুযেককো এখন টঁাৰৰ মেখেলা আৰু এটা চোলা দিব লাগিব। তাকো যাবগৈ আঠাইশ তাৰিখে। ষ্টেশ্যনত থ'বলৈ ৰেলত টিকেট তিনিখন কিনি দিব নোৱাৰিলেও কেনেবা কেনেবা লাগিব। শাহুযেকৰ পৰা টকা খুজি টিকেট কেইখন কিনি দিয়া বৰ লাজৰ কথা। উপযাচিযেই যদি টিকেটৰ পইচা উলিয়াই দিয়ে সেইটোও অসহনীয়। সি বৰ হতাশ হৈ পৰিল। এই মাহত স্বৰ্ণাৰ লগত তেৰ টকা মান খৰচ হ'ল আৰু নৱৈণীৰ আগত তাৰ অসচ্ছল অৱস্থা জ্বল্ জ্বল্ পট্ পট্কৈ ওলাই পৰিল। যেন তাৰ পৌৰুষৰ ভুল প্ৰমাণ হ'ল। মাছৰ কাৰণে যে আৰু আঢৈ টকা খৰচ হ'ব। সেইটো খৰচ নোহোৱা হ'লেও সি একেই বিমোৰত পৰিলহেঁতেন। তাৰ

হ'বলগীয়া খৰচৰ তুলনাত তিনি টকা বা আঠ টকা একো বস্তু নহয়।

শেষ ৰাতিয়েই হ'লহি। জোনটো ডুবু ডুবু। খিৰিকী-যেদি এচেৰেঙা জোনাক আহি কোঠাটো পোহৰ কৰিছে। নিযৰৰ টোপালবোৰ ছালত পৰি ৰাতিটো তাৰ মনত ভয়াবহ কৰি তুলিছে। মাথোঁ কাষতে স্বৰ্ণা শুই আছে অতি নিশ্চিন্তমনে। তাইকে দেখিহে তাৰ অসহায় যেন লগা নাই। তাইৰ বগা মুখখনিত জোনৰ পোহৰ পৰি অপাৰ্থিব হৈ পৰিছে। তাৰ মনত পৰিল, স্বৰ্ণাই যে তাক কৈছিল— সিহঁত বাৰু আহক। টকাৰ কাৰণে কিবা কাম বৈ থাকেনে?

কিন্তু তাই সান্ত্বনা দিবলৈকে এনেকৈ ক'লে।

গাত লোৱা কম্বলখনেৰে এই আঘোণমহীয়া কোনো মতেহে জাৰ মৰে। কিন্তু আজি ৰাতি তাৰ গৰম লাগিছে। কম্বলখন গুছাই থ'লে। এখিৰিকী চেঁচা বতাহে তাৰ শৰীৰৰ উত্তাপ কমাব পৰা নাই। সি বিচনাৰ পৰা উঠিল। টুলখনৰ ওপৰত থকা ঘটটো দাঙিলৈ ঢক্‌ঢক্‌কৈ পানী পিলে। স্বৰ্ণাই নিশ্চিন্ত হৈ শুই থকা দেখি তাৰ বৰ মৰম লাগি গ'ল। সোণৰ নেকলেচ্‌ দালে তাইৰ পুষ্ট বুকুখন বৰ মোহনীয় কৰি তুলিছে। তাই শুইছে। নিশ্চয় শান্তিৰে শুইছে। এটা ডেকা গিৰিয়েক জীয়াই আছে কাৰণেই তাই টকা-পইচা বা বিপদ-আপদৰ কথা নিজৰ মূৰত তুলি লোৱা নাই। তিৰোতা মানুহৰ পুৰুষত যে ইমান বিশ্বাস! কিন্তু মাহৰ

শেষত সি ধাৰ পায় কেনেকৈ ? যাৰ টকা আছে সিহে ধাৰ পায। কাৰণ তেওঁলোকৰ ওপৰত আস্থা আছে আৰু তেওঁ-লোকৰ সঙ্গো, টকা থকা মানুহৰ লগতেই। কিন্তু তাৰ লগৰ কেইজনৰ অৱস্থা সি নিজ চকুৰেই ইমান দিন দেখি আহিছে। প্ৰায়বোৰৰে ল'ৰা-তিৰোতা আছে। মাহটোৰ এফাল যোৱাৰ পাছতেই খৰচ কৰোতে এপইচাৰ কাৰণেও ভাবিব লাগে। অমল, সুৰেন, অনাদিহঁতৰ লগত তাৰ বেচ মিল। কিন্তু সি জানে যে সিহঁতে যদি বিশ বাইশ তাৰিখে লাগ বোলাতেই দহ বাৰ টকা উলিয়াই দিব পাৰে, তেনেহলে কেৰাণী জীৱ-নৰ হা-হুতাশৰ কথা দিনে ৰাতিয়ে এনেকৈ কৈ নেথাকে। গতিকে কাইলৈ যদি প্ৰত্যেকৰে কাষত হাত পাতে আৰু তেওঁলোকে যদি কয—মাফ কৰিব, হাতত পইচা একেবাৰেই নাই—তেনেহলে তেওঁলোকে মিছা কৈছে, দিবৰ মন নাই, লোকৰ বিপদ সুবুজে আদি ভাবিবৰ কাৰণ নাই। তাতকৈ তেওঁলোকৰ বিপদ-আপদ বহুত বেছি। প্ৰত্যেকেই একোটা শকত পৰিযাল পোহ-পাল দিব লাগে। অথচ দৰমহাৰ বছেৰেকত ইন্‌ক্ৰিমেণ্ট্‌ হয় মাথো তিনি টকা।

সি তাৰ ভৱিষ্যতটো আজিহে গমি চালে। আৰু কেই-মাহমানৰ পাছত সি সন্তানৰ মুখ দেখিব। কেইবছৰমানৰ পাছত ল'ৰা-ছোৱালীৰে ঘৰ কোঢাল হৈ পৰিব। সিহঁতক সি খুৱাব-পিন্ধাব লাগিব। তেতিয়া প্ৰতি দিনেই আজিতকৈ বেছি উৎকট বিপদৰ সন্মুখীন হ'ব লাগিব। অৰ্থচিন্তাত, আৰু

সতি-সন্ততিৰ দুখৰ সন্তাপত অকালতে তাৰ মূৰৰ চুলি পকিব, দেহৰ জেউতি হেৰাব। স্বৰ্ণাৰ হাঁহি ভৰা সুখৰ ৰেঙণি নেদেখিব। তাই হ'ব বুঢ়ী। সি নিশ্চয় সি জন্মত ডাঙৰ পাপ কৰি আহিছিল। কাৰণ দুখীয়া হৈ জনম লোৱা পাপ।

কিন্তু তাৰ জীৱনলৈ অপূৰ্ব্ব শ্ৰদ্ধা। সি চিৰদিনেই জীৱনৰ ৰোমাঞ্চ বিচাৰি পাইছিল নিজকে প্ৰতিষ্ঠা কৰাত। তাৰ ডেকা মনটো আকৌ কিহবাৰ সন্ধানত ব্যাকুল হৈ পৰিল। ৰাতি আঠেটাই বাজিল। জোনটো ডুবিছে। বাহিৰত আন্ধাৰ। বাহিৰৰ হিমবোৰ মাথো অন্ধকাৰৰ নিবিড়তা কমাইছে। তাৰ অসহ্য লাগিল। সকলো শুই থাকিলে টোপনি নহাজন বৰ দুৰ্ভাগীয়া। জোনৰ পোহৰত স্বৰ্ণাক দেখি অলপ শান্তি পাইছিল। এতিয়া তাইক আন্ধাৰে গিলি পেলালে। সি লাহেকৈ উঠি গৈ লেমটো জ্বলালে। খন্তেকতে গোটেই কোঠাটোত পোহৰ বিয়পি পৰিল। স্বৰ্ণাই সাৰ পোৱা নাই। তাইলৈ সি ৰ' লাগি চাই ৰ'ল। শুই থকা তিৰোতাজনীয়ে তাৰ মনলৈ এক অতীন্দ্ৰিয় পুলক আনিলে। এইজনী স্বৰ্ণা, যাৰ শৰীৰৰ কোষে কোষে মাতৃত্বৰ জেউতি! তাই সৃষ্টিৰ প্ৰথম নাৰীৰ আন্তৰিকতাৰে তাক ভাল পাই থাকিব জীৱনত তাৰ সিমানেহে গৰ্ব্ব। সিয়েই নিশ্চয় এজনী তন্দ্ৰালসা গাভৰুক প্ৰথমে প্ৰেম জগাই মহিমান্বিতা কৰিলে। আৰু এনেবোৰ স্বৰ্ণাই যুগে যুগে সৃষ্টিৰ অবিৰাম ছন্দ বজাই ৰাখিব।

সি এঠাইত পঢ়া মনত পৰিছে যে আচল প্ৰেম এটা প্ৰেমৰ গল্পতকৈ বহুত ভাল। এজন ভাল শিল্পীতকৈ এজন ভাল মানুহ বহুত বেছি ভাল। সিও অনুভব কৰিছে যে এজন শিল্পীৰ সৃষ্টিৰ মাধুৰিমাতকৈ সৃষ্টিৰ প্ৰৱাহ অবিৰাম বোৱাই ৰখা এজনী তিৰোতা বেছি আকৰ্ষণীয়। সি ভাল। তাৰ নিজৰ সততাত আস্থা আছে। স্বৰ্ণা অপৰূপা। পূৰ্ণিমাৰ জোনৰ দৰেই তাই নিৰ্ম্মল। হেমন্তৰ হিমৰ দৰে তাঁইৰ মৰমবোৰে তাৰ বাস্তৱত জুৰুলা লগা শুকান অন্তৰখন মানবীয় অনুভূতিৰে সেমেকাই পেলাইছে। তাৰ কিহৰ অভাব? মাথোঁ টকাৰ। কিন্তু মানুহে চলিব পৰাতকৈ বেছি টকাৰ প্ৰয়োজন নাই। স্বৰ্ণাৰ যোগেদি সি জীৱনৰ স্বৰূপ বুজি পাইছে। সি ভৱিষ্যতে উন্নতি কৰিবলৈ তাই প্ৰেৰণা দিব। সি জীৱনত সিদ্ধি পোৱা মানুহ কিছুমানৰ কথা মনত পেলালে। সিহঁত কোনো ধনৰ ভেটিত উমলি ডাঙৰ হোৱা নাছিল। ভবেন বৰদলৈৰ কথা ভাবে। বেচেৰাই মেট্ৰিক পাচ কৰাৰ পাছতেই ডিমাপুৰৰ গহন বনত ফৰেষ্টৰ গাৰ্ড কাম কৰিছিল মাহে ডেৰকুৰি টকাত। সাত বছৰ হাবিয়ে জঙ্ঘলে ঘূৰি ফুৰাৰ পাছত পঢ়িবলৈ ইচ্ছা কৰিলে। তাৰ ইন্ধন পাইছিল তাৰ মৰমৰ বীণাৰ পৰা। অশেষ কষ্ট কৰি বি-এ পাছ কৰিলে, তাৰ পাছত এম-এ। তেওঁক ভগৱানে চকু মেলি চালে। এতিয়া বিশ্ববিদ্যালয়ত অধ্যাপকৰ এখন সন্মানিত আসন শুৱনি কৰি আছে। অজিত ডেকাই মাটিবাৰী বন্ধকত

দি পঢ়িছিল। দিনে তিনি চাৰিটা টিউশ্যনী কৰিছিল। তথাপি প্ৰথম বিভাগৰ প্ৰথম হৈ এম-এছ-চি পাছ কৰিলে। এতিয়া ভাৰতচৰকাৰৰ ভূতত্ব বিভাগৰ এজন নাম কৰা বিষয়া। জ্যোতি কটকী সমবায় সমিতি অফিচৰ কেৰাণী আছিল। বিয়া কৰাইছিল অতি কম বয়সতে। কিন্তু নিজত বিশ্বাস থকাৰ কাৰণেই প্ৰাইভেট কৰি বি-এ পাছ কৰিলে। তাৰ পাছত কামৰূপ একাডেমীত মাষ্টৰী কৰি ল' পাছ কৰিলে। এতিয়া চহৰৰ এজন প্ৰখ্যাত উকীল। ৰাজনীতি ক্ষেত্ৰতো প্ৰচুৰ যোগ্যতা অৰ্জ্জন কৰিছে।

ৰাতি তিনি বাজিলেই। তাৰ টোপনি নাহিল যদিও এক অনিৰ্বচনীয় পুলকত সি শিহৰি উঠিল। তাৰ বয়স মাথো সাতাইশ বছৰ। নিজকে গঢ় দিবলৈ আৰু বহুত সময় আছে। তাৰ দেহত শক্তি আছে, মগজত বুদ্ধি আছে আৰু আছে অধ্যবসায়ৰ ধৈৰ্য্য। এতিয়াই জীৱনৰ শলিতা নুমাল বুলি ভাবি মহাভুল কৰিছে। মনত অদম্য অভিলাষ থাকিলে শত বাধা-বিঘিনিয়েও বিফল কৰিব নোৱাৰে। তেনেহলে তাৰ দিন এনেকৈয়ে যাবনে? কাৰো দিন সমানে নাযায়। আজিৰ খৰিভাৰী কাইলৈ ৰজা। অ' নহয়, ৰজা শব্দটো আজিকালি উঠিয়েই গৈছে। তাৰ ভুলতেহে মনলৈ আহিল।

আজিৰ খৰিভাৰী কাইলৈ দেশৰ কৰ্ণধাৰ। সি নিজকে শেষ হৈ গ'লে বুলি ভাবি মূৰ্খামি কৰিছে। মানুহ নিজেই নিজৰ ভাগ্য নিয়ন্তা। আশাবাদী মন ভগৱন্তৰ অশেষ দান।

ভবিষ্যতৰ সুৰদি আশাৰে তাৰ ভাববোৰ হেঙুলীয়া হৈ পৰিল। মাথোঁ এই ন দিন পাৰ হ'লেই ৰক্ষা। তটিনী আৰু শাহুৰেকৰ হাতৰ পৰা নিজৰ সন্মান বচাব লাগিব। সি প্ৰমাণ কৰিব লাগিব যে স্বৰ্ণাৰ স্বামী কোনো অপাৰগ মানুহ নহয়। সি এক যোগ্য জোঁৱাই, এক যোগ্য স্বামী। সি তটিনীক দেখুৱাব যে তাইৰ ভিনিহীযেক বহুত গাভৰুৰ ঈৰ্ষাৰ বিষয়। হয়তো এই ন দিনৰ পাছত তাৰ এনেকৈ অৰ্থৰে বিফল কৰা দুৰ্য্যোগ নাহে। সি ভাবি পাইছে। সি জীৱনৰ বাট বিচাৰি পাইছে। কলেজত থাকোতে সি বুৰঞ্জীত পাইছিল যে অতীতৰ বুৰঞ্জীত আছিল কেৱল ৰজাৰ ভঙা-পতা, কিন্তু অষ্টাদশ শতিকাৰ পৰা বুৰঞ্জীৰ সোঁত উজাই বৈছে। ৰজাৰ কৰ্ম্মকাণ্ড বহুৱালি বুলি গণ্য হৈছে। সাম্ৰাজ্যবাদ আৰু সামন্তবাদ মানুহে ঘৃণাৰ চকুৰে চাবলৈ শিকিছে। আদিম কালৰে পৰা মানুহে যুঁজ কৰিছে আৰ্থিক অ নাশি নিজৰ ব্যক্তিত্বক ৰূপ দিবলৈ। ব্যক্তিস্বত্বাত মানুহৰ অটল বিশ্বাস। মানুহে চাৰিওফালে সমান অধিকাৰ বিচাৰি পৃথিবীৰ বুকত নতুন চাঞ্চল্যৰ সৃষ্টি কৰিছে। চৌপাশে গণজাগৰণে পৃথিবীত নতুন পোহৰ দেখুৱাইছে। সিও তাৰ সন্মানিত ব্যক্তিত্ব গঢ়ি তুলিব পাৰিব। আজিৰ পৃথিবীত নিষ্ঠুৰতাৰ ওৰ পৰা নাই। অনাহাৰী বা অভুক্ত আহাৰ খোৱা মানুহৰ ওৰ পৰা নাই। কিন্তু ন্যায্য প্ৰাপ্যৰ কাৰণে মানুহে যি অবিশ্ৰান্ত চেষ্টা চলাইছে, সি অবিনাশী। মানুহে

চৰম সত্যৰ ফল ভোগ কৰিবই। আত্মাক আদৰ কৰা মানুহক ভগৱানেও সহায় কৰিব। আজিৰ মানুহৰ পাৰস্পৰিক মমত্ববোধ তেনেই উলাই কৰিব নোৱাৰি। তদুপৰি যুক্তিবাদ বৰ্ত্তমান শতিকাৰ অপূৰ্ব্ব দান।

সি লেমটো টেবুলৰ ওপৰত থ'লে। কলমটো উলিয়াই লৈ বগা কাগজ এখিলা ভাঁজ কৰিলে। সি চিঠিখন লিখিবলৈ সংকোচ নকৰিলে। এটা সাধাৰণ মাছৰ কাৰণেই যদি সি তাৰ মৰমৰ স্বৰ্ণাক মিছা কথা কবলৈ কুণ্ঠিত নহৈছিল তেনেহলে তটিনীক এষাৰ কথা সাজি লিখিলে একো পাপে নুচুব। সি তটিনীলৈ সেই ৰাতিযেই চিঠি লিখিলে। দিনত হয়তো এনে প্ৰবল ইচ্ছা নহ'বও পাৰে আৰু স্বৰ্ণাক দেখি চিঠিখন লিখিবলৈ মন নেযোৱাও হ'ব পাৰে। তেতিয়া হলে বিপদৰ পৰা ৰক্ষা পোৱাও টান হৈ পৰিব। সি লিখিলে:

বহুতদিন তোমাৰ পৰা চিঠি নোপোৱাৰ কাৰণে বাইদেৱাৰাও চিন্তাত আছে। বিযাৰ পাছৰে পৰা এদিনো আমাৰ ফালে ভুমুকি নমৰাত বৰ বেজাৰ পাইছোঁ। আজি কেইদিনমান বাইদেৱাৰাৰ অসুখ। ডাক্তৰে 'চেঞ্জ'ৰ দৰকাৰ বুলি কোৱাত আমি দুযো আজি শ্বিলঙলৈ ৰাওনা কৰিলোঁ। দহদিন মানৰ পাছতহে আহিম। গতিকে লৰালৰিকৈ চিঠিখন লিখি তোমালোকক জনালোঁ। অহামাহৰ পহিলা সপ্তাহতে তোমালোক আহি আমাক আতিথ্যৰ সুবিধা দিবং লগাবা বুলি আশা কৰিলো।

চিঠিখন লিখি লাহেকৈ কামিজৰ ওপৰ জেপত ভৰাই থ'লে। কাইলৈ পহিলা ডাকতে পঠাব লাগিব। সিহঁত চৌব্বিশ তাৰিখে অহাৰ কথা আছিল কাৰণে চিঠি তেইশ তাৰিখৰ আগতে পাবগৈযে লাগিব। সি আপোনমনে হাঁহিলে। এক কুটিল হাঁহি। কিন্তু হৰ্ষোজ্জ্বল। এই কাতি আঘোণমহীয়া শ্বিলঙত খুব জাৰ। কাম নেথাকিলে অন্ততঃ তালৈ ফুৰিবলৈ বুলি মানুহ নেযায়। কাতি আঘোণৰ এই হেমন্তৰ হিমে ধোৱা ভৈযাম শ্বিলঙতকৈ বহুত বেছি ভাল। বেছি জাৰ নাই। গৰম একেবাৰেই নাই। মুকলি সেউজ পথাৰত লখিমীৰ খেলা। পুৱা গধূলিৰ হেঙুলী আকাশে ৰঙা ৰ'দ আৰু বগা কুঁৱলিৰে ৰঙৰ খেলা কৰে। তথাপিও যে শ্বিলং স্বাস্থ্যকৰ ঠাই আৰু চিকিৎসাৰ সুব্যৱস্থা আছে বুলি বিখ্যাত। তটিনীহঁতৰ কথাটো বিশ্বাস হ'ব। ভাবিব, স্বৰ্ণাৰ কাৰণে তাৰ বৰ যত্ন। সিহঁতে তাইৰ সন্তান-সম্ভৱা সময়টোৰ কথাও জানে। সিহঁত সুখী হ'ব। সি স্বস্তিৰ নিশ্বাস ল'লে। স্বৰ্ণাকো কথাটো বুজাবলৈ বেছি কষ্ট নেলাগিব। সি লেমটো নুমাই বিচনাত পৰিলগৈ। লাহে লাহে চকুৰ পতা জাপ খালে। সি আজিহে হিযাৰে অনুভৱ কৰিলে যে আশাবাদী মন ভগৱন্তৰ অশেষ দান।

আপোন সুৰ

চাকৰিটো পাই নতুন ঠাই আৰু এক নতুন জীৱনৰ প্ৰতি যি মোহ জাগিছিল খুড়াদেৱে সেই মোহত চেঁচা পানী ঢালিছিল। অৱশ্যে তেওঁৰ কথা কেইজনে মানিছে কব নোৱাৰোঁ। বয়োজ্যেষ্ঠ হ'লেও তেওঁৰ কথা শুনিলে ডেকা মনত ভালেমান আহুকাল লাগি যাব। অদ্ভুত খেয়ালী মানুহ। তেওঁৰ নিঃসঙ্গ নিৰালম্ব জীৱনত একমাত্ৰ অৱলম্বন হ'ল কিতাপ। চাকৰিটোও বেছ ভাল। তেওঁৰ মোৰ প্ৰতি মৰম আছে বুলি জানিব পাৰি প্ৰায়ে মনত সন্তোষ দিবলৈ যত্নৰ ক্ৰটি নকৰোঁ।

মই চাকৰিলৈ ওলোৱাৰ দুদিনমান আগৰেপৰা তেওঁ এষাৰ কথা কৈ আছে। চাকৰৰ অভাৱৰ কথা। ধুবুৰীত হেনো জুইশলাৰ ফেক্টৰীটো থকাৰ কাৰণে বনুৱাৰ দৰে বাঢ়ি গৈছে। চাকৰ-নাকৰ পাবলৈ বৰ টান। যোৱাৰ আগদিনা এটা প্ৰকাণ্ড হটঙা মানুহ মোক গটাই দি কলে—ইয়ে হ'ল সুধনা। ই মোৰ অতি মৰমৰ, তই ইয়াকে লৈ যা, ই ওৰেজীৱন তোৰ লগতে থাকিব। আনকি তই বিয়া কৰোৱাৰ পাচতো। কিন্তু এটা কথা। ইয়াক ভালকৈ চলাবি, আৰু তাতকৈ প্ৰধান কথা হ'ল মোৰ অনুমতি নোলোৱাকৈ ইয়াক খেদিব নোৱাৰিবি।

মোৰ ভৃত্য সুধনাই কিন্তু তাৰ প্ৰভুক চিনাকি ক'ৰ দিয়াৰ পাচতো নৰস্কাৰ নকৰিলে। মুখলৈও নেচালে। মই আচৰিত মানিলোঁ। চাকৰটো গটাই ইমান কথা কব বুলি ভবাই নাছিলোঁ,—কাৰণ খুড়াদেৱে শব্দৰ খুব কম ব্যৱহাৰ কৰে। কিন্তু তেওঁ মোৰ বহুত অপকাৰ কৰিলে। সুধনা মোৰ কাৰণে বিভীষিকা হৈ উঠিছে। তাৰ স্বভাৱ, বয়স আৰু চেহেৰা—কোনোটোৱেই ভৃত্য হিচাপে খাপখোৱা বিধৰ নহয়। বয়স (মোৰ অনুমান) চল্লিশৰ ওচৰাওচৰি। এই বয়সত তাৰ দৰে ওখ-ডাঙৰ স্বাস্থ্যৱান দেখনিযাৰ মানুহ এটা এখন ঘৰৰ গুৰিযাল হিচাপে বা পিতৃ স্বৰূপেহে শুৱাই পৰে। তাৰ প্ৰতি মোৰ কিঞ্চিৎ মাযাও আছিল। কিন্তু তাৰ দোষ-তেই তাৰ প্ৰতি সেইকণ দৰদ এৰি পেলালোঁ, তাৰ স্বভাৱত অকণো মোহনীয গুণ নাই। সি এটা দানৱ। এদিনো সি মোক সমীহ হৈ এষাৰ কথা কৈছে বুলি মনত নপৰে। ভাল কথা কলেও গেঙেৰী দিছে যেনহে লাগে। আদেশলৈ কাণ নিদিয়ে। সদায তাৰ মুখত এক বিতৃষ্ণাৰ ভাব, তথাপি মোক সময়মতে ভাত মুঠি ৰান্ধি দিযে, ঘৰটো সাৰে বা বিছনাখন পাৰি দিযে কাৰণেই তাৰ দোষবোৰ বৰকৈ চকু নিদিওঁ, কাৰণ মোৰ এটা ধাৰণা আছে যে স্বৰূপতে ভাল মানুহবোৰ প্ৰথম দৃষ্টিত আপচু। কিন্তু মই ভাবি নেপাওঁ, কিয় খুড়াদেৱে তাক অতি মৰমৰ মানুহ বুলি কৈছিল। সি গোটেই জীৱন মোৰ লগতে থাকিব বুলি প্ৰতিশ্ৰুতিও দিছিল।

এদিন মোৰ এখন সংসাৰ হ'ব। তেতিয়া আৰু তাৰ দৰে বেসুৰা মানুহ এটাৰ স্থান নহব। তাৰ চৰিত্ৰ আপাততঃ কলুষিত। মেচ ফেক্টৰীলৈ গলে বাটতে যি শাৰী বেশ্যাৰ ঘৰ পোৱা যায়, তাতে সি ৰাতি মাত্লামি কৰি থকা অৱস্থাত পুলিচে কেবাদিনো পাই ধৰি আনি মোক গটাই দিছে। এদিন খবৰ পাইছোঁ যে সি তাতোকৈ বেছি কৰিছে। এখন দীঘল ছুৰী লৈ দুজনী বেশ্যাৰ ঘৰ ঘেৰাও কৰি ধৰিছিল। সিহঁতেও ভয়তে টেপা লাগি আছিল। দাৰোগা শান্তি শেখৰে কয় যে সি হেনো তাত ৰজাৰ দৰেই। তাৰ সদৃশ গুণ্ডা আৰু আগতে ধুবুৰীত নাছিল।

তাক মই কেবাবাৰো জেলত সুমুৱাই থোৱাৰ ভাবুকি দিছোঁ। নিজৰো প্ৰাণৰ ভয় আছে বুলি কাৰণ দেখুৱাইছো। কিন্তু সি 'বেফিকিৰ'। সি মোৰ কথাতে মুখ পাতি লৈ ভোৰভোৰাইছে—সিহঁতক খুইন্দে ধুনাধুন কৰি দিম বাচ্চা। বেটীহঁতক পিটন দিবা লাগে। ৰঘুবৰক গটেই দেউলীয়া কইৰ্লাক্। সেহঁ্তে আল্টি মদ খাই বেহুচ হওৱা যেন পালি মোনাৰ জেপৰ পেৰে টকা ঘুকুটি বাহিৰ কৰে। শাংখিনীহঁতৰ পাল্লাত পৰি ঠানুৰ গৰ্মী হৈছে।

সঁচাকৈয়ে সি মোৰ বহুত অপকাৰ কৰিছে। মোৰ বদনাম হৈছে। সি সঘনে বেশ্যাৰ ঘৰলৈ যোৱা সত্বেও, সকলোৱে এই কথাটো জনাসত্বেও মই তাক খেদি দিব পৰা নাই। এতিয়া মই তাৰ হাতেদি ভাত মুঠি খাবলৈকো

সংকোচ কৰোঁ। বিছনাখনো নিজেই পাৰি লওঁ।

তেওঁৰ অতি মৰমৰ সুধনাক লৈ যাওকহি, নহলে তাক মই তুই এদিনৰ ভিতৰতে খেদি দিম নতুবা জেলত ভৰাম বুলি খুড়াদেউলৈ সকলো বিবৰি এখন চিঠি লিখিলোঁ। তেওঁ কিন্তু নীলকণ্ঠ। মোৰ বিপদ অকণো গণ্য নকৰি লিখি পঠিয়ালে যে মই যদি সুধনাক খেদো তেওঁৰ লগত মোৰ সকলো সম্পৰ্ক ছেদ বুলি ধৰিব লাগিব। আৰু লিখিলে ঃ

তই জীৱনত বহুত মানুহ বোৱাবলৈ পাবি, কিন্তু সুধনাৰ দৰে এটাক নেপাবি। তাক খেদিলে তোক পাপে চুব। তাৰ তোলৈ বৰ মৰম। ঠিক মোৰ দৰেই। সি তোৰ সৰু অৱস্থাতে আমাৰ ঘৰত আছিল। সিয়ে তোক তুলি তালি ডাঙৰ কৰা বুলি কব পাৰি। বাৰু, তাক তই কবি যে বেয়া তিৰোতা থকা ঠাইলৈ যাবলৈ তাক মই মানা কৰিছোঁ।

মই বৰ সমস্যাত পৰি গলোঁ। সুধনাই জানো মোক মৰম কৰে? নহয়, সি মোক পুতৌহে কৰে। এতিয়া ঘৰখনত যেন সি মুৰব্বী আৰু মই যেন কোনোবা নিমাখিত নতুন বোৱাৰী। খুড়াৰ আদেশ লংঘন নকৰি মই হলাহল পান কৰিব নোৱাৰোঁ। তাৰ কাৰণেই মোৰো কোনদিনা যৌন-ব্যাধি হয় ঠিক নাই। কিন্তু এটা কথাত অলপ সকাহ পালোঁ যে বেশ্যাৰ ঘৰলৈ যোৱাতো মানা কৰিছে বুলি কোৱাত সি সেইফালে মূ কৰা নাই বুলি বিশ্বস্তসূত্ৰে জানিব

পাৰিছোঁ। তাৰ তেজ পৰীক্ষা কৰোৱা হ'ল। মই উশাহ পালোঁ। এতিয়ালৈকে তুষ্টামিৰ কীটে তাৰ তেজ ঘুণীয়া কৰিব পৰা নাই। তথাপি সি মোক আৰু বেছি বিপদত পেলাই আছে। ৰাতি দেখা যায় যে তাৰ শোৱা ঘৰটোৰ তলা ওলমি থাকে। সি ষ্টেশ্যনৰ কাষৰ তেলিয়াপাৰ্টিত জুৱা খেলে। পাচদিনা টোপনিৰ জালত চাহত নিমখ দিযে আৰু আঞ্জাত চেনি দিযে। মাছ আধা সিজা হয়, তদুপৰি তাৰ কাৰণে ওচৰচুবুৰীয়াৰ লগত মোৰ সম্বন্ধ বৰ বেয়া হৈ পৰিছে। সি সামান্য কথাতো যি কোনো মানুহক অপমান কৰিবলৈ অকণো কেৰে্প নকৰে। নন্দ কেৰেণীৰ ঘৈণীযেক মিনিযে আলিৰ কাষৰ পানীৰ পাইপ্‌টোৰপৰা এবাল্‌টি পানী আনি দিবলৈ কোৱাত সি তেনেই গৰ্জি উঠিল। আন কিছুমান কথা কৈহে তাইক থকাসৰকা কৰি পেলালে। সি কলে—ন'ৰু পানী আইন্‌বা। যদি নবাবৰ বেটী এমানেই ফযদা মাযেণেৰ ঘৰোৰ পেৰে চাকৰ নানে কিয়া? হাও, বিযাৰ আগতেচন শুইন্‌ছিলোঁ সেই মাটিৰ হাকিমটোক লেগি যাব। সি হেম্পাও পছন নকইৰ্‌লাক্‌। ইণ্ডে কেৰাণীৰ ঘ'ৰোত সুজা নাই?

মোৰ শুনি বেযা লাগি গৈছিল। মানুহজনী লাজতে ভিতৰ সোমাইছিল। মই তাক বহুত কিবাকিবি কৈছিলোঁ। সি এনে উদাস হৈ শুনিছিল যে মই অপ্ৰস্তুত হৈ পৰিছিলোঁ। তাৰ গাত মানুহৰ লক্ষণ নাই। সি কিজানি

বুৰঞ্জীযে ঢুকি নোপোৱা হাবিতলীযা যুগতহে নিজকে খাপ খুৱাব পাৰিলেহেঁতেন। তাৰ মুখত হোৱাই নোহোৱাই এষাৰ কথাই।—চব খুইন্দে ধুনাধুন কৰি দিম বাচ্চা। আলিৰ পাইপৰ পৰা পানী আনিবলৈ গলেও গণ্ডগোল। তাত মানুহৰ ভীৰ হয। শাৰী পাতে, সি কিন্তু একো নেমানে। হেঁচি থেলি পানী লৈ আহে। কোনোবাই এষাৰ মাতিলে মাৰপিট কৰে। এমূৰে টিন দুটা বান্ধি বাঁওবাডলি বেঁকা কৰি পানী আনিবলৈ যোৱা দেখিলেই তাক ৰণ কৰিবলৈ যোৱা দৈত্য যেন লাগে। প্ৰায পঞ্চাশ হেজাৰ লোকৰ বসতিৰ চহৰখনত কোনোবা এটা মানুহৰ লগত তাৰ সদ্ভাৱ আছে বুলি মোৰ চকুত নপৰিল। পোনতে ওচৰৰ পাণৰ দোকানী লম্বেশ্বৰৰ লগত তাৰ অলপ সদ্ভাৱ দেখিছিলোঁ। কিন্তু এতিযা লম্বেশ্বৰৰ পাণৰ দোকান উঠি গ'ল। বাকী দি সি দেৱলীযা হ'ল। সুধনাই এতিযাও সময বুজি ফকিৰাগ্ৰাম গোলোকগঞ্জ গৌৰীপুৰলৈ যোৱাক লৈ সি তাৰে কৰবাত থাকে বুলি বিশ্বাস। চাবলৈ গলে সুধনা আৰু লম্বেশ্বৰৰ মাজত প্ৰবৃত্তিৰ বহুত অমিল। লম্বেশ্বৰ মানুহটো মৰম আকলুৱা। সি ছোৱালীৰ আগত পেঁচ দি কথা কবলৈ ভাল পায। কোনো কোনো ধুনীযা সন্ধিযা তাৰ দোকানৰ সমুখত ধুনীযা নাৰ্চ কেইজনীমান হাঁহি হাঁহি ফুলদানিৰ দৰে থিয় দি তাৰ লগত ৰগৰ কৰা মোৰ চকুত পৰিছিল। সিহঁতে তাৰ দোকানৰ পৰা স্নো, পাউদাৰ, টাৰ্চেল,

আয়না, ফণি আদি নিযেছি। বোধকৰোঁ বাকীকৈ। নহলে সি দেৱলীয়া নহয়। তাৰে এজনীৰ কথা মই জানো। তাই হল ধনত মৰা বিনীতা গুহ। তাই সম্প্ৰতি নতুন ডাক্তৰক ফান্দত পেলাইছে। লম্বেশ্বৰৰ কিন্তু তাইত নিচা লাগিছিল। সুৰাপান কৰিবলৈ নেপালে, হোলোকে হোলোকে পানীহে খালে।

আজি দহদিনমানৰ আগতে মোৰ গোলোকগঞ্জলৈ যাব লগা হৈছিল। সুধনাকো লৈ গৈছিলোঁ। তাতে লম্বেশ্বৰৰ লগত দেখা। সি বৰ খীণাই গৈছে। অতি লেতেৰা সৰু চাহৰ দোকান এখনত মুজুৰা মাৰি বহি আছে। গাত গৰম কাপোৰ এখন বা চোলা এটা নাই। সি জাৰত কঁপিছে। লগত সৰু টিনৰ চুট্‌কেচ এটা আৰু ভাল গাৰু এটাৰ সমান বিছনা এখন, সুধনাই তাক দেখি সাবট মাৰি ধৰিছিল। ছোৱালীটাৰ চকুপানী নিজৰিছিল। মযো কাতৰ হৈছিলোঁ। লম্বেশ্বৰে কিজানি তাত ভিক্ষা মগাহেঁতেন ভাল আছিল, গান গাই গাই। তাৰ মুখত এইষাৰি গীতেই বেছি শোভন হ'লহেতেঁন—

সুখেৰে লাগিযা এঘৰ বাঁধিনু
অনলে পুৰিযা গেল

কিন্তু এটা পুৰণি বন্ধুক দেখি চকুলো টুকিব পৰা মানুহটো সেইদিনাই কালান্তক হৈ পৰিল। মাজনিশা সাৰ পাই শুনিবলৈ পালোঁ মোৰ ঘৰৰ পৰা এশ গজমান আত-

ৰৰ চিভিল হস্পিতালত হুৰাহুৰা লাগিছে। কাষত মানুহে জুম পাতিছে। মই ওলাই গলোঁ আৰু দেখিলোঁ যে সুধ-নাই লাঠি এডাল জোকাৰি নাৰ্ছৰ কোৱাৰ্টাৰ বেৰি লৈছে। বিনীতা গুহ, চেম্পা গোস্বামী আৰু জুলীযা লিংডক পাৰে-মাণে গালি পাৰিছে। বেৰত টঙনিযাইছে। কাৰো তাৰ ওচৰ চাপিবৰ সাহ হোৱা নাই। মই গৈ শুনিলোঁগৈ। সি বৰবৰকৈ চিঞৰিছে—অ'লেই আহ নট্‌নীহঁত! এই শাংখিনী সাতঘাটৰ চেংকেইগিলাক আৰ্ এইৰৱাৰ নাই। সি কিটা টকা দিযে বেটীহঁত সাজন—কাচনেদি গ'টেই অপে-শ্বৰী হ'বা খুজ্‌ছি।… ·

উপায নাই। মই তাৰ ওচৰ নৌ পাওঁতেই পুলিচে তাক গ্ৰেপ্তাৰ কৰি লৈ গল। মই সুৰুকা মাৰি গুচি আহিলোঁ। সি তিনিদিন হাজতত থকাৰ পাচত গুচি আহিল। তাৰ নামত এতিযাও গোচৰটো চলিযেই আছে। তাৰপৰা মোৰ আৰু বিপদ বাঢ়িছেহে। সি কোনদিনা কাক হত্যা কৰে ঠিক নাই। মযো কিজানি ফান্দত পৰিব লাগিব। আচামী এটা মোৰ ঘৰত ভাত ৰান্ধনি ৰখাৰ কাৰণে মোৰ কিমান বেযা বুজিবলৈ বাকী ৰোৱা নাই। তাৰ কাৰণেই বহুতৰে মোৰ ওপৰত কোপ। খুড়াদেউলৈ জৰুৰী চিঠি লিখিলো: তাক লৈ যাওকহি, নহলে তাক খেদি দিম। তেওঁৰ চিঠি আহিল। সেই একেই উত্তৰ। মোৰ ওপৰত তেওঁৰ অনাস্থা। মানুহ চম্ভালিব নোৱাৰোঁ বুলি অভিযোগ কৰিছে। তেওঁৰ

মোৰ লগত সকলো সম্পৰ্ক ছেদ হৈ যাব পাৰে বুলি মই বুজিব নোৱাৰা কিছুমান কাৰণ দেখুৱাইছে।

মোৰ গোটেইখন চিঠি পঢ়াৰ ধৈৰ্য্য নাছিল। ফালি পেলাইছিলোঁ চিঠিখন। আচৰিত মানুহ এই খুড়াদেউটো। তেওঁ সংসাৰখন কি দৃষ্টিৰে চাইছে তাকে তৰ্কশাস্ত্ৰৰ পদ্ধতিৰে পৰিপাটীকৈ লিখি নিদিলে বুজা বৰ টান। সংসাৰৰ সকলোকে উৰুৱাই দিবলৈ চায়। মুখত সদায় এক তাচ্ছিল্যৰ ভাৱ।

উপায় নাই। সুধনাৰ পৰা এৰাই থাকিবলৈকে দিনটো আঁতৰতে কটাবলৈ ভাল পাওঁ। মোৰ সহপাঠী এজন ইয়ালৈকে হাকিম হৈ আহিছে। তেওঁৰ লগতো সময়বোৰ বেছ কাটে। কেতিয়াবা গধূলি কথা পাতি পাতি দেৰি হলে তেওঁৰ তাতে ভাতো খাওঁ। তেওঁ বৰ সুখ পায়। কিন্তু মইহে তেওঁক এসাজ খুৱাব পৰা নাই। তাৰ প্ৰথম কাৰণ হল সুধনা। তথাপি সিদিনা মঙ্গলবাৰে বঙ্গাইগাৱঁৰ পৰা তিনিটা কুকুৰা অনালোঁ। দুটা পোৱালী আৰু এজনী মাইকী কুকুৰা। কুকুৰাখিনিৰ কাৰণে সুধনাই এটা গঁৰাল সাজিলে। মাজে মাজে খুদকণ চটিয়াই থাকে। গঁৰালটো তাৰ শোৱাৰ ওচৰতে ৰাখে। পাছফালৰ সৰু বাকৰিখনত চাউল চটিয়াই কুকুৰা মেলি দিয়ে। অৱশ্যে তিনি দিনতে পোৱালী দুটা খোৱা পৰিল। এতিয়া চৰাইজনীহে আছে। মোৰ বন্ধুক দেওৱাৰৰ কাৰণে ভাত খাবলৈ নিমন্ত্ৰণ কৰিলোঁ। পুৱাই

সুধনাক কি কি ৰান্ধিব লাগিব দিহা দিলোঁ। সিও মূৰ দুপিয়াই শুনি গ'ল। তাক কলোঁ যে কুকুৰাজনীৰ মঙহেৰে পোলাও কৰিব লাগিব আৰু জোল এখনো বনাব লাগিব। কিন্তু দহমান বজাত দেখিলোঁ যে সি কিবা এটা চাৰিও-ফালে বিচাৰি ফুৰিছে। তাক সুধিলোঁ—হেৰ, কি হ'ল ?

সি উবুৰি খাই থকা টিং এটা দাঙি উত্তৰ দিলে—তাই যি গ'ল গ'লেই। বিচাৰি উলইবা নুৰি।

অৰ্থাৎ কুকুৰাজনী হেৰাইছে বা কোনোবাই চুৰ কৰি লৈ গৈছে। কেৱল তাৰ অসাৱধানতাৰ কাৰণেই। তাক মই বাৰে বাৰে কৈছিলোঁ যে গঁৰাল খুলি থোৱা বেয়া। এই লোদোৰ পোদোৰ চৰাইজনী কেৱল আলহীৰ কাৰণে অনোৱা হৈছিল। এতিয়া তাই ঠিক সময়মতেই হেৰাইছে। সুধনাৰ কাৰণে কোনো কাম শান্তিৰে হৈ যাব নোৱাৰে। তাক মই পাৰেমানে বকিছোঁ। সি গালি খাই নীলকণ্ঠ। কুকুৰা-জনী সি এতিয়া আশাৰে বিচাৰিছে। তাৰ মূৰ্খামিৰ সীমা নাই।

খণ্ডত মই বিছনাত শুই পৰিলোঁ। তাক আৰু মই একো নকওঁ। খুড়াদেউৰ কথা ৰাখিযেই দুইটাই হোটেলত খোৱা কৰিম। বাতৰি কাকতখন লিৰিকি বিদাৰি থাকোঁতে প্ৰায় এঘাৰই বাজিল। বাৰ বজাত মোৰ বন্ধু ওলাবহি। এনেতে দেখোঁ সুধনা মোৰ কোঠাত অস্থিৰ হৈ সোমাইছেহি। আৰু লগে লগে শুনিছোঁ বাহিৰত কুকুৰাজনীৰ মাত।

সুধনা বৰ উত্তেজিত যদিও মনটো ফৰকাল যেন লাগিল। সি বৰ হুৱাহুৱা লগাই কলে—বাপা, চৰেইজনী আহিল। মোক কাট্লিও মাৰ্লিও তাইক মাইৰ্বা ন'ক। লাগ্লে মোৰ দৰমহাৰ পেৰেই দামটো কাটি ৰাইখ্ব। তাই মোৰ লগতে থাইক্ব। তাইক মই পুহিম। আৰ্ তাইক পুই-হ বাই লাইগ্ব।

—তই এইখন কি বলকিছ? এনেয়ে তোৰ বাবে কুৰি লেঠা, তই কোন সময়ত কুকুৰা পুহিবি?

সি বৰ আস্তব্যস্ত হৈ কলে—বাপা, অমাত জন্তুক খুৱলি বুৱলি সি আপোনাৰ পাচে পাচে ফুইৰ্ব। কিন্তু অইগাণী মানুহক উপকাৰ কইৰ্লি উল্টে আপোনাৰ বুকতহে শেল মাইৰ্ব।

—তোৰ যদি মন আছে, পাছে পৰে কিনি দিম। আল-হীক আজি কি খুৱাবি?

এইবাৰ সি মুখখন তেনেই ওলোমাই পেলালে। মোৰ ভৰি এখন সাবটি ধৰি বৰ কাতৰ হৈ কলে—বাপা, আৰ নক্ব। তাইক পুইহ্বাই লাইগ্ব। জানেই নহয় এই চাইৰ্দিন এতে খুদ চাউলগিটা খাই তাই মোৰ ঘৰটোকে নিজোৰ ঘৰ বুলি ভাইব্ছিল। তাইক আজি মাইৰ্বাৰ কথা। তবো তাই ঘূৰি আইহ্ছি ঘোৰ বুলি। এই ঘোৰ ধৰা জীউটোক কোনটো মনদি মাৰোঁ? মই ইমান কষ্ট

ভুগ্‌লো, ইমান সাদৰ কৰ্‌লো, তথাপি তাই বেটী মাইচানাক ঘৰ লগ্‌বা নইব্‌লু। চালি, ফেটী গোমৰ জীয়াক। · ·· মই তাৰ প্ৰস্তাৱত মান্তি হলোঁ। অতিথিক মাছ আৰু আন বস্তুৰেই সুধিলো। মোৰ মন কুমলি গ'ল। সুধনাই কি কুৰা জুই বুকুত লৈ চাগৈ বাছি আছে। সাদৰ কৰি বুকুৰ আপোন কৰিব খোজা কোনোবা মাইচানাই তাক বিশ্বাস-ঘাটকতা কৰাত সি প্ৰতিশোধৰ অগনি নুমাব নোৱাৰি এতিয়া পোটক তুলিবলৈ বিচাৰিছে বেশ্যা কেইজনীক, লম্বেশ্বৰক দেৱলীয়া কৰা নাৰ্ছ বিনীতা গুহক। অমানুহ বুলি ভবা মানুহটোৰ বুকুত যে ইমানখিনি কোমলতা আৰু মৰম লুকাই থাকিব পাৰে, কল্পনাও কৰিব নোৱাৰি। তাৰ দয়াই আজি এজনী কুকুৰা চৰাইকো আবৰি ৰাখিছে। সি আপোন অৰ্থত মহৎ।

সুধনাৰ কথা সকলো বিবৰি খুড়াদেউলৈ সুধনাৰে প্ৰশংসা কৰি অতি শীঘ্ৰে এখন চিঠি লিখিলোঁ। আজি তাৰ উত্তৰ পাইছোঁ। চিঠিখন অতি কোমল। ফুলৰ পাহিৰ দৰেই কোমল। কিন্তু মৰহি যাব খোজা ফুলৰ সুৰভিৰে বেদনামৰ্মৰ। শেষৰ ফালে নিজৰ ভতিজালৈ লিখিব নলগা কথা অলপ মানো লিখিলে—

····"সি সুধনা আৰু মই তোৰ নিসঙ্গ খুড়ায়েৰ, একেই পানীৰ মাছ বুলি ধৰি ল। সকলো তিৰোতাৰ দৰেই তাৰ মাইচানা শাখিনী, অবিশ্বাসী। সিহঁতে বাঁহ নেসাজে। বাঁহ

ভাঙে। তই এতিয়া অলপ ভু ললে জানিব পাৰিবি তোৰ এই খুড়াযেৰৰ মনলৈকো এদিন ফাগুন আহিছিল। সি উতলা হৈছিল। কিন্তু তাৰ টোকোৰাবাঁহত জুই জ্বলালে আন এজনী কোনোবা মাইচানাই। গতিকে তোৰ খুড়াযেৰক বা সুধনাক পুতৌ কৰাটো তোৰ ডাঙৰ জীৱন বোধ। তোৰ তেনেহলে অলপ জ্ঞান হৈছে। কিন্তু এটা কথা মনত ৰাখিবি, সাপক বিশ্বাস কৰিবি, কিন্তু তিৰোতাক বিশ্বাস নকৰিবি। সিহঁতৰ প্ৰতি সুধনা বা মোৰ মত বদলি হব নোৱাৰে।”

চিঠিখন পঢ়ি মই চকুলো টুকিলোঁ। এটুপি চকুলো সুধনাৰ কাৰণে, এটুপি উপাৰ্জনক্ষম প্ৰথিতযশা মোৰ খুড়াদেউৰ কাৰণে। তথাপি মই মোৰ নিজৰ কথা ভাবি বিচলিত নহলোঁ। মোৰ ওপৰত তেওঁলোকৰ কোনো প্ৰভাৱ নাই। মোক এখনি সম্পূৰ্ণ ঘৰ লাগে। তাকো নাৰীৰ মন আৰু মৰমৰ মাধুৰে। পৃথিৱীত খুড়াদেউ আৰু সুধনাহঁতৰ এটা দল আছে আৰু সেই দল ভৱিষ্যতেও থাকিব। যদি এটা মানুহে বিশ্বাসঘাটকতা কৰে তেওঁলোকে কব—‘মানুহটো’ বিশ্বাসঘাটক। যদি এজনী তিৰোতাই বিশ্বাসঘাটকতা কৰে তেওঁলোকে অভিমত দিব—এই তিৰোতা ‘জাতিটোৱেই’ বিশ্বাসঘাটক।

———

মৃগ তৃষ্ণা

মহীৰামৰ বিছনাৰ কাষত বৰ দুখেৰে বহি আছোঁ তাক হস্পিটেললৈ নিওৱাকে থিক কৰিলোঁ। ইমান দিনে তাক দৰবে মোৰ নুবুলিলে। শেষত 'এক্সৰে' কৰোৱা হ'ল। পোনতে ফটোখন দেখিযেই মোৰ গা শিঞৰি উঠিল। যক্ষ্মাৰ শেষ অৱস্থা। লুভীয়া পোকে তাৰ বুকু চুপি চুপি খাইছে। কিন্তু বেচেৰা মহীৰামে নেজানে যে সি মৰিব। এই বয়-সতো মানুহটোৰ জীযাই থকাৰ হেঁপাহ দেখি পুতৌ উপজিল। ভগৱানে কেতিযাবা আমাক পুতলাৰ দৰে নচুৱাই চায়।

ওচৰৰ মানুহ কেইঘৰক, আনকি নিজৰ তিৰোতা ৰং-পুইকো, সাবধান কৰি দিছোঁ। সিহঁতে যেন ৰোগীক সাবধানে চৰা-গজা কৰে। যক্ষ্মা নামটো শুনিযেই কাষৰীযা মানুহ উচপ্ খাই উঠিছে। যক্ষ্মা বেমাৰ ৰাজ বেমাৰ। কিবা পাপৰ দোষত এসমযত চন্দ্ৰ দেৱতাৰহে এনে বেমাৰ হৈছিল। সকলোৱে বু-বু-বা-বা কৰিলে। তাক হেনো কম পাপত পোকে বুকু কুটি তেজ বাহিৰ কৰা নাই। মই কিন্তু মহী-ৰামক জীয়াব পৰাহেঁতেন নিজকে ধন্য মানিলোহেঁতেন। সি আজি মিশ্যন হস্পিটেললৈ যাব। চিট্টো মযে যোগাৰ কৰি দিছোঁ। গৰু-গাড়ীখনৰ দিহা কৰি দিছে পাচু মৌজা-

দাৰে নিজে। মৌজাদাৰে দুৰ্ভগীয়া মহীৰামক কোনো দিনাই সহায় নকৰাকৈ থকা নাছিল। তাৰ ঘৈণীয়েকেও তেওঁৰ ঘৰতে ধান বানে। মই ভাবিছোঁ, তাক মই হস্পিটেলত, নিতৌ খবৰ কৰিম। যদি ভাল হোৱা যেন দেখোঁ বেমাৰৰ পাছৰ দামী ফলমূল আদিৰ ফৰ্দখন মযে লৈ খন ভাঙিম। খৰচী শিক্ষাৰে ডাক্তৰী জ্ঞান লৈ কোনোবাই এটা নিমাখিত ৰোগীৰ কাৰণে কান্দিছেনে নাই ক'ব নোৱাৰোঁ। মই কিন্তু কান্দিব লাগিব। কাৰণ এটি ৰোগীৰ আত্মাৰ লগত মোৰ মিলি যাবলৈ ভাগ্য হৈছিল। কিজানি তাৰ আয়ুসত চাউল নাই। মই কান্দিব লাগিব। তাৰ, মৰণৰ কাৰণে নহয়। তাৰ মৰণৰ দাৰুণ অৱশেষৰ কাৰণে।

তাক পোনতে জনাৰ সময়ত তাৰ বিষয়ে অনেক কথাই শুনিছিলো, কথাবোৰ মোৰ মনত দ'কৈ বহিছিল। জীৱনৰ পহিলা ভাগত তাৰ ভাৰস্তৰ একো বস্তুৰ প্ৰতি আসক্তি নাছিল। কিন্তু পাছলৈ সেইবোৰেহে তাক থকাসৰকা কৰিছিল। ইযো একৰকম মনৰ বাতিক বুলিয়েই ক'ব পাৰি। গাৱঁৰ মানুহে কয়, মহীৰাম এটা 'ছুতৈখনীয়া'। তাৰ জুই লগা হাত। শিলো চুলে ছাঁই হয়। সি এটা অমঙ্গলীয়া। সেইবোৰ কথা তাৰ নিজতে ফলিয়াইছে। ভৰ জোৱান বয়সতে এজনী চপাইছিল। তাৰ পোৰাকপালৰ ফেৰত তাই ল'ৰা এটি জন্ম দিয়েই মৰিল। সি ল'ৰাটিৰ মৰমতে প্ৰায় একুৰি ছুবছৰ বৰলা ভাত খালে। ল'ৰা সোণাৰাম ডেকা

হ'ল। সি তালৈ এজনী লহ-পহ কৰে ধুনীয়া ছোৱালী বিয়া কৰাই দিযালে। কিন্তু কি হ'ব? সকলোৱেই কয়, মহীৰামৰ পোৰা কপাল, জুই লগা হাত। বিয়া পতা চাৰি মাহ মানহে হৈছে মাথো, এনেতে এটা অঘটন হ'ল। খৰি কাঁটিবলৈ যাওঁতে এদিন সোণাৰামৰ বৰগছৰ ওপৰৰ পৰা পৰি বঁকাল ভাগিল। আজি প্ৰায় এবছৰতকৈও বেছি দিন সোণাৰাম ডিবুৰুৰ হস্পিটেলত পৰি আছে বুলি মানুহে কয়। মহীৰামেও কয়। কিন্তু মইহে মাথোঁ খবৰটো পাওঁ যে সি মৰা প্ৰায় পাঁচমাহ মানেই হ'ল। কথাটো কাকো জানিবলৈ দিযা নাই। কটা ঘাত আৰু টেঙা দি বং চাব নোৱাৰি।

পুতেক সোণাৰামক ডিবুৰুলৈ নিযাৰ সময়ত বোৱাৰীযেক চন্দ্ৰাই ইনাই-বিনাই কান্দিছিল। তাৰ লগতে যাবলৈ বিযাকুল হৈছিল। তাইক বৰ কষ্ট কৰিহে ঘৰত ৰাখিব পৰা গৈছিল। এমাহ ৰ'ল। দুমাহ ৰ'ল। সোণাৰামৰ আৰু ভালৰ খবৰ এটা নেপালে। বোৱাৰীযেক তেনেই কেঁচা গাভৰু। তাইৰ এনে বিধি দেখি সি ভালেমান নিশা উজাগৰে চকু-পানীৰে গাৰু তিয়ালে। দং দং কৰে এজনী গাভৰু তিৰোতা। তাৰ কাষৰ কোঠাতে মৰা কাঠ যেন হৈ পৰি থাকে, অতি দুখুনী বাঁৰী তিৰোতাৰ দৰেই। তাইৰ কেঁচা তেজৰ ঢৌৱে কাৰো দেহৰ সঁহাৰি নেপায। হযতো হতাশ আৰু ঘন অন্ধকাৰে জীয়াই থাকে মানে তাইৰ মনটো কোঁচ খুৱাই ৰাখিব।

সি কোনো পধ্যে সহি থাকিব নোৱাৰে। একুৰি ছুবছৰ বৰলা ভাত খাই চৰিত্ৰত অকণো চেকা নলগাকৈ ৰাখিব পৰা মহীৰামে গম পালে যে এজনী গাভৰু তিৰোতা, লাগে সতী সাধ্বী দময়ন্তী হওঁক, এনেকৈ থকা নিৰাপদ নহয়। তেজৰ গোন্ধ পাই পিযাপি দি ফুৰা বাঘৰ নাটনি নাই। হৰিণৰ মঙহেই বৈৰী। সি আনৰ হতুৱাই তাইক কোৱাই আৰু বিযৈযেকৰ ঘৰত কোৱা-মেলা কৰি তাইক নিজ ঘৰলৈ পঠাই দিলে। তেতিযাৰেপৰা চন্দ্ৰা তাতে আছে যদিও মাজে মাজে মহীৰামৰ ওচৰ ওলায়হি। কান্দি কাটি গিৰিয়েকৰ কথা সোধেহি। সিও উপায় নেপাই বাৰে কুৰি বুজনি দি পঠাই দিযে। এখন ভাল কাপোৰ গাত লবলৈ, তেলকুৰ ঘঁহি হৰিষ মনেৰে থাকিবলৈ চাৰি টকা পাঁচ টকা দি পঠিয়ায়। চন্দ্ৰাই যি দুখ পাইছে সি তাতোকৈ বেছি দুখ পায়। সি জানে যে সোণাৰাম যদিও ঘূৰি আহে সি আৰু আগৰ সোণাৰাম হৈ ঘৰ নোসোমায়হি। বিকলাঙ্গ জঠৰ মানুহ এটা মৰা বা জী থকা একেই কথা। বৰঞ্চ মৰাহে ভাল। একে কোবেই সকলো দুখৰ ওৰ পৰে। সি কেতিয়াবা চন্দ্ৰাক আকৌ বিযা কৰাবলৈ কয়। তাই কিন্তু বেছিকৈহে কন্দা-কটা কৰে। তাই ভাবে, জানোচা সোণাৰাম মৰিলেই, তাইকহে কথাটো লুকাই থৈছে।

তাহানি একুট বঙালী পদ শুনিছিলো। কীৰ্ত্তনৰ পদ। আজি মৰণৰ শেতেলীত পৰি থকা, মুকলি পৃথিবীত অকলে

দুখৰ ভাগ লোৱা, মহীৰামক দেখি হঠাতে মনত পৰিছে—

"সুখেৰ লাগিযা এঘৰ বাঁধিনু
অনলে পুৰিয়া গেল"

যি নিদাৰুণ তাপত এই পদ ৰচনা হৈছিল, সেই পদৰ চৰম করুণ ৰাগিনী যেন মহীৰামৰ শুকান ওঁঠ দুখনৰ মাজৰ পৰা নিগৰি ওলাইছে!

মহীৰামৰ বিষয় আটাইতকৈ ডাঙৰ কথাটোৱেই কোৱা হোৱা নাই। এনে অৱস্থাতে সি নিজেই বিযা পাতি লবলৈ ইচ্ছা কৰিলে। সেইটো কোনো যুক্তিৰে বিচাৰি পোৱা ইচ্ছা নহয়। যেন ভূতে পোৱা মানুহৰ ইচ্ছা। মনৰ ভূত। ভূততকৈও বেছি প্ৰকাণ্ড, বেছি কদাকাৰ। বোধকৰোঁ এক ক্লীব আসক্তিয়ে বংশ পৰম্পৰাত শূন্যতা দেখি মনত প্ৰচণ্ড ক্ৰিযা কৰিছিল। এৰা, যুৰীয়া হাতীকো লেজুৰে বলাব পাৰি। মনকহে বলাবলৈ টান। মনৰ গতি গৰুড পখীতকৈও খৰতৰ। খন্তেকতে সকলো তলওপৰ লগাব পাৰে। একো সঞ্জাত নাই। অতি আচৰিত কথা যে সি ছোৱালীও বিচাৰি পালে। আঠৈকুৰি চাৰি বছৰ বযসত ৰং পুইৰ দৰে গাভৰু এজনী কিয় কোনোবাই দিবলৈ গাত ল'লে আৰু তাইনো কিয় বিয়া সোমাবলৈ ৰাজি হ'ল, এই বিষয়ে কোনেও একো ক'ব নোৱাৰে। কথাটো আনৰ মুখত শুনাহেঁতেন মযে অবিশ্বাস কৰিলোহেঁতেন। কিন্তু দেখ দেখ কৰে সঁচা ঘটনা। তাই ৰংপুই সাইলাখ চন্দ্ৰাৰ দৰেই। বৰণটো

চন্দ্ৰাতকৈ বেছি ৰঙচুৱা। দেহাটো বেছি মোহ লগা। একেই বয়স, একে দৰেই সাদৰী। আজি গিৰিয়েকৰ এই প্ৰায় মৰিবলগীয়া অৱস্থাতো তাইৰ গৰ্ভত এটি ছমহীয়া কেচুৱা, ভগৱানে এনেকৈ ৰং চাব নেলাগিছিল।

দুই একে 'বৃদ্ধস্য তৰুণী ভাৰ্য্যা'ৰ অনেক জগলীয়া কথাই আশা কৰিছিল। ধন্য আই ৰংপুই। তাই সকলোকে চমক লগালে। তল খুচুৰীয়াৰ পৰা অতি চিধা মানুহলৈকে, চেঙেলীয়া ল'ৰাৰ পৰা ধাৰ্ম্মিক বুঢ়ালৈকে কোনেও তাইৰ চৰিত্ৰত অকণো হ'বক তৰক ধৰিব নোৱাৰিলে। মুখচুকী তিৰোতাৰ মেলামুখ জাপ খালে। শুনাত ৰংপুই পতিব্ৰতাই আছিল। আজি পৰ্য্যন্ত তাই সত গৃহিনী হৈ বেমাৰী গিৰিয়েকৰ আল-পৈচান ধৰি আছে। কোনো লেহুকা মনৰ ডেকাই তাইক পোনাই চকুলৈ চাবলৈ সাহ পোৱা নাই। তাইৰ মন চতৰ-বতৰ কৰিব পৰা নাই। মৌজাদাৰৰ ঘৰৰ দুবেলা ধান বানি এই দুখৰ দিনত কোনো মতে ভাত মোকলাই আছে।

কিন্তু কন্দৰ নোহোৱা হ'লে মই ইমান দিনে ৰংপুইক ভুল বুজি থাকিলোহেঁতেন। অৱশ্যে কন্দৰৰ লোকক চোৰ দেখা স্বভাৱটো বেছি। কন্দৰ হ'ল মৌজাদাৰৰ লগুৱা। সি কম ফুটৰ মানুহ নহয়। বয়স দুকুৰিয়েই হ'ল। এতিয়াও তাৰ পৰৰ কথাৰ তলানলা লৈ ফুৰা স্বভাৱটো নগ'ল। সি মোৰ সৰুৰে পৰা চিনাকী। সেয়েহে সি নকবলগীয়া কথাটো ক'বলৈকো সংকোচ নকৰে। পোনতে হেনো মৌজা-

দাৰৰ মাজুটো পুতেকে তাইৰ লগত ৰংৰহইচ কৰিবলৈ চেলু বিচাৰিছিল। তাই আসৈ নিদিলে। কিন্তু কি হ'ব ? বোলে কথা ক'ত ? ভেকুৰী তলত। কন্দৰে কয—'পেৰেম পীৰিতি' বৰ কেলেঙ্কাৰী বস্তু, সৰুমণি। তই কি বুজিবি ? যিমানেই একৰায়, সিমানেই মেৰ খাই ধৰে। মৌজাদাৰৰ পুতেকক গেঙেৰী দিলে হয়, নিজে হ'লে বান্ধ খালে কানাই মহৰীৰ লগত।

সি আৰু বহুত কথাই ক'লে। সকলো লিখিব নোৱাৰি।

এতিয়া মই মহীৰামৰ মুখলৈ চাই বহুত কথাই ভাবিছোঁ। সি বাৰু কিয় তাৰ বাসনাৰ জড়তা বুজা নাছিল ? ডেকা বয়সৰ বিশ্বাস নাই। কানাই মহৰীক মই সিমান সিযান ল'ৰা বুলি ভবা নাছিলোঁ। মোৰ আগত তেনেই লেও সেও মেকুৰীটোৰ দৰে থাকে। এই বছৰ বিযা কৰোৱাৰ কথা আছিল। এতিযা আকৌ পৰকীযা পীৰিতিত ধৰিলে।

দহ বাজিলেই। মহীৰামক নিবৰে হ'ল। গৰু গাড়ী-খন আনিবলৈ কন্দৰক হুকুম দিলো। মৌজাদাৰেও তাক এবাৰ চাই বিহুৰাৰ ফালে বজাৰ কৰিবলৈ গ'ল। ৰংপুই তেতিযা ভিতৰ ফালে। তাইক দেখিহে আচৰিত লাগিল। তাইৰ উচুপনি শুনিছোঁ, বৰকৈ উচুপিছে। যদি তাই পৰ-পুৰুষত দেহ-মন সঁপি ইমান স্বাৰ্থপৰ হৈছে, গিৰিযেক হস্পি-টেললৈ গ'লে তাইৰ কি আহে যায় ? তাই এববীয়া হৈ নিশ্চিন্তহে হ'ব পাৰিব। তথাপি তাই উচুপে। এৰা,

তিৰোতাৰ কথাই পতি চকুলো। চকুলোতো হুলাহুল। তথাপি কন্দৰে কোৱা কথাটোত সন্দেহ কৰা নাছিলোঁ। কানাইযে তাইৰ মন কাহানিবাই চুৰ কৰি থৈছে। তাই কিজানি কান্দিছে আনক বিধৱা বুলি জনাই দুখ পাব কাৰণে। কন্দৰে কোৱা কথাখিনি মনত পৰাত গোটেই দৃশ্যটো চকুৰ আগত ভাঁহি উঠিছে। সেইদিনা ঘৰত মৌজাদাৰো নাছিল, পুতেকো নাছিল। মৌজাদাৰণী আছিল গোঁসাই ঘৰত। ৰংপুইযে ঢেঁকীশালত ধম্ ধম্ কৰে ধান বানি আছিল। হঠাতে কন্দৰে মন কৰিলে যে ঢেঁকীৰ মাত্ত বন্ধ হ'ল। ঢেঁকীশাল তলকা লাগিল। সি মাথোঁ শুনিবলৈ পালে দুখন হাতৰ খাৰুৰ জুন্নুক জুন্নুক শব্দ। হাত ওপৰলৈ উঠা-নমা কৰা আৰু খাৰু কেইপাত হঠাতে চিঙি পৰাৰ দৰে। অলপ সময়ৰ পাছতে সি দেখা পালে কানাইয়ে সুৰুকা মাৰি ঢেঁকী-শালৰ পৰা বাজ হৈছে। তাৰ বুকুৰ ধপ্‌ধপনি মাৰ যোৱা নাই।

সঁচাকৈযে ৰংপুইৰ ছাযামাযা একো বুজিব পৰা নাই। 'এক্সৰে'ৰ ফটোখন এনেযে হাতেৰে লিৰিকি বিদাৰি এইবো-ৰকে ভাবি আছোঁ। মহীৰামে কিবা কোৱা যেন গম পাই ওচৰ চাপি গ'লো। সি মোকে শেহাই শেহাই ক'লে— মই শান্তিৰে মৰিবলৈ ভাইগ ন'হল ডাগ্‌দাৰ বাবু। আজি মই কিজানি মৰিবলৈকেহে ওলাই যাম। ঘৰত থাকিব এজনী পোৱঁতী তিৰোতা। তাইক যে নিজে পুহিব নোৱাৰিলোঁৱেই,

নিজৰ সন্তানটো এবাৰ চাই মন জুৰাবলৈ সময় ন'হল 'ইচৰে' সকলোতে বিধি-পঠালি দিলে।

মই তেনেই হতবাক। ইয়াতকৈ করুণ কথা আৰু একো হব নোৱাৰে। বেচেৰাই শেষকালতো ধৰিব নোৱাৰিলে যে সি এটা নিমিত্ত মাত্র। সি এটা মূর্খ। বুঢ়াকালত এনে হেন তেজ-গোৰা মানুহজনী বিয়া কৰাবলৈ তাক কোনে উপদেশ দিছিল? গাভৰু তিৰোতা এজনীয়ে জানো মন সামৰি থকা সহজ কথা! তাইৰ নিশ্চয় তেজৰ ঢৌৱে ঢৌৱে সনাতন বাসনাই নৃত্য কৰিছিল। সেয়েহে কিজানি দুৰ্ব্বল মুহূৰ্ত্তত কানাইক মনৰ মানুহ বুলি আকোৱালি ল'বলৈ মন পিছলি গৈছিল। দাও-দাওকৈ ডেউকা মেলি জ্বলি উঠা জুইকুৰা পানী চটিয়াই নুমুৱাব নোৱাৰি। মহীৰামে এইখিনি কথাও বুজি নেপালে। বুঢ়াকালত "পৰকিতি" লবিল। ইমানদিনে সি বিদায়গামী পৌৰুষক কোন সাহেৰে বিশ্বাস কৰি আছে? তাক পুতৌ কৰিব পাৰি, কিন্তু সি পৰক সন্দেহ নকৰাৰ কাৰণে মহৎ বুলি কব নোৱাৰি।

মই থকাৰ কাৰণে ৰংপুই তাৰ কাষ চপা নাই। আত্ত-ৰৰ পৰাই সকলো শুনি আছে। তাইক মই চকামকাকৈ দেখিছোঁ। তাইৰ চকু উখহা। কান্দি কান্দি চকু মোহা-ৰোতে। এধাৰ বাজিলেই। গৰু হাল আনি কন্দৰ চোতালত ৰ'লহি গাড়ীখনেৰে সৈতে। গাড়ীৰ চাংখনত ধানখেৰ পাৰি কোমল কৰি দিছে। তাৰ ওপৰত এটা কঠ। মোৰ মনটো

বৰ খু তুৰাইছে। কোনোবাই যদি এষাৰ কথা শুনালেহেঁতেন যে মহীৰামৰ মৃত্যুত কাৰো হিযাত বেথা নেলাগে। বহুত দিনলৈ কাৰো মন জঁয পৰি নেথাকে। ৰংপুইৰ কান্দোনৰ কোনো অৰ্থ নাই। তেতিযা হলে সি বহুত খুচীৰে মৰিব পাৰিলেহেঁতেন। সেই পূৰ্ব্বৰ নিৰ্লিপ্ত আৰু নিৰাশক্তিৰে।

কেইটামান মানুহ তাৰ ওচৰলৈ আহিছিল। বোধকৰোঁ সিহঁতে তাক বৰ মৰম কৰিছিল। সি সিহঁতক গাত হাত ফুৰাই ক'লে—চম্পক, মধু আৰু ফৰিঙাহঁত। মোৰ অবিহনে তহঁতে ৰংপুইক চাবি। মোৰ কেঁচুৱাটিকো। আৰু যে কেইমাহ মানৰ পাছত ..

তাৰ চকুত আকৌ ধাৰাষাৰ পানী। ফৰিঙা বোলাটোৱে চুৰীযাৰ আগেৰে মুচি দিলে। চম্পকে বৰ লাহে লাহে ক'লে-মহীকাই, কেলৈ চিন্তা কৰিছ? সকলো বিধিৰ লিখন। পিছে এটা কথা কাই। কানাই তোৰ ওচৰলৈ আহিব খোজে। তই শাও দি যাব বুলি ভযতে তাপ খাই সি ঘৰত সোমাই আছে।

—কিয শাও দিম বোপাইহঁত? আহক সি। কি ক'ব খোজে কৈ লওঁক।

কানাই সোমালহি। মুখত অতি ভয় ভয ভাব। আহিয়েই পোনেই এসোটা কান্দি ল'লে। তাৰ পাছত কওঁ নকওঁকৈ ক'লে—মহীকাই, তই মোক চৰ লাঠি যি পাৰ মাৰি ল। নহ'লে ক, ডাক্তৰৰ পৰা এপুৰীয়া বিহকে খুজি খাই মৰোঁ। মই চুকতে থাকি তোৰ বুকুত কামোৰ মাৰিলো।

মোৰদৰে নাৰকীৰ আৰু নিস্তাৰ নাই। ময়ে ৰংপুইৰ পাপৰ ভাগী। মোৰে তাই
আৰু একো নকৈ চকু দুটা এহাতে ঢাকি ধৰিলে। মই ভাবিছিলোঁ, মহীৰামে এই কথা শুনি মূৰ্চ্ছা যাব পাৰে নতুবা হৃদপিণ্ডৰ, ক্ৰিয়া বন্ধ হৈ যাব পাৰে। কিন্তু তাক বৰ সংযত যেন দেখা গ'ল। সি ভিতৰলৈ গৈ ৰংপুইক মাত দিলে। তাযো হাতৰ তলুৱাৰে গোটেই মুখখন ঢাকি তাঁৰ ভৰি পথানৰ ফালে থিয় হ'লহি। মহীৰামে ক'লে—তই বাৰু দুনাই নক'লেও হ'ব। সকলো জানি ল'লোঁ।

তাই থোকাথুকিকৈ ক'লে—কিন্তু বিন্তু তাৰ বাবে কানাইয়েই জগৰীযা নহয়, মইহে। মই পাপিনীহে। মোৰ পিশাচ মন। মোক মাফ কৰ।

মহীৰামে এইবাৰ অতি শান্তভাবে মাত লগালে—সেই-বোৰ মই ভবাই নাই ৰংপুই। মই সকলো এৰিছোঁ। তইঁত বহুত দিন জীযাই থাক। এষাৰ কথা ক'বৰ কাৰণেই তোক মাতি আনিলোঁ। তই যেন আগলৈ মোক দোষ নিদিয। মোক যেন অধৰমী বুলি নেভাব। মোক মাফ কৰ। বিযা কৰাৰ সময়ত মোৰ মৰা দেহত দেওধনী নাচ উঠিছিল। মন বৰ পিশাচ ৰংপুই। আৰু পিশাচতকৈও নিলাজ।

তাৰ মাত শুকাই গৈছিল। পানীৰ গিলাচটো ওচৰ চপাই দিলোঁ। সি এধোকা গিলি আকৌ ক'লে—ৰংপুই, তোক এটি ডাঙৰ কথা কৈ যাওঁ তই ৰক্ষা কৰিবি? শুন,

ভালকৈ শুন। তই কানাইক মৰমৰ চকুৰে চাবি। বং বহুইচৰে দিন নিযাবি। সি বৰ ভাল মানুহ। মই তোৰ জোৰৰ নাছিলোঁ। কানাই, শুনিলি নহয়? কন্দৰে সিফালে বাহিৰৰ পৰা চিঞৰিছে—বোল মূৰৰ আগ পালেগৈ একা, গাড়ী আজিৰ ভিতৰতে ঘূৰাই আনিব লাগিব। সময় নহ'ব।

যেন যমদূতৰহে কিৰিলি। মই লক্ষ্য কৰোঁ, ইতিমধ্যে কানাই আৰু ৰংপুইয়ে মহীৰামৰ ভৰিত হাত দি দি পাৰেমানে উচুপিছে। মহীৰামে কন্দা নাই। ইমান পৰে তাৰ চকু পানী শুকাই শেষ হৈ গ'ল। তাৰ চকুত আকৌ সেই তীৰ্থযাত্ৰীৰ নিৰ্লিপ্ত। তাৰ হাওঁফাওঁত ডেৰবছৰ দুবছৰৰ আগতেই তাৰ প্ৰাণত বংশ বৃদ্ধিৰ ইচ্ছা আৰু নাৰীপৰশৰ কামনাই শিপা মেলিছিল। মানুহ যে কিমান অসহায়। যক্ষ্মাৰ কীট ইমান বিশ্বাসঘাটক। তেতিয়া সিহঁতে তাৰ মনটো দেহৰ সকলো দীনতাৰেও আশা আকাঙ্খা আৰু কামনা-বাসনাৰে উত্তাৰল কৰিছিল আৰু আজি তাৰ মনত নিৰ্ব্বান—পিপাসীৰ মহত্ব!

———

আঁউসীৰ বন্তি

যি গৰাকীলোকৰ ব্যক্তিত্বৰ প্ৰভাৱতেই হওক বা দক্ষতাৰ প্ৰভাৱতেই হওক, নিচলা দেশত গণতন্ত্ৰ বৰ্ত্তি আছে আৰু নানা জাতি আৰু দলীয় ৰাজনীতিৰ খিযলাখিয়লিৰ মাজতো, কোৱালিশ্যন মন্ত্ৰিসভা গঠিত গণতান্ত্ৰিক ৰাজত্ব কচু পাতৰ পানী বুলি প্ৰমাণিত হবলৈ চল ওলোৱা নাই, সেই জাতিস্মৰ লোকজনৰ এক আকস্মিক কাৰ্য্যই সকলোকে আচৰিত কৰিলে। কাৰণ তেখেঁতৰ বিপক্ষে কোনো ষড়যন্ত্ৰ নাছিল, দেশহিতৈষিকতা ধুৰন্ধৰ মানুহৰ শেষ অৱলম্বন বুলি ভবা এক শ্ৰেণী মানুহৰ মুখত তেখেতৰ দোষ নোলাইছিল, তেখেতৰ কাৰ্য্যই খিলঞ্জীয়া মানুহকো ক্ষুণ্ণ কৰা নাছিল। (কাৰণ তেখেতৰ উদাৰতাই জাতীয় স্বাৰ্থক উলাই কৰা নাছিল।) তথাপি ক্ষমতাৰ শীৰ্ষ আসনৰ পৰা হঠাৎ অৱসৰ গ্ৰহণ কৰাৰ কোনো অৰ্থ নাই। অতি বিৰল ঘটনা।

সেই জাতিস্মৰ লোকজনৰ মন আৰু দৰ্শন সম্পৰ্কে বিশেষ ভূ নোলোৱা বাতৰি কাকতৰ সাধাৰণ পাঠকেও খবৰটো পাই বিশেষ আলোড়ন অনুভৱ কৰিলে। তেখেতৰ পিছত কোনে সেই দায়িত্বপূৰ্ণ আসন পূৰণ কৰিব তাকে গুণা গঁথা হ'ল। হুতাশী কৰ্ম্ম বিমুখ জাতি এটাই সাধাৰণতে শাসকৰ সাল-

সলনি হ'লে ভাগ্যৰো কিবা সালসলনি হ'ব পাৰে বুলি ভাবি ভাল পায়। কিন্তু এখেতে স্ব-ইচ্ছাৰে গুৰুত্বপূৰ্ণ আসন এৰি দিযাত সকলো দুখিতহে হ'ল। এয়ে স্বাধীনতাৰ পাছৰ বুৰঞ্জীত নতুন ঘটনা। তৃতীয়া দেশত ৰাজনৈতিক খিতাপ আৰু ক্ষমতাপূৰ্ণ পদপী লোৱা সিমান টান নহয, কিন্তু বাইজৰ মাজত সৰবৰহী হোৱাহে আটাইতকৈ টান। ইযাৰ লগত দক্ষতা, চতুৰতা আৰু বুদ্ধিমণ্ডাৰ কোনো সম্পৰ্ক নাই।

সাম্বাদিক মহলৰ মাজত বেছি চাঞ্চল্য। আটৈ বছৰৰ ভিতৰতে ইমান ভালকৈ খোপনি পিটি লোৱা ৰাজনীতিজ্ঞ সুবোধ বৰুৱাই যে অৱসৰ গ্ৰহণ কৰিব এই কথা কোনেও অনুমান কৰা নাছিল। এনে সম্ভাবনা থাকিব পাৰে বুলি যে এটাও প্ৰবন্ধ নোলাল, সেইকাৰণে কেবাখনো দৈনিক বাতৰিৰ কৰ্তৃপক্ষৰ মনত অনুতাপ। তদুপৰি বৰুৱাই তিনিটা বস্তুৰ পৰা একেলগে অৱসৰ গ্ৰহণ কৰে। ৰাজকীয় ক্ষমতাৰ পৰা, নিজে যুক্ত থকা ৰাজনৈতিক দলটোৰ পৰা আৰু সৰ্ব্ব-শেষত ৰাজনীতিৰ পৰা। আজিকালি ৰাজনীতিয়ে হেনো মানবতাক বিসৰ্জ্জন দিছে। অৱসৰ গ্ৰহণৰ প্ৰতিবেদনত বৰুৱাই এই কথা ঘোষণা কৰিলে। তাকে ভিত্তি কৰি কোনো কাকতৰ সম্পাদকে লিখিলে,—বৰুৱা হতাশবাদী, কোনোৱে লিখিলে,—পণ্ডিতলোকক ৰাজনীতিয়ে সোনকালে আমুৱায়, প্লেটোৰ ফিলছফাৰ কিং সুদূৰ ভবিষ্যতৰহে কথা, ইত্যাদি।

বৰুৱা মানুহজনক ভালকৈ জনা দুই একে কলে যে এক মাত্ৰ 'গণপ্ৰভা' নামৰ কাকতখনতহে আচল কাৰণটো কিছু পৰিমাণে ব্যক্ত কৰা হৈছে। তাত লিখিছে—ৰাজনীতিৰ জখলাইদি ক্ষমতাৰ অত্যুচ্চ শৃঙ্গলৈ আৰোহন কৰাটো আৰু ক্ষমতাত অধিষ্ঠিত হৈ জাতীয় চৈতন্য আৰু জাতীয় চৰিত্ৰ জগাই তোলা, জনগণক আধ্যাত্মিক, আৰ্থিক আৰু ব্যক্তিগত মুক্তি দি দেশৰ সৰ্ব্বাঙ্গীন উন্নতি কৰা দুটা সুকীয়া বস্তু। প্ৰথম বিধ ক্ষমতাত আছে জাগতিক তথা ব্যক্তিগত উন্নতি আৰু দ্বিতীযটিত আছে বৌদ্ধিক উদাৰতা আৰু মানবতা। তাত আউৰঙ্গজীৱ আৰু অশোকৰ পাৰ্থক্য। বৰুৱাই হয়তো ভাবি পাইছে যে দ্বিতীয বিধ উন্নতি কৰাৰ বাবে তেখেত সাগৰ সংকাশ। কল্লোলৰ মাজত এটি দুৰ্ব্বল কণ্ঠৰ উপাসনা গীতিৰ দৰেহে।

০ ০ ০ ০

বৰুৱাৰ দুটি পুতেকে এই কথাত মৰাৰ সমান দুখ পালে। তেওঁলোকহে ক্ষমতাৰ পৰা খহি পৰা যেন লাগিল। তেখে-তৰ পৰিবাৰ শীতলাই একো অভিমত ব্যক্ত নকৰিলে। মাথোঁ কান্দিলে। এই আঠে বছৰে ছিলঙৰ শীতত থাকি বেচ আৰামত কটাইছিল, খুব ভাল ফল-মূল খাবলৈ পাই-ছিল, ৰাজৰাণীৰ সন্মান পাইছিল। কিন্তু এতিয়া যাবগৈ লাগিব নিদাৰুণ ভৈয়ামলৈ। ৰ'দ আৰু জহে শৰীৰ খহতা কৰি পেলাব। ভালকৈ শুব নোৱাৰিব। মহৰ অত্যাচাৰত

আঠুৰা ভৰি শুলে গৰালত শোৱা যেনহে লাগিব। তাত গৈ সাধাৰণ মানুহৰ লগত কথা পাতিব লাগিব। তেতিয়া হয়তো তেওঁৰ কথাত বিশেষ প্ৰাধান্য নেথাকিব। বৰুৱানীয়ে ইয়াকে ভাবি কান্দিছিল। ইয়াকে নেভাবিনো এজনী সাধাৰণ তিৰোতাই আৰু কি বেছি ভাবিব পাৰে?

আৰু এদিনৰ পাছত বৰুৱাই চৰকাৰী ঘৰ এৰিব। আজি এখন সাংবাদিক সন্মিলনলৈ তেখেতক নিমন্ত্ৰণ জনোৱা হ'ল। তেখেত আজিৰপৰা এক প্ৰকাৰ স্বাধীন মানুহ যদিও তালৈ যাবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। আত্ম প্ৰচাৰৰ কাৰণে তেখেতৰ মোহ নাই। তথাপি এক দায়িত্বপূৰ্ণ কাম কিয় এৰিব লগীয়া হ'ল,—তাকে ব্যাখ্যা কৰিবলৈ মন হ'ল। ৰাইজৰ মনত সাথৰ হৈ থাকিবলৈ তেখেতে ইচ্ছা নকৰিলে।

সাংবাদিক সন্মিলনত তেখেতে অসংখ্য প্ৰশ্নৰ উত্তৰ দিবলগীয়া হ'ল। প্ৰায়বোৰ প্ৰশ্নই জটিল ধৰণৰ আছিল।

এজনে সুধিলে—এতিয়া আপুনি কি কৰিব খোজে?

বৰুৱাই ক'লে—কি কৰিব খোজে বুলি সুধিলে দুটা প্ৰশ্ন মনলৈ আহে। নিজৰ কাৰণে নে দেশৰ কাৰণে? স্বৰূপতে নিজৰ কাৰণে মোৰ একো কৰিবলগীয়া নাই। মোৰ ল'ৰা ছোৱালীয়ে আৰ্জিব পৰা হৈছে। তদুপৰি যিখন দেশত আধাতকৈ বেচি মানুহৰ ভাত কাপোৰৰ সংস্থান নাই সেইখন দেশত ব্যক্তিগত জীৱনৰ কাৰণে বেছিকৈ ভবাটো ডাঙৰ পাপ। দেশৰ উন্নতিৰ কাৰণে সামান্য শক্তিৰে কিছু অৰিহণা দিবলৈ

মন আছে। তাৰ বাবে মই নতুনকৈ প্ৰস্তুত হবলৈ বিচাৰিছোঁ। এই তিনি বছৰ মই ভুলকেই কৰি আহিছোঁ। মই ভাবিছোঁ—মই এতিয়াও জনগণৰ মনৰ মাজত সোমাব পৰা হোৱা নাই। মোৰ কৰ্ম্ম আৰু দৃষ্টি উপৰুৱা হৈয়ে আছে। মনতে পাতিছোঁ—এইবাৰ তেওঁলোকৰ মাজলৈ সোমাম, নিস্পৃহ কৰ্ম্মজীৱনৰ জৰিয়তে।

আন এজনে মাত লগালে—তেনেহলে আপুনি সাম্প্ৰতিক জীৱনত ভুল বিচাৰি পাইছে ?

তেখেতে আত্ম-বিশ্বাসেৰে ক'লে—পাইছোঁ।

সাংবাদিক—কিয় ?

বৰুৱা—এই প্ৰশ্নৰ উত্তৰ দিবলৈ টান। তাকে ক'বলৈ হ'লে মোৰ আপোন মনৰ পৰিচয় দিব লাগিব। কিন্তু নিজৰ কথা আৰু নিজস্ব মতৰ কামেৰে ৰূপ দিব নোৱাৰালৈকে মূল্য নাই। তদুপৰি সাংবাদিকৰ কাৰণে বিশেষ কামত নাহিবও পাৰে। তথাপি সংক্ষেপতে কওঁ যে এতিয়ালৈকে মই পুতলাই আছিলোঁ। সিদ্ধি আৰু উপায়ৰ মাজত এটা যোগসূত্ৰ আছে। ক্ষমতা হ'ল মোৰ ব্যক্তিগত সিদ্ধি আৰু উপায় কি লৈছোঁ মই নিজেই ক'ব নোৱাৰোঁ। মই গান্ধীৰ পৱিত্ৰ আত্মাৰ ওচৰত অপৰাধী।

সাংবাদিক—কিন্তু দেশৰ এই দুৰ্যোগৰ দিনত যে আপুনি অৱসৰ গ্ৰহণ কৰিছে সেইবাবে আপোনাক আমি হতাশী মানুহ বুলিব পাৰোনে কি ?

বৰুৱা—আপোনালোকে মোক যিহকে আখ্যা দিয়ক, মোৰ সেই বিষয়ে ক'বলৈ একো নাই। কিন্তু মই ক্ষমতাত থাকিলেও জানো, দেশৰ উন্নতি হ'ল? দেশ ডাঙৰ দুৰ্যোগৰ সন্মুখীন হৈছে। আটাইতকৈ ডাঙৰ হৈছে নৈতিক দুৰ্যোগ। খিয়লা-খিয়লি, দলগত স্বাৰ্থ, অসাধুতা,—এই সকলোবোৰে শাসন যন্ত্ৰ বিকল কৰি তুলিছে। শাসন-প্ৰণালীৰ পৰা এইবোৰ দূৰ কৰিব নোৱাৰিলে, যি কোনো শাসনেই হাৰ মানিব। মই ইমান দিনে পৰৰ স্বাৰ্থপৰতাৰ সিদ্ধিৰহে প্ৰতিনিধি আছিলোঁ। এতিয়া ভাবিছোঁ—এক মাত্ৰ ৰাজনীতি এৰি দিহে মোৰ নিচিনা মানুহ এটাই দেশৰ উপকাৰ কৰিব পাৰিম।

সাংবাদিক—তেনেহলে আপোনাক আধ্যাত্মিক জগতৰ নেতা বুলি ক'ম?

বৰুৱা—মই সিমানৰ দাবী কৰিব নোৱাৰোঁ। কিন্তু মই ভাবোঁ—বহুতক ক্ষমতাই বলিয়া কৰে, নীচ কৰে, নিজকে নিজেই চিনিব নোৱাৰা কৰে। ক্ষমতা লাভ কৰাটো মোৰ উদ্দেশ্য নাছিল। গতিকে মই তাৰপৰা ফালৰি কাটি আহিলোঁ। মই গীতাৰ এষাৰ কথা বৰ বিশ্বাস কৰোঁ—স্বধৰ্মে নিধনং শ্ৰেয়ঃ। পৰ ধৰ্মো ভয়াবহঃ।

সাংবাদিক সন্মিলন শেষ হ'ল। সাংবাদিক সকল বৰ তুষ্ট হ'ব নোৱাৰিলে। বহুতে কলে যে বৰুৱাৰ অৱসৰ গ্ৰহণ কৰাৰ গুৰিতে আন কিবা কথা আছে। তেখেতে কিছুমান

এব্ষ্ট্রেক্ট (নিবস্তুক) কথা কৈ আচল কথা ঢাকিবলৈ চাইছে।

যেযে হওক পাছদিনা কাকতত খুব আকৰ্ষণীয়ভাবে তেখেতৰ জীৱনী ছপা হ'ল। গণপঞ্চা কাকতে লিখিলে—

অতি সাধাৰণ কৃষক পৰিয়ালৰ দাৰিদ্ৰৰ মাজত ডাঙৰ দীঘল হৈযো সুবোধ বৰুৱাই মেধাৰ বলত দেশবাসীৰ মাজত জিলিকি উঠিল মনীষাৰ শৈলসেতু স্বৰূপে। 'বেদান্ত দৰ্শনৰ ধাৰা', 'ভাৰতীয় সংস্কৃতিত অনাৰ্য্য প্ৰভাৱ' 'গান্ধী আৰু ভাৰতীয় চিন্তা' 'সামাজিক দৃষ্টিত শঙ্কৰদেৱ' 'ভাস্কৰ্য্যৰ লীলাভূমি ভাৰত' আৰু 'মোগল যুগত চিত্ৰকলা' আদি জ্ঞান গম্ভীৰ গ্ৰন্থত তেখেতৰ তীক্ষ্ণধী বিশ্লেষণী মনৰ পৰিচয় আছে আৰু এই গ্ৰন্থসমূহেই বহুদিনলৈ ভাৰতত তথা পৃথিৱীতে তেখেতৰ পাণ্ডিত্যৰ পৰিচয় বহন কৰিব।

অকল সেযে নহয়। বৰুৱা নিষ্ঠাবান কৰ্ম্মযোগীও। ভাৰতীয় গণ-আন্দোলনত তেখেতৰ ভূমিকা দেশবাসীৰ কাৰণে এক উল্লেখযোগ্য ঘটনা। দেশৰ শিক্ষা-সংস্কৃতিৰ জীৱনত তেখেতৰ অৱদান অমূল্য।

সিফালে এই দুদিনতে ৰাজনৈতিক দলবোৰে তলওপৰ লগাইছে। বিৰোধী দলৰ মানুহে স্বস্তিৰ নিশ্বাস ল'লে। সুবোধ বৰুৱাই ইমানদিনে ক্ষমতাত থকা দলটোৰ পৃষ্ঠ-পোষকতা কৰিছিল কাৰণেই টিকি আছিল। এইবাৰ আৰু নোৱাৰে। তথাপি সুবোধ বৰুৱাক নিজৰ দ'ললৈ মাতিবলৈ কাৰো সাধ্য ন'হল। তাৰ ফল ওলোটা হ'ব পাৰে।

সুবোধ বৰুৱা নীতি বিসৰ্জ্জন দিয়া মানুহ নহয়।

তেখেতৰ নিজৰ দলটোহে মহা বিপদত পৰি গ'ল। দুৰ্নীতি, অতি-কথা-অলপ কাম, খাম খেয়ালি, প্ৰকৃত দেশসেৱী মানুহৰ অভাবে এইটো দলক ৰাইজৰ বৈৰী কৰি তুলিছিল বাৰুকৈ সুবোধ বৰুৱাৰ দৰে ঋষিতুল্য মানুহ এজন পোৱা গ'ল কাৰণে এজনৰ সাধুতাই বহুতৰ কলঙ্ক ঢাকিলে। এইবাৰ আৰু উপায় নাই। সুবোধ বৰুৱা ওলাই যোৱা মানে দলটোৱে ৰাইজৰ সহানুভূতি হেৰুৱা, প্ৰধান সম্পাদক আৰু সভাপতি বিচলিত হৈ পৰিল।

সভাপতি সৌৰভ বৰদলৈয়ে তেখেতক বাৰে বাৰে অনুৰোধ কৰিলেহি। কিন্তু বৰুৱা অচল অটল।

—মোৰ দৰে পুতলা এটা বা চহী কৰা মানুহ এটা য'তে ত'তে বিচাৰি পাব। ইমান চিন্তা কিয়? এতিয়া মই স্বাধীন মানুহ। মোক দলৰ পৰা বহিষ্কাৰ কৰাৰো অৰ্থ নাই, মোৰ বিপক্ষে আনক মিছাকৈ কথা বুজাই দিয়াৰো অৰ্থ নাই। আৰু চাওক, এই বেপাৰৰ যুগত মই তেনেই অচল। গান্ধীৰ নামত গেঞ্জী, বিনোৱাৰ নামত জোতা, সুভাসৰ নামত বিস্কুট উলিয়াই যি দেশৰ মানুহে ব্যৱসায় কৰিব পাৰে সেই দেশত ভাল মানুহ নিজৰ প্ৰতি সজাগ নহৈ উপায় নাই। অৱশ্যে মই ভাল মানুহ বুলি দাবী কৰা নাই।

সৌৰভ বৰদলৈক এই কথাখিনি কৈ বাতৰি কাকত এখন

উলিযালে আৰু ক’লে—এয়া চাওঁক, গণপ্ৰজ্ঞাত এযা কি লিখিছে।

বৰদলৈযে পটি গ’ল মানুহে সাধুতাক অসাধুতাৰ বিজযৰ কাৰণে ব্যৱহাৰ কৰাৰ দৃষ্টান্ত আজিকালি বেচি হৈ পৰিছে। বিপৰীত ধৰ্মী মানুহেহে আদৰ্শৰ কথা কৈ কৈ সেই আদৰ্শক আপোন স্বাৰ্থ ব্যৱসাযভুক্ত কৰিছে। জীৱিত সৎলোক সকলো এনে মানুহৰ হাতত পুতলা হৈছে। এই ক্ষেত্ৰত সুবোধ বৰুৱাহে ব্যতিক্ৰম। তেখেতলৈ আমাৰ শ্ৰদ্ধাঞ্জলি আগবঢাইছোঁ।

বৰদলৈযে পটি চোৰাৰ পাছত বৰুৱাই ক’লে—ক্ষমা কৰিব। মই পোনতে আপোনালোকৰ আচল অভিপ্ৰায় বুজি নোপোৱা বাবেই আজি তিনিবছৰ মোৰ আচল কাম বাকী পৰি থাকিল।

সভাপতি বৰদলৈযে আৰু একো নক’লে। নেগুৰছিগা সাপৰদৰে প্ৰতিহিংসাত জ্বলি পুৰি তেখেত আঁতৰ হ’ল।

তিনি দিনৰ পাছত বৰুৱা ভৈযামৰ নিজৰ চহৰলৈ আহিল। বিদাযৰ সময়ত তেখেতক দেখা কৰিবলৈ কোনো উচ্চ পদস্থ বিষযা বা মন্ত্ৰী আদি অহা নাছিল। যাঁথেঁা ছবি তুলিছিল কেইজনমানে, দৰদী প্ৰেছ ফটো গ্ৰাফাৰে।

০ ০ ০ ০

নিজৰ ঘৰত সাদিনমান থাকি বৰুৱাই ভৱিষ্যতৰ কথা ভাবি পেলালে। ঘৰৰ সকলোকে জনালে যে তেখেত আৰু

চহৰৰ ঘৰত নেথাকে। যি গাৱঁৰ মানুহৰ ভোট পাই তেখেত ডাঙৰ মানুহ হৈছিল, সেইবোৰ মানুহৰ ওচৰলৈ যাব। সিহঁতৰ লগত থাকিব সিহঁতৰ লগত মৰিব। তাতে আশ্ৰমৰ দৰে থাকিবলৈ ঘৰ এটা পালেই হ'ল। তেখেতে সম্পূৰ্ণৰূপে ঘৰৰ মোহ ত্যাগ কৰিলে। লগত কাকো নিনিয়ে। আনকি ঘৰৰপৰা চকি এখনো নিনিয়ে।

—ইযাৰ উদ্দেশ্য? এযা কি বৰুৱাৰ বানপ্ৰস্থ? কোনে জানে? বৰুৱা সংস্কৃতজ্ঞ পণ্ডিত। সংস্কৃত জনা মানুহৰ কাৰণে গাৱঁৰ গছ-গছনি আৰু বাঁহতলীযেই ভাল। তাতে কণ্ব মুণিৰ আশ্ৰম ৰচনা কৰিব।

স্থানীয় কলেজৰ বিজ্ঞানৰ ডেকা অধ্যাপক কেইজনমানে মন্তব্য কৰিলে।

—তেনেহলে 'পুনঃ মূষিকো ভব?' এ প্ৰাইচ অফ্ অৱৰ্থলেছ্‌নেছ? অৰ্ আৰ্ট অফ্ আৰ্টলেছনেছ? বুজিচোঁ নিৰ্ব্বাচনৰ এবছৰৰ আগৰেপৰা গাওঁ সোমাল যেতিযা এইবাৰ স্বতন্ত্ৰ হৈ থিয হ'ব। কম বুদ্ধি নহয।

কেইজনমান চতুৰ উকীলে বাৰ লাইব্ৰেৰীত আলোচনা কৰিলে।

—মানুহজন কিন্তু পণ্ডিত। গাৱঁত নিৰলে বহি বহি কিতাপ লিখিব। নিশ্চয চৰকাৰৰ বিপক্ষেও এখন লিখিব। এইটো সাধাৰণ নিযম। অৱশ্যে এইটো বযসত শাস্ত্ৰ-চৰ্চ্চা কৰাহে ভাল। তেখেতে ইমানদিন সময়কে পোৱা নাছিল।

দুজনমান পেঞ্চন-প্ৰাপ্ত বিষযাই কোৱা-কুই কৰিলে।

তেখেতে নিজৰ পৰিবাৰকো নিনিযে। ল'ৰা দুটাৰ লগত কথাই পতা নাই। ঘৰৰপৰা আনকি বাকচ এটাও নিনিয়ে। কিতাপ কিছুমান আগতেই পঠিযাই দিলে। তাত হেনো তিনি পুৰামান মাটি লৈ আশ্ৰমৰ দৰে এটা ঘৰ সাজিব। ফুলনি পাতিব। দিনে ছঘণ্টাকৈ দৈহিক শ্ৰম কৰিব। এঘণ্টা গীতা-পাঠ কৰিব। আবেলি ওচৰৰ মানুহৰ ঘৰে ঘৰে গৈ সিহঁতৰ অভাব-অভিযোগ শুনিব। ই আকৌ কেনে ধৰণৰ বানপ্ৰস্থ? পণ্ডিচেৰীত অৰবিন্দৰ আশ্ৰম বাস, ৰবি ঠাকুৰৰ শান্তি নিকেতন বিশ্বভাৰতীৰ প্ৰতিষ্ঠা, —শেহতীযা বযসত এনে কৰ্ম্মময জীৱন জানো বাণপ্ৰস্থৰ ভিতৰত পৰে?

বিদেশী সাংবাদসেৱী কেইগৰাকীমানে তেখেতৰ লগত কথা পাতি এনে ধৰণৰ চিন্তাত পৰি গ'ল।

—বন্ধুৱা, ৰাস্কিনৰ আন টু ডি লাষ্ট বোলা কিতাপখনে গান্ধীজীক নতুন বল দিলে। আপুনিও তেনে কিবা বল পাইছেনে কি?

—ৰাস্কিনৰ সঁচাকৈযে উদাৰ মানুহ। আন্ টু ডি লাষ্টত খৃষ্টৰ ঐতিহ্য আছে, উদাৰ মানবতাৰ স্ফুলিঙ্গ আছে। আমাৰ 'সৰ্ব্বোদয'ৰ ভিত্তিও একে। পিছে, মই এতিযাও দলৰ সহায লৈ বা দল তৈযাৰ কৰি কিবা এটা কৰিম বুলি ভবা নাই। ৰাজনৈতিক জগতৰ লগত মোৰ সম্পৰ্ক নাই।

—ই এক নতুন বাণপ্ৰস্থ?

মই সম্প্ৰতি ক'ব নোৱাৰোঁ। বাণপ্ৰস্থ ঋষিৰ কাৰণে কিন্তু মই সাধাৰণ মানুহ।

বিদেশী সংবাদসেৱীয়ে হয়তো শেষত ধৰি পেলালে যে বৰুৱা এজন পলায়নবাদী মনোবৃত্তিৰ লোক। লোক সমাজৰ দ্বন্দ, পীড়ন, সংকট সকলোবোৰেপৰা আঁতৰি আশ্ৰয় ল'ব খুজিছে,—এখন গাৱঁত। ইয়ে প্ৰমাণ কৰে যে তেখেতে বাস্তৱৰ লগত মুখামুখি হ'বলৈ টান পায়। অলিভাৰ গল্ড-স্মিথে 'এৰি অহা গাওঁ' লিখিছিল বাস্তৱৰ পৰা মনটো পলুৱাই নিবলৈ। সুবোধ বৰুৱাই এৰি অহা গাৱঁলৈ যাব——কেৱল বাস্তৱৰ লগত মিতিৰালি কৰিব নোৱাৰাৰ কাৰণেই।

তেওঁলোকে যে তেখেতৰ মত বুজা নাই, তেখেতে প্ৰশ্ন শুনিয়েই বুজিব পাৰিছে। সাম্বাদিকে লোকৰ কাৰণেই কথা-বোৰ নুবুজিও বুজিব লগা হয়। হয়তো বহুত ক্ষেত্ৰত নিজৰ মৌলিক চিন্তা চেপা খাই পৰে। তেখেতক কোনেও নুবুজক। তাত তেখেতৰ আক্ষেপ নাই। কেৱল নিজক আৰু আচল মানুহখিনিক বুজিব পাৰিলেই তেখেত কৃতাৰ্থ হ'ব।

আজি তেখেতৰ কাৰণে অতি সুখৰ দিন। কাইলৈ যাব এৰি অহা গাওঁখনলৈ। প্ৰকৃতিৰ মাজলৈ। সোণাই নৈৰ পাৰলৈ। বন-বিৰিণা আৰু হিজল গছৰ মাজলৈ। সোণা-ইৰ পাৰৰ বালিচহীয়া মাটিত নিজে কোৰ মাৰিব। গুটি গজাব। গাৱঁৰ মানুহৰ লগত সুখৰ দুখৰ কথা পাতি সিহঁ-তৰ লগত এক হৈ যাব। সোণাইৰ পাৰত চাগৈ এতিয়াও

কঁহুৱা বন আৰু উলুৱনিৰ মাজে মাজে হৰিণা পহুৱে লুকা-ভূকি খেলাযনে ? সেই মানুহবোৰ এতিয়াও ৰঙিয়াল হৈ আছেনে বাৰু ? তেখেতৰ মানত ঠাইখন সৰগ সৰগ লাগিছে। ভাবিছে, মানুহ যিমানেই প্ৰকৃতিৰ মাজৰ পৰা ফালৰি কাটি আহিছে, সিমানেই প্ৰকৃত মানুহৰ কথা বুজিব নোৱাৰা হৈছে। সেই প্ৰকৃত মানুহবোৰ, মিছা আৰু কপটালি নুবুজা মানুহবোৰ,—সিহঁত যে সোণাইৰে একোটি জিকিমিকি ঢৌ। "সিহঁতে চিৰকাল বঠা মাৰে, নাঙলৰ খুটিত ধৰি মাটি চহায, গুটি সিঁচে, পকা ধান কাটে। সিহঁতে কাম কৰে।" সিহঁতে আমাক জীযাই ৰাখে আমি সিহঁতৰ তেজ শুহিবলৈ চাওঁ। এযে কিজানি অৰাজনৈতিক অৰ্থত বহু প্ৰচাৰিত ৰাজনীতি।

তেখেতে সিহতৰ লগত হাল-কোৰ বাব। (তিনি কুৰিৰ দেওনা পাৰ হ'ল যদিও, হাল বাবলৈ জানো গাত বল নাই ? গাৱঁত হে যি মুকলি বতাহ, যেনেকৈ মুকলি মনেৰে থাকিব পাৰি, যিমানবোৰ নতুন শাক-পাচলি খাব পাৰি তাত সত্তৰ বছৰীযা মানুহেও হালবাই ৰাতি লৰা-ছোৱালীৰ দৰে শুই মনটো ফৰকাল কৰিব পাৰে।। সোণাইৰ বুকুত নাৱত চৰিব। শালি ধানৰ মাজে মাজে সৰু সৰু আলি দিব। দেহৰ শ্ৰমেৰে কৃষকৰ নিষ্কলুষ আনন্দ লাভ কৰিব। এইদৰে সিহঁতক ভুবছৰ বুজিব। তাৰ পাছত ? তাৰ পাছত জানো অন্তৰ শুদ্ধ হ'ব ? যদি হয, তেনেহলে কৃষকৰ তেজ লৈ আকৌ দলে বলে দেশৰ কামত লাগিব। ৰাজনীতিৰ

কুষ্ঠ অবয়বত প্ৰসাধনৰ ৰহণ বুলায়।

—"মহাকাল সিংহাসনে
সমাসীন বিচাৰক শক্তি, দাও, শক্তি দাও
মোৰে,
কণ্ঠে মোৰ আনো বজ্ৰবাণী, শিশুঘাটী
নাৰীঘাতী
কুৎসিত বিভৎস পৰে ধিক্কাৰ হানিতে
পাৰি যেন—"

এস্, তেখেতে এইবোৰ কি ভাবিছে? ব্ৰহ্মপুত্ৰৰ পানীয়ে খলপীয়া, কঁহুৱা আটি আৰু চাবুকধৰা গাওঁ বুৰাই পেলায়। খেতিয়কৰ অৱস্থা দলনিৰ পোনা হয়। উত্তৰকালে জানো মথাউৰি এটা হ'ল? সিফালে দুটা পাঁচ বছৰীয়া আঁচনি শেষ হৈ গ'ল। ভেক কেঞাই এতিয়াও কিজানি সিহঁতৰ তেজ চুহি আছে। সি 'চাদাই' দি মানুহক ধৰুৱা কৰালৈকে সিহঁতৰ কল্যান নাই। এই চাৰি বছৰ চাগে কোনো ক্ষমতাশালী মানুহে সিহঁতক খবৰ কৰিবলৈ যোৱা নাই। এই বছৰ কিজানি যাব। আকৌ ভোটৰ পৰ্ব্ব আৰম্ভ হ'ল। সিহঁতৰ তেনেহলে মূল্য মানুহ হিচাবেনে, সিহঁতে এথিলা কাগত ভোটৰ বাকচত গুজিব কাৰণে?

তথাপি হতাশ হোৱাৰ কাৰণ নাই। তেখেতে সিহঁতক বুজিব। নগৰমুখী সভ্যতাৰ নীচামি স্বাৰ্থপৰতা, নিজে বাচিবৰ কাৰণে উৎকট জটিলতা, ভণ্ডামি আৰু অহং ভাব—সকলো

সোণাইৰ পানীত ধুই মানুহক তেখেতে পূজা কৰিব পাৰিব। শ্ৰমৰ আনন্দ, মনৰ মমত্ববোধ আৰু ফল সিদ্ধিৰ সনাতন উপায়ৰ প্ৰচেষ্টাৰে আত্ম শুদ্ধ কৰিব পাৰিব।

"Do you know that in three or four hundred years all the earth will become a flourishing garden ?"

চেৰী আৰ্কাডৰ ঘোষণাৰ তালে তালে তেখেতৰ মন গুঞ্জৰি উঠিল। তেখেত আলোক পথৰ যাত্ৰী।

ঘৰত তেখেতে শেষ প্ৰস্তাব দিলে। তেখেত গাৱঁলৈ যাব। অকলে। ঘৰৰ তেখেতে একো খবৰ নৰাখে। কোনেও তেখেতক খবৰ কৰিব নেলাগে। তেখেত মুকলি-মূৰীয়া হবলৈ বিচাৰিছে। পুত্ৰ পৰিবাৰ আৰু নিজৰ অহং সত্ত্বাক বাদ দি মানুহৰ পৰম ব্ৰহ্ম সাখ্যাত লীণ হ'বলৈ কৃচ্ছ্ৰসাধন কৰিব খুজিছে। তাত কোনেও অন্তৰায় সৃষ্টি কৰিব নোৱাৰে।

পুতেক দুজনে এই শেষ অভিমত শুনি কান্দিলে। কিন্তু একো নক'লে। কাৰণ ঘৰৰাই আগতেই কৈছিল যে তেওঁলোকৰ জীৱিকাৰ সংস্থান আছে যেতিয়া তেখেতৰ কৰ্ত্তব্য শেষ হৈছে। পত্নী শীতলাই গোটেই বেলা উচুপিলে।

শেষত ক'লে—মযো লগতে যাওঁ। (স্বামী এ, নকৰা তোমাৰ লগত স্বামী খাটো বনবাস হে)

—তুমিতো মোৰ লগত যোৱাৰ কোনো প্ৰযোজন নেদেখোঁ ?

ল'ৰাই ঘটিব পৰা হৈছে। তদুপৰি তোমাৰ হাততো জমা টকা আছে। চলিবলৈ একো টান নহ'ব।

তেনেহলে তুমি মোক একেবাৰে বুজিব নোৱাৰিলা। তুমি মোৰ ওপৰটোহে দেখিলা, মনৰ ভিতৰ খনলৈ সোমাব নোৱাৰিলা। (মনতে ঃ প্ৰয়াণৰ সময়ত শঙ্কৰক পুতেক ৰামানন্দই সুধিলে—পিতা, মোলৈ কি এৰি থৈ গৈছে? শঙ্কৰ গুৰুৱে নুবুজা ভাও জুৰি ক'লে—বহুতো এৰি থৈ গৈছোঁ। মাটি-বাৰী ধন-সোণ, বহুতো।

ৰামানন্দই বেছি বেজাৰ পালে। তেখেতে পার্থিব অৰ্থত এই কথা সোধা নাছিল। তেখেতে পৰমাৰ্থৰ জ্ঞান বিচাৰিছিল।)

—মোৰ তাত বহুত কষ্ট হ'ব। মানুহৰ লগত হাল বাম, কোৰ মাৰিম। সিহঁতৰ জুপুৰী পঁজাত ৰোগীক পৰ দিম। তুমি নোৱাৰিবা।

শীতলাই অসহায় হৈ ফেঁকুৰিলে। কি নিষ্ঠুৰ মানুহ জন?

—মোক তুমি নিবই লাগিব। ন'হলে মই কেনেকৈ থাকিম? এতিয়া বুঢ়ী হ'লো। শেষত লগে ভাগে মৰিবলৈও নেপাম। মই কিহৰ শান্ত্বনাত বাচি থাকিম? তুমি মোক পত্নী বুলি নেভাবি যিকোনো এজনী তিৰোতা বুলি ভাবিছা। (তিৰিয়ে পুৰুষে হ'বা এক মতি। তেবেসে সিজিব হৰিত ভকতি॥)

বৰুৱা ভালেমানপৰ মনে মনে থাকিল। তেখেত উভয় সংকটত পৰিছে। তেখেতে কি উদ্দেশ্যে ওলাইছে, শীতলাই জানো বুজি পাব? শঙ্কৰ গুৰুৱে 'ব্ৰহ্মাণ্ডক ভেদি' নাম-ধৰ্ম প্ৰচাৰ কৰিলে, কিন্তু নিজৰ পত্নীক জানো শৰণ দিলে? কৰ্ম্মজীৱনৰ প্ৰথম পৰ্য্যাযত কিজানি তিৰোতা পযমালহে। সিহঁতে স্থিৰীকৃত প্ৰকৃতিৰ ব্যতিক্ৰম কৰিব নোৱাৰে। তথাপি ভৰা কথাবোৰ বিপৰীত ব্যাখ্যা দিয়া কেইবাটাও সংস্কৃতৰ শ্লোক মনলৈ আহিল।

শীতলা বৰুৱাই আকৌ ক লে—চোৱা বিযাৰ এবছৰৰ পাছৰেপৰা তুমি মোক অকলশৰীযা কৰি ৰাখিছা। আন্দো-লনত ঘূৰি ফুৰি বছৰ বছৰ জেল খাটি মোক তুমি নিঠৰুৱা কৰি ৰাখিলা। স্বৰাজৰ পাছতো তুমি ৰাজকীয ক্ষমতা ল'লা। তোমাক মানুহে দিনে নিশাই আবৰি ৰাখিলে। মোৰ লগত এঘণ্টা কথা পাতিবলৈও এযুগৰ ভিতৰতো তোমাৰ সময় নোলাল। এতিযা আকৌ ঘৰ চাপিছিলা। দুযো একেলগে থাকি মৰিম বুলি ভাবিছিলোঁ। কিন্তু তুমি ত্যাগ কৰিলা। তুমি ওৰে জীৱন সাঁথৰ হৈ থাকিলা।

শীতলাৰ কথাখিনি বৰুৱাৰ মানত একে উশাহতে কোৱা যেন লাগিল। শীতলাই এইবাৰ ভৰিত হুলে বিন্ধা সৰু ছোৱালী এজনীৰ দৰে হাওঁ হাওঁ কৰে কান্দিলে।

বৰুৱাৰ বৰ দুখ লাগি গ'ল। তেখেতৰ শীতলাক এজনী আঁজলী ছোৱালী যেন লাগিল। মনত একেলগে দুটা কথাই

খোপনি পিটিলে। সাতাইশ বছৰৰ অগেতে হোমৰ গুৰিত উচ্চাৰণ কৰা কিছুমান মন্ত্ৰ আৰু এজনী নাৰীয়ে গাভৰু হৈ, মাতৃ হৈ, শেষত বুঢ়ী হৈ তেখেতক একাগ্ৰ চিত্তে ভাল পোৱাৰ অপাৰ্থিৱ গৰিমা।

তেখেতে থোকাথুকি মাতেৰে ক'লে—এৰা মই ভুলেই কৰিছিলোঁ। তুমি মোৰ লগতে ওলালে বহুত কাম হ'ব। তোমাক অবিচাৰ কৰিছিলোঁ।

তেখেতে শীতলাৰ চকু পানী মচি দিলে,—অতি দৰদী হাতেৰে। দুয়োৰে মুখ দুখনি সলজ্জ ডেকা-গাভৰুৰ অনিবৰ্চনীয় বেদনামৰ্ম্মৰ প্ৰেমৰ মোহন মূৰ্ত্তিৰে যেন অজন্তাৰ ভাস্কৰ্য্যৰ লগত মিলি গ'ল।

শীতলা আৰু সুবোধ বৰুৱাই জীৱনৰ নবীন যাত্ৰাৰ উদ্দেশ্যে সোণাইৰ পাৰলৈ ওলাল। আগতে নিজৰ চহৰখনলৈ আহিলে ঘৰৰ বাৰান্দাৰ বেঞ্চিত তেখেতক লগ পাবলৈ ব্যাকুলভাবে বহি থাকে—জিলাখনৰ গণ্য-মাণ্য মানুহ, পাৰমিট বিচৰা লক্ষপতি মহাজন, চাকৰী বিচৰা বিশ্ববিদ্যালয়ৰ কৃতী স্নাতক আৰু খৰৰ বিচাৰি জীৱিকা উলিওৱা মানুহ। আজি কিন্তু কোনো নাই। এই বস্তুবাদী মানুহৰ মানত সুবোধ বৰুৱা এটা অতীতৰ নাম।

তেখেতে যাবৰ সময়ত হাতত ল'লে এখন গান্ধীজীৰ ফটো। খুব ইঙ্গিতময় সেই ফটো।—নঙঠা ফকিৰে হাতত

লাঠি লৈ অকলে অকলে বাট বুলিছে। সেৱা সুন্দৰ আৰু সত্যৰ অনুসন্ধানৰ সেন্দুৰীয়া বাট। এইখন ছবিযেই তেখেতৰ সাৰথি। ছবিখনৰ পৰা মহামানবে যেন তেখেতক কবিগুৰু ৰবীন্দ্র নাথৰ ভাষাত আপোন সুৰৰ নন্দনত্ব সানি কৈছে—

যদি তোৰ ডাক শুনে কেউ না আসে
তবে একলা চল ৰে ···

যেন আন্ধাৰত জোৰ-বাতি ধৰিছে সেই গান্ধীৰ ছবিখনে। দুই বুঢা-বুঢীযে উৎসাহেৰে বাট বুলিছ। গাৱঁলৈ। সোণাইৰ পাৰৰ ৰ'দ জিকিমিকি পানী, চিকিমিকি মানুহৰ অন্তৰ স্থল, ভেদ কৰি সোণ বুটলিবলৈ। মানুহৰ পৰম ব্ৰহ্ম প্ৰাণৰ লগত লীণ হ'বলৈ।

• • • •

·· ১৯৪৭ চন। জুৰমন পণ্ডিতক দৰমহাৰ পইচা কেইটাই এপষ খাবলৈ জুৰিছিল। বাকী এপষ খেতিৰ ধান, বাৰীৰ ফল-মূল বেচি ভালকৈ চলিব পাৰিছিল। লৰা-ছোৱালী তিনিটাই দিনে এপোৱাকৈ গৰুৰ গাখীৰ খাবলৈ পাইছিল। ঘৈণীয়েক সুভদ্ৰাৰ চেহেৰাটো নতুন জীযাৰীৰ দৰে। জুৰমন পণ্ডিতে ল'ৰা-ছোৱালীক পঢ়ুৱাই ভাল পায়। বছৰেকত এটাকৈ ল'ৰাই বৃত্তি পাই আছে। জুৰমন পণ্ডিতৰ চাৰিওফালে বৰ নাম। স্বাধীনতাৰ পাছত দৰমহা বেছি হ'ব বুলি তেওঁৰ মনটো উজ্বল। স্বাধীনতাৰ পাছত পঢ়ুওৱা ল'ৰাবোৰ চাগৈ বৰ ডাঙৰ মানুহ হ'ব। ··

তিলক সূত্ৰধাৰী বৰ সৰবৰহী মানুহ তেওঁ নহলে গাওঁখনত বিয়া-সবাহ, বিয়া-ভাওনা নহয়েই। সূত্ৰই এইবাৰ বিয়া কৰালে। হওক তেও, ছোৱালীজনী বৰ ধুনীয়া। সূত্ৰৰ ল'ৰা হলে সিও গীতে মাতে গন্ধৰ্ব হ'ব।

এইবাৰ গাৱঁৰে এটা ল'ৰা আই এ পৰীক্ষাত প্ৰথম হ'ল, সি বিজয় হাজৰিকা (গাৱঁত বিজু) গাৱঁৰ মুকুতা। জুপুৰীয়া হাবিতো বাঘ থাকে। গাৱঁৰ ল'ৰাবোৰৰ ভৱিষ্যত উজ্জ্বল।

গাৱঁত এইবাৰ এখন হাইস্কুল হৈছে। এতিয়াৰেপৰা ইংৰাজী নজনা ল'ৰা পাবলৈ নহ'ব। ·

১৯৬০ চন। কিবা দেশ-কাল গুচিল দিয়ক। ঘোৰ কলিৰ যুগ। দেশত মানুহ বেছি হৈছে, গছ-গছনি কমি আহিছে। ধানেও ভালকৈ থোক নকটা হ'ল। ভাই-ককাইবোৰ বেলেগ হোৱাৰ কাৰণে মাটি ভাগ হৈ হৈ এচমকা এচমকা হৈছে। বলদ হাল ঘূৰাবলৈকে ঠাই নহয়। এতিয়া খেতি চহকীৰ মানুহৰ ল'ৰাই হাল বাব নলগা হ'ল। হাল বায়ো লাভ নাই। সিহঁত চহৰত গৈ পিয়ন চকিদাৰ হৈছে। সিফালে কেও কিছু নথকা লিখা পঢ়া নজনা, পাপ কৰি খেলৰ পৰা এৰৰীয়া হোৱা মানুহ একোটাই দিপ্লিপ অট্টালিকা সাজিছে। সিহঁতে হেনো 'কলা বজাৰ' বুলি এটা অচিন বেপাৰ কৰে।

জুৰমন পণ্ডিত ছকুৰি বছৰ নৌ হওতেই বুঢ়া হ'ল।

চকুত ডাঠ বিত-চকু বহিল। এবেলা হাল বাই এবেলা টোপনিযাই টোপনিযাই ল'ৰা পঢ়ায়। নিজৰ ল'ৰা কণফুলে মাইনৰ পাছ কৰাৰ পাছত পঢ়ুৱাব আৰু নোৱাৰিলে। মাচুল দিলে ভাতৰ চৰুলৈ জুই নেযাব। বুঢ়ী গাইজনীযে ডেৰ পোৱা গাখীৰ দিযে। ডুবছৰীযা ল'ৰা এটিৰ বাবে মাহত তেৰটা বেমাৰ যদিও, গাখীৰ ডেৰ পোৱা নেবেচিলে উপায নাই। তাবে চাউল কিনে, নিমখ কিনে। মাছ কিনিবলৈ যোৱাৰ কথা মনতে নপৰে। জুৰমন পণ্ডিতে স্কুলত ল'ৰা বোৰক গৰু গাধ বুলি গালি পাৰে। কোনো ল'ৰাই বৃত্তি নেপায। তেওঁৰ দৰমহাৰ পইচাতকৈ বস্তুৰ দাম পাঁচ গুণ বাঢ়ে। তেওঁ পঢ়ুৱা ল'ৰাবোৰৰ প্ৰাযবোৰ বাপেকৰে খেতিৰ ধানে চাৰি মাহহে যায। বাকী আঠ মাহ কেনেকৈ চলে, ভগৱানেহে জানে।

তিলক সূত্ৰধাৰীয়ে হেনো গীত-মাত সকলো পাহৰিলে। ভোকৰ ভাত মুঠি নহলে হেনো সঙ্গীতৰ দৰে দেউবিদ্যা খামোচ মাৰি ধৰিব নোৱাৰি। তেওঁৰ চৈধ্য বছৰীয়া ল'ৰা কুমু আৰু বাৰ বছৰীযা সোমবৰে মাটি তোলা কামত হাজিৰা খাটিছে।

আই, এত প্ৰথম হোৱা আৰু সুখ্যাতিৰে বি, এ পাছ কৰা বিজয় হাজৰিকাই চলিব পৰা চাকৰি এটা নেপাই এতিয়া ৰাজনীতিত নামিছে। ...

গাৱঁৰ হাইস্কুলৰ পৰা পাছ কৰি ল'ৰা ভালেমানে কলেজত

পঢাৰ উপায নেদেখি গুৰু গোঁসাই নমনা হৈছে ।··

ইত্যাদি । ইত্যাদি । এয়ে সোণাইপৰীয়া গাৱঁৰ এযুগৰ বুৰঞ্জী । সোণাই পৰীযাৰ সোণ বিচৰা মনত কেতুৰে বাঁহ ল'লে ।

গাৱঁলৈ গৈ সুবোধ বৰুৱা হতাশ হৈ পৰিল । তেখেতৰ বহুত কাম । তেখেতে বহুত কৰিছে । ছমাহৰ ভিতৰত ভালেমান কৰা হ'ল । আশ্ৰমখন বেচ জাক্ জমক হৈছে । তেখেতে মানুহৰ অন্তৰ জয় কৰিছে, কিন্তু সিহঁতৰ দাৰিদ্ৰ্য জয কৰিব পৰা নাই । সিহঁতৰ লগত হাল বাইছে, কোৰ মাৰিছে, পকা ধান কাটিছে । সিহঁতক পৰামৰ্শ দিছে । কিন্তু সিহঁতৰ প্ৰতি বেদনাই তেখেতক বাণবিদ্ধ কৰিছে । তথাপি তেখেতৰ দুখ নাই । সেৱাই তেখেতক নিকা কৰিছে । মানুহৰ সেৱা মানুহৰ পূজা । তেখেতে জীৱনত নতুন অভিজ্ঞতা লাভ কৰিছে । মানুহ যে কি আচৰিত বস্তু । এই মানুহবোৰ । ইহঁত দৰিদ্ৰ । ইহঁতে ভৱিষ্যত বুলি বস্তু এটা বিচাৰি পোৱা নাই । তথাপি ইহঁত ইমান সৰল, ইমান ধৰ্ম্ম ভীৰু । ইহঁতে ইমান সোনকালে তেখেতক দেৱতা বুলি ভাবিব পাৰে ? অথচ এই বিক্ষোভ হীন মানুহখিনিকে যুগে যুগে এক শ্ৰেণী মানুহে ঠগি আহিছে ।

শীতলাই বৰুৱাৰ লগত তাল মিলাব পৰা নাই । আশ্ৰমতে আছে যদিও বৰুৱাৰ সকলো কথাতে লগৰীয়া হোৱা নাই । তেওঁকো বাইজে বৰ ভাল পাইছে, দেৱী গোঁসানী

বুলি ভাবিছে। তেওঁৰ মহা আনন্দ। মানুহৰপৰা আচল মৰম পোৱাত যে কি আনন্দ। তেওঁ ইমান আদৰ ক'তো পোৱা নাছিল।

তথাপি বৰুৱাই তেওঁক সন্দেহ কৰে। বেচি কাম কৰিবলৈ নিদিয়ে। মাথোঁ কিতাপ পঢ়িবলৈ কয়। শীতলাই বেছি নপঢ়ে। মানুহৰ মাজত ঘূৰি ফুৰিবলৈ বেচি ভাল পায়। তথাপি শীতলা থকাৰ কাৰণে তেখেতৰ বৰ সুখ হৈছে। তেওঁ বৰুৱাৰ ভাত ৰান্ধি দিয়ে। ভাগৱত আহি ওলালেহি ভৰি-হাত পিটিকি দিয়ে। অকলশৰে বৰুৱাক পালে অতীতৰ কথা দুই এটা মনত পেলাই দি মৰহা মোহৰ লেছেৰি বোটলে। বৰুৱাৰ ক্লান্ত প্ৰাণটোৱে জীপ পাই উঠে।

শীতলাজনী গাৱঁৰ শাক-পাচলি মাছ-পুঠি খাই আৰু মুকলি বায়ু পাই পূৰঠ হৈ পৰিছে। সোতোৰাসুতুৰী ছালখন নিমজ হৈ পৰিছে।

বৰুৱাই মাজে মাজে শীতলালৈ চাই ভাবে আৰু বৰ আনন্দ পায়।

এই ছমাহৰ পাছতে সোণাইপৰীয়া গাওঁখনে আকৌ নতুন ৰূপ ল'লে। বাহিৰৰ পৃথিবীৰ লগত সম্পৰ্ক হ'ল। আলিবোৰ শুকুৰাত মহাজনৰ জুমুকা লগোৱা বলদে টনা গাড়ীবোৰে গাওঁখন ৰজনজনাই পেলালে। মহাজনবোৰৰ মৰাপাট আৰু ধান সৰিয়হৰ বেপাৰ কৰাৰ দিন আহিল।

আৰু ৰবৰ্দৈচিলাৰ দৰে হুৰমূৰ কৰে সোমাই আহিল

ভোটৰ পৰ্ব্ব। খৰালিৰ ৰ'দে বোকা পানী শুকুৱাই ৰখা আলিবোৰ ধুনীয়া ধুনীয়া মটৰৰ শোভা-যাত্ৰা আৰম্ভ হ'ল। ধুনীয়া ধুনীয়া সভা সমিতিত ধুনীয়া ধুনীয়া কথা কোৱা হ'ল। সোণাই পৰীয়া গাৱঁত অকাল বসন্তৰ সৃষ্টি হ'ল। কাম-বন নোহোৱা ডেকা কিছুমানে গণতান্ত্ৰিক অধিকাৰ যেন এইবাৰহে বুজি পালে। সিহঁতৰ সময় কটাবলৈ এটা চল ওলাল। পৰচৰ্চ্চা প্ৰিয় মানুহ কিছুমানৰ মুখ খজুৱতি মৰাৰ চেলু ওলাল। আমি বামুণ থাঁকোতে এটা 'শূদিৰ'ৰ ল'ৰাক 'মেম্বৰ কৰিমনে ?"

—"তাক ভোট দি আমি ডুবিম। পঁাচ বছৰে জানো মথাউৰিটো সজাই দিব পাৰিলে ? বামুণৰ নোমে প্ৰতি বুদ্ধি।" —সেয়া কোনোৱা শূদিৰৰ মত।

তথাপি ভোটৰ দিন আহিলে সোণাই পৰীয়া ৰাইজে ভাল পায়। এই কথা বৰুৱায়ো গম পাইছে। আটাইতকৈ ভাল গম পাইছে শীতলাই। শীতলা বৰুৱা হেনো ইতিমধ্যে সুবোধ বৰুৱাই গম নোপোৱাকৈ সভানেত্ৰীও হৈছে। বৰুৱাই অনুমান কৰিছে যে গাৱঁৰ একে সুৰীয়া জীৱনত ভোট-পৰ্ব্বই বৈচিত্ৰ্য আনিছে কাৰণেই মানুহৰ ইমান উলহ-মালহ। সিহঁতে সেন্দুৰীয়া ভৱিষ্যত দেখি মুখৰ হৈ পৰা নাই কিজানি। মাৰোৱাৰীৰ ট্ৰাকত চিঞৰি চিঞৰি ডেকা গাভৰু কৰ্ম্মীৰ দল আহে ভোটৰ শ্লোগান গায়। ৰাইজক দলৰ মতামত বুজায়। বক্তাৰ বক্তৃতাৰ ফুলজাৰিত ভৱিষ্যতৰ সোণাই পৰীয়া গাওঁ-

বোৰে অগ্ৰাৱতীৰ ৰূপ লয়।

সুবোধ বৰুৱাই অতীতৰ কথা সোঁৱৰে। তেখেতকো ৰাইজে উলহ-মালহেৰে ভোটৰ পৰত জিকাইছিল। কিন্তু তাৰ ফল কি হ'ল? আজি কালিৰ মানুহবোৰে উত্তেজনা বৰ ভাল পায়। বোধহয়, হৈ চৈ কৰি তাপিত মন শীতল কৰে।

নিৰব দ্ৰষ্টা হৈ বস্তুবোৰ লক্ষ্য কৰিবলৈ তেখেতে বৰ ভাল পালে। কোন সমষ্টিত কোন কোন উঠিব এতিয়াও চূড়ান্ত ঘোষণা হোৱা নাই। তথাপি গাওঁবোৰ গণতন্ত্ৰৰ আচিলা হৈ দেওধাই নাচনী হৈ পৰিছে। চাৰিওফালে স্পষ্ট হৈ পৰিছে অনমুমেয় পেৰাডক্স। চোৰাং বেপাৰীয়ে জাতীয় স্বাৰ্থৰ বক্তৃতা দিছে, স্বাৰ্থান্ধলোকে বদান্যতাৰ অসাধাৰণ উদাহৰণ দেখুৱাইছে। শ্বাইলক্ ৰূপী বেপাৰীযে ধনৰ কঠিন গাঁঠি খুলিছে,—গপ:ত গাঙ্গাটোপ মানুহেও ধৰণীৰ ধূলি মাকটিৰ লেতেৰা পৰশ পোৱা অখ্যাত মানুহক চাটু-বাক্যৰে ভুলাই পেলাইছে। কি অদ্ভুত কাণ্ড। সুবোধ বৰুৱাই আপোন মনে হাঁহিছে। যিবোৰ মানুহে তেখেতক অনবৰত সকলো কামলৈ লগ লয় আৰু দেৱতা জ্ঞান কৰে, সেইবোৰ মানুহক এতিয়া লগ পাবলৈ বৰ টান হৈ পৰিছে। শীতলা বৰুৱাকতো ঘৰতেই পাবলৈ নোহোৱা হ'ল। ৰাতিহে এঘণ্টা-মান কথা পাতিবলৈ পোৱা যায়। কথাবোৰ কিন্তু আগৰ দৰে মধুৰ নহয়। সেইবোৰ বৰ গধুৰ গধুৰ। যেন শীতলা

নহ'লে দেশৰ ভৱিষ্যত অতি অন্ধকাৰ।

—শীতলা, চকমকীয়া মানেই সোণ নহয়।

—ঠাট্টা নকৰিবা তোমাৰ লগতেই দেশৰ কাম কৰিম বুলি আহিলো আৰু কামো কৰিছোঁ। তথাপি তুমি মোক ঠাট্টা কৰা।

—ঠিকেই কৰিছা। মই মাথো কৈছোহে। মই ক্ষমতাত থাকোতে তোমাৰ কেনেকুৱা লাগিছিল ক'ব নোৱাৰো,—কিন্তু তুমি ক্ষমতাত থাকিলে মোৰ কেনেকুৱা লাগিব তাকেহে চাবলৈ বৈ আছোঁ। ক্ষমতা বৰ আচৰিত বস্তু।

সুবোধ বৰুৱাৰ এইখিনি কথা শীতলাই কাণ নকৰিলে। তেওঁৰ সময় নাই। মানুহ বিলাকে তেওঁক বৰকৈ লাগিছে। ইমান মানুহক বিমুখ কৰিব নোৱাৰি। কিন্তু তেওঁ স্বামীৰ পৰা অকণো সহায় পোৱা নাই। তেখেতে আকৌ এতিয়া নতুন কিতাপ এখন লিখাতহে হাত দিছে।

বৰুৱাৰ আকৌ সন্দেহ হৈ গ'ল। শীতলা ডাঙৰ মোহত পৰিছে। ক্ষমতাৰ মোহ, নিজক জাহিৰ কৰা মোহ। এই মোহ মানুহৰ স্বভাৱ-জাত। বোধকৰোঁ তিৰোতাৰ আৰু বেছি।

বৰুৱাই ক'লে—তুমি এইবোৰ ভেকো-ভাওনাৰ পৰা আঁতৰি থকাই মই ভাল দেখোঁ।

তেওঁ একো নেমাতিলে।

বৰুৱাই আকৌ ক'লে—আদৰ্শক প্ৰাণপণ কৰি ভাল নেপালে

আদর্শৰ মৃত্যু ঘটে। তুমি ভুল কৰিছা। বোধকৰোঁ মোকো বুজিব পৰা নাই। তুমি মোৰ লগত নহাহেঁতেন, মই বহুত ভাল পালোহেঁতেন।

বৰুৱাই আচল কথাই কৈছে। তেখেতে এৰি অহা দলটোৱে যদি শীতলাক নির্ব্বাচনত থিয় কৰাব খোজে, তেনেহলে সেই দলৰ স্বার্থ ৰক্ষা পৰে। সুবোধ বৰুৱাৰ নামত শীতলা জিকিব। সুবোধ বৰুৱাৰ নাম বিপৰীত ধৰণেৰে প্রচাৰ হ'ব। এই শেষ চেষ্টাটোও সাধুতাক নিষ্পেষণ কৰাৰ বুদ্ধি।

○ ○ ○ ○

ক্ষমতামত্তা শীতলাই বৰুৱাৰ কথাত প্রাধান্য নিদিয়া হ'ল। দুয়ো আগৰদৰে আৰু কথা-বতৰা নেপাতে। এতিয়া ৰান্ধনি ল'ৰা এটাইহে দুয়োকে ভাত ৰান্ধি দিয়ে। শীতলাক লগ পাবলৈ ভালেমান মানুহ আহে; যুদ্ধত বেপাৰ কৰি ধনী হোৱা মানুহ, মদ খাই বেহুচ হৈ বাটে ঘাটে পৰি থকা এক শ্রেণী ল'ৰা, কিছুমান মাৰোৱাৰী।

এদিন এখন ক্রুইক গাড়ীত জানকীৰাম ৰতন লাল কেঞা আহি শীতলাৰ লগত গোপনে কথা পাতিলে। দেখি সুবোধ বৰুৱাৰ খঙে চুলিৰ আগ পালেগৈ। যি শ্রেণীৰ মানুহৰ মুখ নেদেখোঁ বুলি তেখেত আহি গাৱঁত ঠাই লৈছেহি, সেই শ্রেণীৰ মানুহেই তেখেতৰ আশ্রমলৈ আহিছে কেৱল শীতলাৰ কাৰণেই।

তেওঁ শুনিবলৈ পালে,—জানকীৰামে কৈছে—মাইজী এক লাখ্ খৰচ কৰিলেই হ'ব।

শীতলাই সুধিলে—কেনেকৈ ?

—ধৰক, এইখন গাৱঁত ১০ টকাকৈ বহুত ভোট কিনিব পাৰি।

—গাৱঁত ডেকা দলটোক ২০০ টকাৰ মদ।

থিয়েটাৰ হলত এক হেজাৰ ।

ত স্কুলৰ কাৰণে দুহেজাৰ ।

বৰুৱাই কাণতুখন হেঁচি ধৰিলে। শীতলাও এনেকুৱা হ'ব পাৰে ? এৰা, এই যুগত এয়েহে সম্ভৱ। নিশ্চয় এই যুগত তেখেতহে অসম্ভৱ,—বহুতৰ মানত অদ্ভুত এব্‌নৰ্ম্মেল।

জানকীৰাম ৰতনলাল যোৱাৰ পাছত সুবোধ বৰুৱা শীতলাৰ ওচৰত উগ্ৰ মূৰ্ত্তি লৈ থিয় দিলে আৰু ক'লে তুমি কি কৰিব খুজিছা ?

শীতলাই অকণো ভয় নকৰি ক'লে—এই সমষ্টিৰ পৰা মোকে ষ্টেণ্ড্ কৰাব খুজিছে। মই মতামত দি দিলোঁ।

—সেই কাৰণে মোৰ অপমান নহ'ল ?

—নাই হোৱা অপমান। বৰঞ্চ তোমাৰ খ্যাতিহে বাঢ়িব।

ক্ষমতা আৰু সাময়িক মোহে শীতলাক ইমান আচ্ছন্ন কৰিছিল যে শেষৰ কথাখিনি বৰ নিৰ্ভীক ভাৱেই ক'লে। সুবোধ বৰুৱাই আৰু কথা নক'লে। বুজাই আৰু লাভ নাই। কাৰণ গীতাত কৈছে—বুদ্ধিনাশাৎ প্ৰনশ্যতি।

হয়তো শীতলাৰ নামত হেজাৰ হেজাৰ টকাৰ 'চেক্' আছিল। সুবোধ বৰুৱাই একো খবৰ নকৰিলে। গাৰঁত থকা কেইমাহৰ ভিতৰতে তেখেতে নিৰাসক্ত হ'বলৈ শিকি পেলালে। পাছদিনাৰ পৰা সকলোৱে গম পালে যে ঋষি তুল্য সুবোধ বৰুৱাই মৌনব্ৰত অৱলম্বন কৰিছে আৰু অনশনো কৰিছে—মৌনব্ৰত লৈছে আত্মাক উন্নীত কৰি জনতাৰ ধমনীৰ স্পন্দন উপলব্ধি কৰিবৰ বাবে আৰু অনশন কৰিছে শীতলাৰ আত্মাৰ শুদ্ধিৰ উদ্দেশ্যে।

———

নাটকীয়

—এনে দিন আহিব, কুলিয়ে কা-কা কৰিব আৰু কাউৰীয়ে পঞ্চম ৰাগিনী তুলিব।

খেৰৰ জুমুঠিটো অলপ পৰ মাটিত থৈ মানুহটোৱে কঁকালৰ খোচনিৰ পৰা তামোল উলিয়ালে আৰু লগৰ মানুহটোকো দিলে। জুমুঠিটো এহাতে লৈ গামোচাখন ডিঙিত মেৰিয়াই ল'লে। ইটো মানুহে ক'লে—এৰা, আমিও তেনে যেনেই পাইছোঁ।

মই প্াছে পাছে আহি আছোঁ বুলি সিহঁতে ক'ব নোৱাৰে। সিহঁতৰ আলোচনা শুনিবলৈ বৰ মন গ'ল। জুমুঠি লোৱা মানুহটোৱে কলাফুলহালত তেল ঘঁহি আহিছে। তল কালে বৈ অহা তেল অলপমান ওপৰ ফালে ঘঁহি ক'লে—কাউৰীয়ে যদি নিজৰ মাতটোক ৰৰগীত বুলি ভাবে, আমাৰ মাতটো তেনেহলে ৰৰগীতৰে আচলটো। একেবাৰে 'ধনচিৰি'।

ইটো মানুহে ক'লে—আৰু কাউৰীয়ে নিজক ইমান কুৰূপ বুলিও নেভাবে। ম'ৰা চৰাই বুলিহে ভাবে।

মই কথাখিনিত বৰ ৰগৰ পালোঁ। কলাফুলত তেল ঘঁহলৈ ইহঁত নিশ্চয় মবাপাট বখলিয়াবলৈ যাব। এতিয়া ইহঁতে পাতিছে কাউৰী, কুলি আৰু ম'ৰা চৰাইৰ কথা

ইহঁত এনেকুৱা কোমল মনৰ হলে দেখোন গোবোৱা মৰা-পাটৰ তলৰ পানী শুকাই কৰ্কৰীযা মাৰিব। ইহঁত আটাযে মোক চিনি পায। এইখন গাৱঁত কাম কৰা প্ৰায এবছৰেই হ'ল।

পাছ ফালৰপৰা মাত দিলোঁ—ককাই, কিনো কুলিযে কা-কা কৰাৰ কথা কৈছা?

এটাই পাছ ফালে চাই ক'লে,—অ' 'গাৰাম' বাবু! আপুনি হ'বলা পাছে পাছে বাঘ চিকাৰীৰ দৰে আহি আছে!

—তেনেকৈ অহা নাই দিযা। বেগেৰে আহি এতিযাহে লগ হৈছোঁ। বোলো, কি ক'লা? কুলিযে কা কা কৰিব, কাউৰীযে পঞ্চম ৰাগিনী গাব?

জুমুঠি নোলোৱাটোৱে ক'লে—গাৰাম বাবু, (মানে গ্ৰাম সেৱক) আপুনিতো চৰকাৰৰ মানুহ। তথাপি লিখা-পঢ়া জনা মানুহ কাৰণেই কওঁ। এই কেই বছৰ ভোজবাজি দেখি চকু থহ্ থহাই গৈছে। পৰ্ভাত মৌজাদাৰে আকৌ এতিয়া ৰাগ-ৰাগিনীৰ কথা কয। শঙ্কৰ দেউৰ তিথিত নাট এখন গোৱাৰ কথা সিহে কৈ ফুৰিছেহি। আমি ভাজ্ৰুপ। মদপীয়ে চাণ্ড-দানা খোৱাৰ দৰেই।

আচলতে ময়ো ভাজ্ৰুপ। পৰ্ভাত মৌজাদাৰক মই নিচিনা নহয। গাৱঁৰ মানুহখিনিক তেওঁ বহুতীয়া গোলাম বুলিহে ভাবে। তেওঁৰ মানত ভাওনা-সবাহ, দৈত্যৰ মানত যাগ-যজ্ঞ। তেনেহ'লে এইবাৰ কথা বিষম। ভাওনা

পাতিব লাগে বুলি ঘৰে ঘৰে ঘূৰিছে যেতিয়া কিবা এটা উদ্দেশ্য আছে। হাঁইঠা মাটিত পৰিলেই দেশত দুৰ্য্যোগ।

তথাপি ক'লোঁ—শঙ্কৰ দেউৰ তিথিত ভাওনা-সবাহ পতাৰ ভাল কথা। তোমালোকৰনো ওফোন্দ পাতিবৰ কি হ'ল।

জুমুঠি হাতত লোৱাটোৱে ক'লে—ভাওনা-সবাহৰ কথা কওক, মোলোকাই সূত্ৰই, মানিক সাতোলাই, সুগন্ধ গায়েনে। পিছে ভূতৰ মুখত ৰাম-নাম কিয়?

ইটোৱেও যোগ দিলে—সি আকৌ মোক বুজাই—চিৰি গান্ধাৰ হেনো আটাইতকৈ ভাল ৰাগ। আমাৰ খোলৰ বোলতকৈ হেনো মণিপুৰী খোলৰ বোল বেয়া। ভাওনা সবাহেই হেনো অসমীয়া মানুহক সৰগৰ গন্ধৰ্ব্ব কৰি ৰাখিছে। নিশ্চয় এইবোৰ কথাত জেলেপীৰ পেঁচ আছে।

মই একো অভিমত নিদিলোঁ। আঁহফালি কথা ক'ব নোৱাৰি। সিহঁতৰ লগ এৰিলোঁ।

তিনি দিনৰ পাছত খবৰ পালোঁ, মৌজাদাৰে তিথিত ভাওনা পতাৰ কাৰণে এশ টকা দিম বুলি কথা দিছে। গাৱঁৰ মানুহো হেনো নাম ঘৰত আখৰা কৰিবলৈ গোট খায়। প্ৰতি দিনাই আখৰাত মৌজাদাৰেই সিধা দিয়ে। কথাটো শুনি সেই মৰা বখলিযাবলৈ ওলোৱা মানুহ দুটাক লগ পাবলৈ ইচ্ছা হ'ল। ঘৰটো কোনখিনিত ক'ব নোৱাৰোঁ। কেনেকৈনো ক'ব পাৰিম? সিহঁতক প্ৰায়ে পথাৰতে দেখোঁ। সিহঁত ককাই-ভাই নহয় যদিও দুয়োটা একেলগে পথাৰলৈ যায়।

আবেলি মোক মৌজাদাৰে মাতি পঠালে। যাব লগীয়া হ'ল। মৌজাদাৰে ক'লে—তোমাক মই পৰহিৰে পৰা খবৰ কৰি আছোঁ। এতিয়া আমাৰ কথা হ'ল—শঙ্কৰদেৱৰ তিথিত ভাওনাটো ডাঙৰকৈ পাতিব লাগিব। ওচৰৰ পাঁচখন গাৱঁৰ মানুহো মাতিব লাগিব। তুমিও আমাৰ এইবোৰ কামত হাত উজনি দিব লাগিব। অৱশ্যে ইযো তোমাৰ কৰ্ত্তব্যৰ ভিতৰতে পৰে।

মই 'হয়' বুলি শলাগৰ প্ৰযোজন-বোধ নকৰিলোঁ। এইটো কামত সোমাই দীঘল দীঘল বক্তৃতা শুনি শুনি কাণ দুখনে বহুত সহ্য গুণ শিকিছে। শলাগি নগ'লেও যে মৌজাদাৰে আৰু বহুত কথা ক'ব, মই ভালকৈ জানো।

—পাৰুল চাহ এটোপা তপতা, আই। আমাৰ দুয়োকে দুকাপ দে।

এইবাৰহে বিমোৰত পৰিলোঁ। এখেতৰ ঘৰত চাহৰ হুকুম হলে সহজে উঠি অহা টান। কাৰণ, মৌজাদাৰৰ জীয়াৰী পাৰুলে চাহ তপত নকৰে। কৰিব, মুকুল মহৰীয়ে। সি অৱশ্যে পোনকালেই তাৰ কাম কৰিব। কিন্তু নিজে চাহ কৰি আনিছে বুলি দেখুৱাবলৈ পাৰুলে চাহৰ পিয়লা থোৱা ফুলাম ফলিখন দহ বাৰমান মচিব। ফলিখনৰ ওপৰত থোৱা ফুলাম কাপোৰখন আলম বিলমকৈ পাৰিব। এইবোৰ কৰোতেই দহ মিনিট লাগিব। তাৰ আগতেও কিজানি পোচাক পিন্ধোতে আৰু মুখত বগা-বেঙুনীয়া ৰং লগাওতে পোন্ধৰ

মিনিট যাব। পঁচিশ মিনিট বা আধা ঘন্টাৰ পাছত, তাই ৰূপ কথাৰ পৰীৰ দৰে হাঁহি হাঁহি মুখত মিচিকি হাঁহি মাৰি আৰম্ভণিতে টেবুলত চাহ ঢুকাপ থ'ব। তেতিয়াও চাহত মুখ লগাব নোৱাৰি। চাহ ঢুকাপ ঐথে অলপ সেকা হৈ থিয় হ'ব আৰু ভাগৰ লগাব নেকৰে কৰি ক'ব—খাওক। তেতিয়াহে খাব লাগিব। গতিকে আজি মৌজাদাৰে সহজে এৰি নিদিছে। সিফালে মোৰ বহুত কাম। ঘৰ গৰুৰ তলৰ কেঁকুৰিটোৰ কাষতে হলধৰৰ ঘৰ। তাৰ ন মহীয়া কেঁচুৱাটোৰ যাওঁ যাওঁ অৱস্থা। সিফালে ঘৈণীয়েকজনীও নিশকতীয়া। তাইৰ বুকুৰ গাখীৰ বুকুতে নাইকীয়া হৈ গৈছে। হলধৰকো খবৰ কৰিবলৈ যোৱা মোৰ কৰ্ত্তব্য।

'মিক্সাৰ'দাল পকাই বহল মুৰটো জুইশলাৰ কাঠিৰে খুচি খুচি মৌজাদাৰে ক'লে—বুজিছা, দেশত এতিয়া তোমালোকৰ দৰে ডেকা ল'ৰাৰ ওপৰত ভাৰ বেছি পৰিছে। গাৱঁৰ ভাল কৰাই আটাইতকৈ ডাঙৰ কৰ্ত্তব্য। গাৱঁৰ মানুহক এতিয়া বুজাব লাগিব যে কেৱল ভাত মুঠি খাই জীয়াই থাকিলেই নহয়। ভালকৈ জীয়াই থাকিবলৈ হ'লে আমাক লাগিব শিক্ষা আৰু সভ্যতা। আৰু তাৰ গুৰি ধৰোতা হ'ল মহাপুৰুষ শঙ্কৰদেৱ। তেখেতৰ আদৰ্শৰেই আমি গাওঁবোৰ একগোট কৰিব লাগিব, শক্তিশালী কৰিব লাগিব।

মই এনেয়ে মুখখন লৈ বহি থাকিবলৈ পাই কলো, হয়,

উচিত কথাই কৈছে।

কিন্তু মোৰ এষাৰ কথা বৰকৈ মনত পৰিছিল! কবলৈ মনটো উচপিচাই আছিল। প্ৰভাত মৌজাদাৰৰ সমান জোৰৰ মানুহ হোৱা হ'লে ক'লে[redacted]হেঁতেন—সবাতকৈ ডাঙৰ হৰি-কথা, তাতোকৈ ডাঙৰ চা[redacted] কথা।

গভীৰ প্ৰবন্ধ এটা পঢ়ি যোৱাৰ ভঙ্গীত মৌজাদাৰে•কৈ গ'ল—উচিত কথা হয়। সকলোৰে; মানিব। কিন্তু আমি কৰিছোঁ কি? যি শঙ্কৰী কলা-কৃষ্টিয়ে সৰ্ব্বভাৰতীয় স্বীকৃতি পাইছিল, সেইবোৰ আপুৰুগীয়া বস্তুৰ অৱস্থা আমি কি কৰিছোঁ? সকলো চৰ্চ্চা এৰি পেলাইছোঁ। যি এই বিষয়ত হাত দিছে, তেওঁলোকেও সাধনা কৰা নাই। বৰদোৱাৰ সুৰৰ লগত হালধি আঁটিৰ সুৰ মিহলি হৈ বৰগীতৰ সুৰ কিবা হৈ পৰিছে। খোলৰ বোলতো সেইদৰে চাপৰ কম বেছি হৈ তালৰ লগত নিমিলা হৈছে।··

এইদৰে আৰু অলপ পৰ ক'লে। তাৰ সাৰাংশ হ'ল, তেখেতে মৌজাটো মাজু পুতেকৰ হাতত গটাই দি নিজে এইবোৰ কামত উঠি পৰি লাগিবলৈ ঠিক কৰিছে। শঙ্কৰ দেউৰ তিথিত ভাওনাটো ভালকৈয়ে পাতিব লাগিব। এই চাৰি পাচঁ বছৰমানৰ পৰা এইবোৰ কামলৈ বাইজে পিঠি দিয়া দেখি তেখেতৰ বৰ দুখ। কিন্তু এসময়ত হেনো এই-খন গাওঁ ভাওনাৰ কাৰণে বিখ্যাত আছিল।

পাকলে সাজি কাটি চাহ দিলেহি। দেউতাক কথাত

ব্যস্ত দেখি খাওক বুলি ক'বলৈ সুবিধা নেপালে। তাই যোৱাৰ পাছত চাহৰ কাপত মুখ দিলো।

তেখেতে সুধিলে—তুমি ভাও-চাও ল'ব পাৰানে নোৱাৰা?

মই কলোঁ—তেনেকৈ নোৱাৰোঁ। কিন্তু ভালকৈ খোল বজাব পাৰোঁ বুলি ভালেমানে কয়।

বেচ্ কথা। এইবোৰ চৰ্চ্চা থকা ভাল। অনভ্যাসে হত বিদ্যা। আজিৰ পৰা তুমি আখৰালৈ আহিব লাগিব। সকলোৱেই আহি ভাওনাটো ভাল কৰিব লাগিব। আমাৰ গাওঁৰ পুৰণি নাম-যশ ঘূৰাই পাব লাগিব। কি কোৱা?

—ঠিকেই কৈছে। আপোনালোকৰ দৰে মানুহ লাগিছে কিয় গাওঁৰ নাম-যশ নহ'ব?

মৌজাদাৰৰ ঘৰৰ পৰা আহিলোঁ। ভাবিলোঁ আখৰালৈ আজিৰ পৰা যাম। সময়টো কটাই ভাল লাগিব। মানুহৰ লগত বেচিকৈ মিলিবলৈ সুচল ওলাব।

° ° ° °

নামঘৰত মোলাকাই সূত্ৰই নাট মেলি বহি আছে। বাবটামান মানুহ গোট খাইছে। ময়ো গৈ ওলালোঁ। মৌজাদাৰ অহা নাই। আজি কিন্তু সকলো মানুহ অহাৰ কথা।

মই সুধিলোঁ—নাটখননো কি?

সূত্ৰধাৰীয়ে ক'লে—হংসধ্বজ।

মহাভাৰতৰ কোনখিনিত হংসধ্বজৰ কথা আছে এবাৰ মনত পেলাই চালোঁ। মনত নপৰিল। আমাৰ ফালে গাওঁত

এনেকুৱা নাট নেগায়। মহাপুৰুষৰ তিথিত তেখেতে লিখা নাটৰেহে ভাওনা পাতে।

নামঘৰটো ঘোপ মৰা। মিঠা তেলৰ চাকিৰ খীণ পোহৰতে ওচৰৰ বাঁহতলীৰ মহবোৰ আহি উৎসৱ পাতিছেহি। সিহঁতৰ উৎপাতত অকণো ৰক্ষা পোৱা নাই। ছুটামানে পৰিতালৰ ঘাঁত এটা জুৰিলে। একুট গীতো গোৱা হ'ল। হৰিৰ নামৰ মহিমা শুনি ভূত-প্ৰেতৰ দৰে মহ নপলাল। ভক্তৰ তেজ পিবলৈ আনন্দত নচা-বগা কৰিবলৈ লাগিল। এঘণ্টা মহৰ কামোৰ খাই বহি থাকিলোঁ। এতিয়াও মানুহ অহা নাই। মানুহবোৰৰ একোলৈকে উৎসাহ নোহোৱা হ'ল। যি কেইজন বুঢ়া গোট খাইছে তেওঁলোকো আহিছে পুণ্য আৰ্জিবলৈ। নামঘৰত সেৱা এটি কৰি, হৰি নামৰ মহিমা কীৰ্ত্তন কৰি সিপুৰীত এখন আছুতীয়া আসন পাবলৈ। কিন্তু ভাওনাৰ নচা-বগা ভাল ভঙ্গীৰে বচন মাতি ভাওনা ভাল কৰা আদি কথাত অকণো উৎসাহ নাই।

অৱশেষত মৌজাদাৰ ওলালহি। তেওঁ ক'লে—খোলৰ মাত শুনি ভাবিছিলোঁ বহুত বাইজ গোট খাইছে। পিছে নামঘৰ বিঙা। উস্, ৰাম, এই মানুহ বিলাকৰ আৰু সজ কথালৈ মতিগতি ন'হব। চহৰতো দেখিলোঁ খ্ৰীষ্টিয়ানবোৰ সদায় গীৰ্জালৈ যায়, মুছলমানবোবো মজিদলৈ যায়। আমাৰবোৰকহে নতুন বতাহে পাইছে।

সূত্ৰই মাত লগালে—এই ডেকাবাহে বেয়ালৈ বুলি

আগলি কাটিছে, মৌজাদাৰ দেউতা।

কান্ধত খোল লৈ থকাটোৱে তাকে সমৰ্থন কৰিলে।

মৌজাদাৰে ক'লে—পিছে এতিয়া কি কৰাহঁক ?

সূত্ৰই ক'লে—এই কেইটা মানুহেৰে কি হ'ব, দেউতা মৰিশালীলৈ ইয়াতকৈ বেছি মানুহ যায়।

—হ'ব দিয়া। ইমান হতাশ হৈছা কিয় ? সকলোৱে খবৰ পোৱা নাই যেন পাইছোঁ। গায়ন আহিলনে নাই ?

এজনে ক'লে—গায়ন নাহে। মোক কৈছে, তেওঁৰ ঘৰ উকৰিছে। উদৰীত খেৰ কাটিবলৈ গ'ল। এসপ্তাহ অহাই নাই।

—হৰিশিঙাৰ কি হ'ল ?

আন এজনে ক'লে—তেৱোঁ অহাৰ আশা নাই। তেওঁ পাইপ লাইনৰ কোম্পানীত কাম বিচাৰি ফুৰিছে।

তথাপি মৌজাদাৰ হতাশ নহ'ল। আকৌ সু ধ'লে—সেই যে খুব ভালকৈ গোঁসাই ভাও লয়, এস্, নামটো কি, অ' মনত পৰিছে—মুকুন্দ। সি কিয় নাহে ?

—সি দেউতা লালীয়া কেঞাৰ দোকানত গোমোচ্তাৰ সোমাইছে। আজৰিকে নেপায়।

মৌজাদাৰে আৰু খবৰ লৈ জানিলে যে অৰ্জুন আৰু পুৰঞ্জয়ৰ ভাও দি সকলোৱে প্ৰশংসা পোৱা মহিম আৰু বসন্তও পাৰ'ত নাই। সিহঁত কোম্পানী এটাত ডি, ডি, টি চটিয়াই ফুৰা কামত সোমাল।

মৌজাদাৰক অলপ বিচলিত দেখা গ'ল। ক'লে—এই কোম্পানীবোৰেই মানুহক বলিয়া কৰিলে। সেই বুলি গাৱঁত মানুহ নোহোৱা হ'লনে? নল মৰিলেও গজালি ওলায়, কেকুৰা ধানৰ গুংটো গুচাই সিঁচি দিলেও পাছৰ বছৰ গুড়েৰে সৈতে থোক ওলায়। কি কোৱা সূত্ৰ?

—হয় দেউতা। শিকালে সকলোৱেই পাৰিব। মৰিচৰ অসাইধ কি আছে।

এজনে পৰামৰ্শৰ সুৰত ক'লে—দেউতা, কাইলৈ ঘৰে ঘৰে খবৰ দিওৱা হওক। তেতিয়াহে সকলো জনা যাব।

সেয়ে সিদ্ধান্ত হ'ল। মানুহ মতাৰ বাব মোৰ ওপৰতো পৰিল। ঘৰে ঘৰে কৈহে গ'লোঁ। কিন্তু কোনেও বেছি আগ্ৰহ নেদেখুৱালে। সেই জুমুঠি লৈ মৰা বখলিয়াবলৈ যোৱা মানুহটোক কওতে সি মোক ওভোটাই কিবা কিবি ক'লে। আপুনি গাৱাম বাবু হৈ এইবোৰ কি কৰি ফুৰিছে? মানুহৰ ঘৰে ঘৰে কি বিপদ আপুনি জানো জানে? ভাওনা পাতিলে জানো মৌজাদাৰে সিহঁতক ভোকৰ ভাত মুঠি দিব?

মই একো নকলোঁ। কাৰণ, এই ভাদ মাহটোত গাৱঁৰ অৱস্থা দেখিলে কোনেও দুখ নকৰি নোৱাৰে। ভালেমান মানুহৰ ভঁৰালত ধান নাই। ভালেমানৰ সলাই পিন্ধিবলৈ দুখনকৈ চুৰীয়া নাই। অভাবে ইহঁতৰ মন শুকান কলপটুৱা কৰিছে।

• • • •

তথাপি পাছদিনা একুবি মানুহ গোট খালে। মৌজাদাবৰ বৰ আনন্দ।

তেখেতে সুধিলে—বচনবোৰ লিখা হ'লনে?

সূত্ৰধাৰীয়ে ক'লে—নাই হোৱা। পিছে সেইবোৰ ভাৱৰীয়াই লিখি লিখি ল'ব। লিখিব পঢ়িব নজনাবোৰে সদায় আখৰা কৰিয়েই মুখস্থ কৰিব পাৰিব। আজি ভাও বিলালেই হ'ল।

ভাও বিলাবলৈ বৰ টান হৈ পৰিল। পুৰণা ভাৱৰীয়া এটাও অহা নাই। আহিছে কাম-কাজ নকৰা কেইটামান ধিতিঙা ডেকা। গতিকে নতুন মানুহকে প্ৰায়বোৰ ভাও দিয়া হ'ল। এতিয়া লেখা লাগিল হংসধ্বজ ৰজাৰ ভাওটো লৈ। এইটো ভাও নতুন মানুহক দিব নোৱাৰি। মুক্তাৱলী, পঁয়াৰ, বিলাপ এই সকলো বিলাকেই হংসধ্বজে মাতিব লাগে। নাটখনৰ মূল ভাও হংসধ্বজহে। নতুন মানুহক দিলে শংকৰ দেৱৰ তিথিত ভাওনা পতা নহ'ব। ইমান সোনকালে শিকিব নোৱাৰিব। এইটো অঞ্চলত হংসধ্বজৰ ভাও কৰিব পৰা মানুহ এটাইহে আছে। মানুহটো হ'ল বনমালী। সি আজি অহা নাই। তাক ঢুবাৰ খবৰ কৰিলে। সি কিন্তু নাহো বুলি ক'লে। বাইজেই ৰজা। সেই বাইজলৈ সি কেৰেপ নকৰে।

—মতি, তই বনমালীৰ ভালৈ গৈছিলি নহয়? এজনে সুধিলে।

—গৈছিলোঁ, বনমালীয়ে মোক চুই কিস্তাবলৈহে বাকী থ'লে।

মতি বোৰা ল'ৰাটোৱে উত্তৰ দিলে। মৌজাদাৰ গৰ্জ্জি উঠিল—বনমালীৰ ইমান সাহ! এতিয়াও তাৰ তুবছৰৰ খাজানা দিবলৈ বাকী।

তাৰ ঘৰ কোবোক দিয়াম। সি ৰাইজতকৈ ডাঙৰ হ'ল? সি আমাক পানীয়ে মৰা বাও বুলি ভাবিছেনে কি?

ৰাইজৰ এজনে ক'লে—আপুনি এতিয়া ইমান খং দেখুৱালে আমাৰ কাম নিসিজে। লাগে পাছতো কোবোক দিয়াওক। এতিয়া তাক জোকাই ল'লে সৰ্ব্বনাশ হ'ব। হংসধ্বজৰ ভাও তাৰ বাহিৰে কোনেও কৰিব নোৱাৰে।

খং নামে চাণ্ডাল বুলি জানি মৌজাদাৰ অনুতাপত ছাঁই হৈ গ'ল। ৰাইজৰ মাজত বনমালীৰ কথা ওলাল! স্বৰাজ পোৱা বছৰ বাৰ খেলৰ ভাওনা হৈছিল। বনমালীয়ে হংসধ্বজৰ ভাও লৈছিল। সি বৰ চাহাবৰ পৰা এটা সোণৰ মেডেল পাইছিল। ভাও শেষ হোৱাৰ পাছত ক'ৰ চুণ্ডৰ সত্ৰাধিকাৰে ভাও দেখি সন্তোষ পাই মূৰত ধৰি আশীৰ্ব্বাদ দিছিল—বোপাই তোৰ বজাৰ দ'ৰে ধন-সোণ হওক। ঈশ্বৰে তোক চকুমেলি চাওক। এতিয়াও হংসধ্বজৰ ভাওটো ৰাইজৰ নমৰে মানে মনত থাকিব। এইটো ভাওতকৈ সুখনাৰহে বচন বেছি। কিন্তু ভাও কৰিব জানে কাৰণেই হংসধ্বজৰ ভাওত বনমালীয়েহে সকলোকে চেৰ পেলায়।

মোলোকাই সূত্রৰ সেই ভাওনাটোৰ কথা মনত পৰাত মনটো বৰ কোমল হৈ পৰিল কিজানি। তেওঁ ক'লে—বনমালীৰ মগজটোও বৰ পৰিষ্কাৰ। ভাৱৰ সময় পৰিলেই কথাবোৰ টপ্ টপকৰে মনত পৰে। যেতিয়া ৰাজসূয় যজ্ঞৰ ঘোঁৰা ধৰি অনা হল, তেতিয়া হংসধ্বজৰ বীৰৰ বচন শুনি সমজুৱা নিতাল মাৰে। সি বনমালী সঁচাকৈয়ে নিজকে পাহৰি হংসধ্বজ হৈ পৰে। সেই মুখ দেখি ল'ৰা-ছোৱালী ভয়তে পেপুৱা লাগে।

আন কেইজনমানেও বনমালীৰ ভাও দিয়াৰ কথা উলিয়ালে। সেই ভাওনা নেদেখাবোৰে ৰূপকথাৰ আশ্চৰ্য্য অনুভৱ কৰিলে। অৰ্জ্জুনৰ ভাও এইবাৰ পাইছে কণল'বাই। তাৰ এইবোৰ শুনি বৰ উৎসাহ।

সি সুধিলে—সূত্ৰ কাই, বনমালীয়ে আটাইতকৈ কোনখিনিত ভাল কৰে? পুতেক সুধনাক তপত তেলত দিয়াৰ সময়তনে, যুদ্ধত শত্ৰুৰ সমুখাসমুখি হোৱাৰ সময়ত।

সূত্ৰই ক'লে—তপত তেলত দিয়াৰ সময়ত। যুদ্ধ আৰম্ভ হ'ল। সুধনা হ'ল আচল যোদ্ধা। বাহিৰত সেনাৰ কোলাহল। অথচ সুধনা অন্তেষপুৰৰ পৰা ওলোৱা নাই। দেৰি হৈ গৈছে। সেই সময়ত হংসধ্বজ ৰজাৰ মনৰ বিয়াকুল অৱস্থা বনমালীয়েহে মাথোঁ দেখুৱাব পাৰে। সেই সুধনা ৰাজসভালৈ আহিল, তেতিয়া হংসধ্বজৰ গৰজনি কি শুনিব। বনমালীৰ মাতত নামঘৰৰ মুধচ উফৰি পৰিব খোজে। যেতিয়া

যুঁজলৈ বিলম্ব কৰাৰ কাৰণে সুধনাক তপত তেলত ডুবাই মৰাৰ কথা শুলাল আৰু তপত তেলত সুধনাৰ বহিৰলৈ হুকুম হ'ল, তেতিয়া বাইজৰ মাজত ইস্ ইস্ লাগিল। সকলোৰে দুখ কিন্তু সেই সময়ত হংসধ্বজে যেনেকৈ কাঠ-চিতিয়া ভাব দেখুৱায়, সেইখিনিহে চাবলগীয়া। তাৰ চকু দেখিয়েই বুকু লৰি যায়। এনে ভাৱৰীয়া আৰু সুপজিৰ।

মৌজাদাৰেও কথাবোৰ শুনি গ'ল। বোধকৰোঁ, বন-মালীৰ গুণ শুনি তেখেতৰ মনটো কুমলি পৰিল। তেখেতে ক'লে—ইমান ভাল ভাৱৰীয়াটোৱেনো আখৰা চলি থাকো-তেও ঘৰত বহি থাকিব পাৰেনে? তাহানি হাইস্কুলত পঢ়োতে টুৰ্ণামেণ্টত খেলিছিলোঁ। এতিয়াও ফুটবল খেলা দেখিলেই হাত-ভৰি কট্কটাই থাকে।

ছুটামানে তাকে শুনি হাঁহিলে। বোধকৰোঁ মৌজাদাৰেও যে এদিন ফুটবল খেলিছিল, এই কথাটো জানি আমোদ পালে।

এটাই ক'লে—বনমালী বৰ অঁকৰা। নাহো বুলিছে যেতিয়া সি নাহে। অঁকৰা মৈৰ পৰা নেনামে।

মৌজাদাৰে ক'লে—সিনো ইমান মইবৰনে? বাৰু, ময়ে সৰু হওঁ, সিয়ে ডাঙৰ হওক। ময়ে কাইলৈ তাৰ ঘৰলৈ যাম। এতিয়া মই বাইজক কওঁ, আজিৰ পৰা ভালকৈ আখৰা হওক। বনমালী হংসধ্বজ হ'বই লাগিব। একো চিন্তা কৰিব নেলাগে।

সেইদিনা আখৰা শেষ হ'ল। যাবৰ সময়ত মৌজাদাৰে

মোক সুধিলে—তোমাৰ বনমালীৰ লগত চিনাকি আছেনে?

মই ক'লোঁ—চিনাকি আছে। পিছে ববকৈ কথা-বতৰা নাই। তাৰ বাৰ বছৰীয়ামান ল'ৰাটোৱে মোক এপোৱাকৈ গাখীৰ দি আছিল। এই দুদিন সিয়ো অহা নাই।

তেখেতে ক'লে—তেনেহলে তুমি এটা কাম কৰা কাইলৈ দহোটামান বজাত তুমি বনমালীৰ তালৈ যাবা। তুমি গৈ অকণমাণ পৰ থকাৰ পাছতে মই ওলামগৈ। আগতেই গৈ তুমি ভাও লোৱাৰ কথা কৈ থাকিবা। পাছত দুয়ো জোৰ কৰিম।

০ ০ ০ ০

সেই মতেই মই বনমালীৰ ঘৰ পালোগৈ। সি বহিবলৈ দিলে। মই সুধিলোঁ—ই জগত ক'লৈ গ'ল। এই দুদিন সি গাখীৰ দিয়া নাই। গকৱে পিয়ন চাবিলেনে কি?

—গাখীৰ ওলাইছে। সি নাই কাৰণেহে আপোনাক গাখীৰ দিব পৰা নাই দৈ কৰি থৈছোঁ। মঙ্গলবৰীয়া হাটত বেচিমগৈ।

—গাখীৰনো ওলায় কিমান?

—এপোৱা। তাকো নেবেচিলে নহয়। ঘৰত গেবেলা-গেবেলী এসোপা ল'ৰা-ছোৱালী আছে। সিহঁতৰ মুখৰ গাখীৰ কাটিও বেচিব লাগে। নহ'লে জোৰা নমবে।

এইখিনি কথা ইমান নম্র হৈ ক'লে যে মোৰ বিশ্বাস নহ'ল—এইটো মানুহেই হংসধ্বজৰ ভাও লৈ ৰামৰৰ তাল-

ফাল লগাব পাবে। তাব কথাবোবত অকণো উত্তাপ নাই। দাবিদ্ৰই, স্পষ্ট মাতটোও বোধ কৰিছে! মোৰ বৰ বেয়া লাগি গ'ল। ঘৰটো লক্ষ্য কৰিলো, বনমালীয়ে পিন্ধি থকা চুৰিয়া খনৰ দৰেই তাপলি মৰা। মাজে মাজে ভুমুকি মৰা ল'ৰা-ছোৱালী কেইটি দেখি অনুমান হ'ল— সিহঁতে যেন কেৱল হাড লৈহে উপজিছিল। এনে অৱস্থা দেখি হংসধ্বজৰ জোঁও দিয়াৰ কথা উনুকিয়াব নোৱাৰিলোঁ। মাথো সুধিলোঁ—জগত নাই বুলি যে ক'লে, সি কৰবালৈ পলাই চলাই গ'লনে কি? আজি কালিৰহে যি ল'ৰা-ছোৱালী।

—পলাই ক'লৈ যাব? সি তেনেকুৱা ল'ৰা নহয। বৰ ভাল ল'ৰা। মইহে তাৰ মূৰ খাইছোঁ। মই বাপেকী হৈ তাৰ বং চাইছোঁ।

মই একো বুজিব নোৱাৰিলোঁ। জগতৰ কথা কৈ মানুহ-টোক বেছিকৈ দুখ দিয়া যেন লাগিল। বনমালীযে মোৰ কৌতুহলটো বুজি পাই আকৌ ক'লে—আপোনাক আঁতৰৰ মানুহ বুলিয়েই মই জগতৰ কথা নাই কোৱা বুলি নেভাবিব। গঞাক নকলেও আপোনাক ক'ব পাবোঁ। কিন্তু নকওঁ। মই বাপেকীটো হৈ সেই কথা ক'বলৈকো গলৰ পৰা কথা নোলায়। মই সাতোলা ঘৰৰ মান সন্মানৰ মূৰ খাইছোঁ।

বনমালীৰ মাতটো খোকা-থুকি হ'ল। শেষৰ খিনি কথাই মোক বেছি বিমোৰত পেলালে। জগতক ভাল ল'ৰাও বুলি কৈছে, তাৰ কাৰণে সাতোলা ঘৰৰ মান-সন্মানৰ মূৰ

খোৱাৰ কথাও কৈছে। কথাবোৰে যেচিকৈ সাঁথৰৰ পেট লৈছে।

পদূলিমুখত মৌজাদাৰৰ কাঁহৰ শব্দ শুনা গ'ল। 'মিক্সাৰ' খোৱা মানুহৰ কাঁহ শুনিলেই ধৰিব পাৰি। গাৱঁত মিক্সাৰ এজনেহে খায়। বাকীবোৰে চলত পাতে ধোঁৱাখোৱা খায়, বিড়ি খায় নাইবা মান চেধা খায়।

মৌজাদাৰে মাত দিলে—বনমালী আছানে?

আছোঁ দেউতা বুলি কৈ বনমালীয়ে ছুখৰি পীৰা এডোখৰ আগ বঢ়াই দিলে। মোক দেখি মৌজাদাৰে ক'লে—অ' তুমিও!

মই মাথোঁ মুখলৈ চাই পৰিচিত ভঙ্গীত মুখখন অলপ আকাৰত সুকীয়া কৰি দেখুৱালোঁ।

মৌজাদাৰে একো ক'বলৈ নৌ পাওঁতেই বনমালীয়ে কাবৌ-কোকালি কৰি ক'লে—দেউতা এইবাৰলৈ চকু মেলি চাওক। চৰকা বেমাৰত গৰু এটা মৰিল। এটা কিনিবলৈ ধন নোহোৱাত মাটি চন পৰিল। এতিয়া খাবলৈকে একো যোগ্র নাই। এইবাৰলৈ কোৰোক নিদিব। এই মাহৰ পৰা মই মাহে মাহে খেজেনাৰ কিস্তি দি যাম।

খাবলৈ যাৰ ভাত নাই সি কেনেকৈ মাহে মাহে খাজানা দিব, সিও এক সাঁথৰ। মৌজাদাৰে কিন্তু সদয় মুখেৰে হাঁহি ক'লে—তুমি মোক এইবোৰ কি কৈছা বনমালী? মোৰ মাজু ল'ৰাইহে মৌজা চলায়। মৌজাও তাৰ নামতে।

—তেনেহলে তেওঁকে ক'ব, দেউতা, এই মাহুত যাতে কোবোক-চোবোক নিদিয়ে। মোৰ ল'ৰাটোৱে ঘটিব পৰা হৈছে। খেজেনা লাহে লাহে দিব পাৰিম।

কোন ল'ৰাই ঘটিব পৰা হৈছে, মৌজাদাৰে একো নুবুজিলে। কাৰণ বাৰ বছৰীয়া জগতক মৌজাদাৰে চিনি পোৱাটো অসম্ভৱ। ঘটিব পৰা হৈছে যেতিয়া ভাল কথা বুলি কৈ তেখেতে ভাওনাৰ কথা উলিয়ালে, বনমালীৰ গুণ গালে আৰু এইবাৰ বনমালীক হংসধ্বজৰ ভাও ল'বলৈ অনুৰোধ কৰিলে। শুনিয়েই বনমালী এটা বেলেগ মানুহ হৈ পৰিল। চকুৰ দৃষ্টি প্ৰতিশোধ-পৰায়ণ সাপৰ দৰে। সি চৰাখনৰ পৰা ঘপহ্‌কৰে থিয় হ'ল আৰু ক'লে—দেউতা, ৰাইজে কৈছে যেতিয়া মই আখৰালৈ যাব পাৰোঁ, ভাৱো ল'ব পাৰোঁ। সেইবুলি মোক কাঁচীশালত তুলিলেও হংসধ্বজৰ ভাও ল'ব নোৱাৰোঁ। নিজৰ ল'ৰাক তপত তেলত দিয়ো যি বাপেকো হৈ চাই থাকিব পাৰে সেই পাতকী বাপেকীৰ ভাও মই ল'ব নোৱাৰোঁ। এদিন সেই ভাও লৈছিলোঁ। কাৰণেই আজি মই পাপত ডুবিছোঁ। ঘৰৰ উপাৰ্জ্জনৰ কাৰণে নিজৰ কুমলীয়া ল'ৰাটিক চাকৰ খাটিবলৈ পঠাইছোঁ। সাতোলা বংশৰ নাম ডুবাইছোঁ। জগতক মই তপত তেলত দি ৰং চাইছোঁ। মই কোন সতৰে হংসধ্বজৰ ভাও লৈ সুধনাক শাস্তি দিওঁ?

ইমানখিনি কথা একে উশাহেৰে কোৱা যেন লাগিল। কৈ বনমালীয়ে বেৰত মূৰটো হলাই ঘন্ ঘনকৈ উশাহ ল'লে।

এটা দীঘল হুমুনিয়াহ কাঢ়িলে। মৌজাদাৰে মাথোঁ ক'লে—বাক এবাৰ আখৰালৈকে যাবাচোন। জনা-শুনা মানুহ যেতিয়া অলপ শিকাই বুজাই দিবা।

বনমালীয়ে কি কয় শুনিবলৈ বৈ নেথাকি মৌজাদাৰ গুলাই আহিল। ময়ো লগতে আহিলোঁ। মই মৌজাদাৰৰ মুখলৈ বাৰে বাৰে চালোঁ। তেখেত অবথা গহীন। পাঞ্জাবী চোলাৰ জেপলৈ হাতখন নিয়া দেখিলোঁ। জেপটো কিছুমান কাগজেৰে ঠাহ খোৱা। ভাবিলোঁ, জেপত কিজানি নাটখন নতুবা খাজানা আদায় কৰা ৰচিদ। কিন্তু মোৰ সকলো অনুমান ভুল। তেখেতে কাগজখিনি জেপৰ পৰা উলিয়াই এবাৰ লুটিয়াই চালে। সেইবোৰ ছপা আখৰৰ কাগজ। বহুত অখ্যাত মানুহৰ নামে ছপা আখৰত স্বীকৃতি পাইছে ভোটাৰলিষ্ট ৰূপে। তাৰ কাষে কাষে হাতে লিখা কিছুমান হিচাব। বোধকৰোঁ ভোটপোৱাৰ আনুমানিক সংখ্যা। সাত মাহৰ আগতেই এই লিষ্টবোৰ তেখেতৰ হাতত দেখি আচৰিত হলোঁ। বোধকৰোঁ সিবাৰেই আনি থোৱা লিষ্ট। অতিকৈ আচৰিত হ'লো, তেখেতে যেতিয়া মোৰ আগতেই তৎমুহূৰ্ত্তে সেই লিষ্টবোৰ টুকুৰা টুকুৰ কৰি ফালি পেলালে।

দৈন্য

কথাতে কয় বোলে বেয়াদিন যেতিয়া আহে পুৰিলোৱা মাছটোও সাতুৰি গুচি যায়। শ্ৰীবৎস ৰজাক শনিয়ে পোৱাত ৰাজ্য গ'ল, ধন-সম্পত্তি গ'ল, শনিগ্ৰহৰ অথন্তৰ দূৰ হ'ব বুলি কোনোৱে কলে বোলে এটা পোৰা মাছ খালেই সকলো বিপদৰ ওৰ পৰিব। কিন্তু কি দুৰ্কপাল! ৰাণীয়ে মাছটোৰ ছাই গুচাবলৈ পানীত ধোঁওতেই মাছ জী উঠি সাতুৰি আঁতৰি গ'ল। সেই দিনাৰপৰা বিপদে বেছিকৈহে মেৰিয়াই ল'লে।

ৰাভুল কেৰাণীৰো এই কেইমাহ অতি বেয়া দিন। মাহ-টোত এটা নহয় এটা বিপদ আছেই। যদি ঘৰখনত শনিয়ে বাহ লোৱা নাই, তেনেহলে পাৰচৰাই কেইটাই কেতিয়াও ঘৰ নেৰাকৈ নেথাকে। পোনতে সাতটা পাৰচৰাই আছিল। দুমাহৰ পাচতে তিনিটা নোহোৱা হ'ল। সেই মাহতে মণ্টুৰ মাকৰ কাষলতিৰ চেপত নেৰেঙা এটা হ'ল। বিষত ভত নাই। চিৰিঙতি পৰা কিষত মানুহজনীৰ সাতদিনমান থৰ-কাচুটি হেৰাইছিল। ৰাভুলে এমাহ নিজে ভাত ৰান্ধি মণ্টুক খুৱাইছিল, ঘৈণীয়েকক খুৱাইছিল আৰু নিজেও এমুঠি নাকে কাণে গুজি অফিচ কৰিছিল। ঘৈণীয়েক মাইচাৰ নাৰেঙাটোত ভালেমান মলম লগালে। পোন্ধৰ টকামান গ'ল। শেষত

বাৰুকৈ ডাক্তৰ লগোৱাত পঁাচলাখ পেনিচিলিনৰ বেজী এটা দিয়াত নাৰেঙা শুকাই টোটোৰা পৰিল। বাতুলে স্বস্তিৰ নিশ্বাস ল'লে। কিন্তু পাচৰ মাহ বৰ জোৰা মাৰি চলিব লগা হ'ল। মাইচাৰ অসুখত প্ৰায় একুৰি পঁাচ টকা মান খৰচ হৈছিল। আঠাম্নৈ টকা আঠ অনা দৰমহা পাই পৰিয়াল পুহিবলগীয়া কেৰাণী এটাই এমাহত পচিশ টকা খৰচ কৰা কম কথা নহয়। গেলামালৰ দোকানত এতিয়াও উনৈশ টকাৰ বাকী আছে। তদুপৰি পুতেক মণ্টুৰ পোছাক-যোৰত টাপলি পৰিছে। আৰু এযোৰ নিকিনিলে তাক এফালে ফুৰাবলৈ নিবই নোৱাৰি। 'কোকোলা' তেলৰ বদলি মিঠা-তেল ঘহোঁতে মাইচাৰ চুলি ৰঙামূৰীয়া পৰিছে।

এটা কথাত বাতুলৰ মনটো মৰি গ'ল। পঁাচটা পাৰৰ আৰু দুটা উৰি গ'ল। সঁচাকৈয়ে তাৰ বেয়া দিন আহিছে। তাৰ মনত পৰিল অনুপ মৌজাদাৰৰ কথা। মৌজাদাৰৰ টিঙৰ বঙলাটোত দুশমান পাৰই দুপ্‌দুপাই থাকে। কিন্তু তিনিমাহৰ ভিতৰতে গোটেইখিনি পাৰই ঘৰ এৰিলে। নিমাত বস্তু বৰ সৰবজান। প্ৰতিটো পাৰই ঘৰ এৰাৰ সময়ত জানিছিল যে মৌজাদাৰৰ অৱস্থা কি হ'ব। সেই কেইমাহতে মৌজাদাৰৰ বি অৱস্থা। কিস্তি শোধাব নোৱাৰাৰ বাবে মৌজা গ'ল। কলেজত পঢ়া ডাঙৰ ল'ৰাটোৰো সন্নিপাত জ্বৰত যোৱাখোৱা অৱস্থা হৈছিল। তেনেহলে বাতুলৰো

তেনে এটা দিন আহিছে। হালধিআটিৰ গণক বাপুৱে ক'লে বোলে বহাগলৈকে তাক বিপদে নেৰে। তেনেহলে গণক বাপুৰো গণনাৰ জোৰ কম নহয়। নহলেনো এই মাহতে আৰু দুটা বিপদ হ'ব লাগেনে? তিনিমাহৰ ইলেক্‌ট্ৰিকৰ বিল পৰি আছে। একুৰি দুটকা। মাইচাৰ অসুখৰ সময়ত ৰাতিটো বিজুলী বাতি জ্বলাবলগীয়া হৈছিল। গেলামালৰ দোকানী শঙ্কৰেও তাক গৰম গৰম কথা শুনাই দিলে। এই মাহৰ পৰা হেনো তাক আৰু বাকীকৈ মাল নিদিয়ে। নিৰুপায়। ঘঁাটি হিচাপৰ জোৰ মাৰিব পাৰিব বুলিযেই সি গাৱঁৰ ফালে গৈছিল। গাৱঁত তাৰ আঠেপূৰা মাটি আছে। তাকে মানুহক খাবলৈ দিছে। সেই মানুহখিনিৰ পৰাও কেইমোণমান ধান পায়। ভাবিছিল তাকে বেচি জোৰাফোন্দা মাৰিব। কিন্তু গাৱঁত গৈ গম পালে যে ধান তোলা অসম্ভৱ। আধি খোৱাৰে এটাই ক'লে—বোপা, আমাৰ পেটতে চাউল এমুঠি নাই। ধান চপাবলৈকে নেপালোঁ। গান্ধীপোকে গোটেইখন পথাৰ খাস্তাং কৰিলে।

সি অধোমুখে উলটি আহিল। অহা-যোৱাৰ তিনি টকা এনেয়ে গ'ল। আহিয়েই শুনিলে, চোৰে ঘৰৰ পৰাই চাইকেলখন লৈ গ'ল। ভাত চৰু ঘৰটোৰ বেৰ ভাঙি বাচন-বৰ্ত্তনখিনিও নিলে। সি দুদিনমান কলাপাততহে ভাত খাবলগীয়া হৈছিল। বাকৈকে মহানন্দ উকীলৰ পৰা পোন্ধৰ টকা পালে কাৰণেহে ৰক্ষা পৰিল। সি মহানন্দৰ ল'ৰা দুটা ঘৰত পঢ়ুৱায়।

সিহঁতৰ কৃপাতেই হওক বা মহানন্দৰ কৃপাতেই হওক, কলা-পাতত আৰু ভাত খাবলগীয়া নহ'ল। কিন্তু সেইকেইটা টকাৰে সি দোকানৰ বাকী মাৰিব বুলিহে ভাবিছিল। শঙ্কৰে একেবাৰে বাকী নিদিম বুলি কলেও পোন্ধৰ টকা পৰিশোধ কৰাহেঁতেন বাকী দিলেহেঁতেন। দুখীয়া গ্ৰাহকক দোকানী*য় বৰ বৰ কথা কয়েই।

পুৰা মনমাৰি সি বহি আছে। ঘৰখন নিজজাল। মণ্ ওলাই গৈছে। ৰাতুলৰ বাৰে বাৰে মনত পৰিছে চাইকেল-খনলৈ। আজিৰ পৰা তাৰ গাৰ কষ্ট দুগুণে বাঢ়িব। সদায় ভৰলুমুখৰ পৰা কেছাৰীঘাটলৈকে খোজকাঢ়ি যাব লাগিব। চাইকেলখনৰ জোৰতেই সি বহুত কাম কৰিছিল। উজান বজাৰত ল'ৰা পঢ়ুৱাই ফাঁচীবজাৰত বজাৰ কৰিও ঘৰত কাম কৰিবলৈ সময় পাইছিল অকল চাইকেলখনৰ বলতে। কিন্তু আজিৰপৰা সেই অনা ডেলে। ঘৰৰ মালিকটোক বেৰকেইখন মেৰামতি কৰাবলৈ কতবাৰ কলে, কিন্তু সি কাণসাৰ নিদিলে। এাতযা জানো মালিকে তাক চাইকেল আৰু বাচনবৰ্ত্তনৰ দাম দিব? সিফালে ঘৰৰ ভাড়া দুদিন দেৰী হ'লেই ক'ব—দিগদাৰ পাইছে যদি ইয়াৰ পৰা যাওকগৈ। আমি ইয়াতকৈ বেছি ভাড়া দিয়া মানুহ পাম। খবৰ কৰিয়েই আছে।

সি নিৰাশ হৈ এবাৰ চাৰিওফালে চালে। ঘৰৰ প্ৰতি-কণ ঠাইতে দাৰিদ্ৰই চুই গৈছে। মাইচাৰ মুখ দাৰিদ্ৰৰ আঁক লাগি আপচু হৈ পৰিছে। তাৰ কপালতো কিজানি

আঁক পৰি কিবাটো হৈ পৰিছে। সি আয়না প্ৰায়ে নেচায়। ডাটি খুৰুৱা দিনাহে মুখখনৰ লগত তাৰ দেখা-দেখি হয়। কাৰো মুখত হাঁহিৰ ৰেঙণি নাই। আনকি মণ্টুৰ মুখতো। আগতে তেওঁ পাৰকেইটায়ে ঘৰখন দোকমোক লগাই আছিল। সি আজিহে গম পালে যে বাকী তিনিটা পাৰৰ উৰি যোৱা আজি প্ৰায় এসপ্তাহেই হ'ল। এইটো বৰ কুলক্ষণৰ কথা। ইয়াতকৈ ডাঙৰ দুখো তেনেহলে তাৰ কপালত আছে।

সঁচাকৈয়ে আজিযেই তাৰ বিপদটো শকত। একেবাৰে লাজ-মান কাটি কৰি থবলগীয়া অৱস্থা। অফিচৰ ঠিকনাত এখন চিঠি পালে। ধুবুৰীৰ পৰা অভাৱছিয়াৰত পৰা খুলশালীযেক বকুলে লিখিলে যে তাই কামাখ্যা চাবলৈ আহিব গিৰিয়েকৰ লগত। দুদিনমান থাকিব। চিঠিৰ মতে তাই আজিয়েই পোৱাৰ কথা। ৰেলখন ৰাতি আঠোটা বজাত পাণ্ডু পাবহি। তাৰে পৰা টেক্সী লৈ ভৰলুমুখ পোৱা সহজ হব আদি অনেক কথা লিখিছে। চিঠিৰ পৰা ধৰিব পাৰি যে ছোৱালীৰ বহুদিনৰ মূৰত ধুবুৰীৰ দৰে অঁাওহতীয়া ঠাই এখনৰ পৰা গুৱাহাটী হেন চহৰলৈ ফুৰিবলৈ অহাৰ চিন্তাত আনন্দৰ সীমা নাই। সৰ্ব্বনাশ। তাইৰ ভিনিহীয়েক যেনিবা গুৱাহাটীত থাকিল, সেই বুলি গুৱাহাটীয়ে তাক দিছে কি? বাতুল দিনে দিনে বাঢ়ি অহা গুৱাহাটীৰ কাৰণে একেবাৰে গৌৰৱান্বিত নহয়। আজি শালপতি আৰু খুলশালীয়েকৰ উপস্থিতিত সি জীয়াতু ভুগিব। বায়েকৰ চাৰিওফালে দুৰ্গতি

দেখি চাগৈ বকুলে মাককো কথাটো ক'ব। মাকেও কিজানি জীযেকৰ তুৰৱস্থাৰ কথা শুনি চকুলো টুকিব। তাৰ ঘৈণীয়েক মাইচাযো বা তাৰ বিষযে কি ভাবিছে? তাই ভাবিছে চাগৈ পৃথিৱীৰ ভিতৰত যদি কোনোবা নিমাষিত প্ৰাণী আছে, তেনেহলে এই কেৰাণীবোৰেই। ইহঁতে অফিচত পাঙ্খাৰ তলত চকি এখন পালে কি হ'ব? ঘৰত যেনেকৈহে তাপি তুপি চলে, তেনেকৈ চলাতকৈ বনবাস খটাই ভাল।

তাৰ মগজত আজি অনেক প্ৰশ্ন উঠিছে। গুৱাহাটীত ঘৰ ভাড়া পোৱা অতি অসুবিধা বুলিযেই যেনিবা অতি সাধাৰণ ঘৰ এটাত থকাৰ কথাটো আনপ্ৰকাৰে বুজাব পাৰিব। কিন্তু খুৱাব কি? ডাইল, ভাত আৰু নেমুটেঙা? আলহীক জানো এইবোৰ খুৱায়? বকুলে হযতো ধনী গিৰীযেকক ক'ব— ভিনিহীদেউটো এনে কৰাইচ, দেও। এইবাৰৰ পৰা হোটে-লতে থাকিম। গিৰীযেকে হয়তো ভাবিব—খুলশালীৰ বিয়া হৈ যোৱাৰ পাচৰে পৰা ভিনিহীহঁতৰ মৰম নেথাকে। আৰু শুবলৈ দিব কত? ঢালাই বিচনাত। আলহীক জানো তেনেকৈ শুৱাবৰ নিয়ম আছে? সি বিমোৰত পৰি গ'ল। সেই বিষযে একেবাৰে ভাবিবলৈ এৰি দিলে। যি সমস্যাৰ পাৰ পাবলৈ টান সেই সমস্যাৰ বিষয়ে নভবাই ভাল। তুখী-য়াৰ আকৌ লাজ-অপমান কিহৰ? তাৰ ভিতৰুৱা অৱস্থা নজনাবোৰে তাক ধনী, ক্ষমতাশালী বা সম্মানী বুলি জানো ভাবিছে? অভাৱছিয়াৰ আৰু বকুলেও আনে ভবাৰ দৰেই

ভবা উচিত।

লগবে ৰামেশ্বৰৰ পৰা পাঁচটকা ধাৰ লৈ অফিচৰ পৰাই বাহিৰে বাহিৰে বজাৰ কৰি আনিলে। আজিকালিৰ দিনত পাঁচ টকাৰ বজাৰ কৰিলেনো কিটো পাব? আলু, তেল আৰু খৰি কিনোতেই চাৰে তিনি টকা গ'ল। ডেৰ টকাৰ মাছ কিনিলে। আলহীৰ লগতে তেও নিজেও এমাহৰ মূৰত অকণমান মাছ মুখত দিব পাৰিব। কিন্তু ধুবুৰীৰ পৰা অহা মানুহৰ জানো এইবোৰ বস্তুত মুখ বহিব? ধুবুৰীতহে খোৱা বস্তুৰ যিমান সস্তা শুনোতেই বিচুতি। কণী হেনো টকাত চৈধ্যটা। মাংসৰ সেৰে ডুটকা। দহ অনা পইচাতে একোটা বুজন কুকুৰা কিনিব পাৰি।

ঘৰ পায় মানে গধূলিযেই হ'ল। ঘৰ অন্ধকাৰ। মণ্টু আৰু মাইচাই এচুকত মন মাৰি বহি আছে। সি মাত দিলে—তইঁতে লাইট্‌টোও জ্বলাই লোৱা নাই কিয়?

মাইচাৰ মাতটো কঁপা কঁপা। তাই কলে—লাইট্ নাই। কোম্পানীয়ে লাইন কাটি দিছে। তাৰ মূৰত সৰগ ভাগি পৰিল। টোপোলাটো মাইচাৰ হাতত দি সি ওচৰৰ দোকানৰ পৰা মম বাতি কেইদালমান আনিলে আৰু বকুলহঁত অহাৰ কথা ক'লে। মাইচাৰ মুখ শুকাই গ'ল। একো কথাকে কব নোৱাৰিলে। মাইচাৰ মুখ দেখি ৰাতুলে ভাবিলে যে তাতকৈ তাই বেছি বিপদত পৰিছে। ভনীয়েক সোমাবহি এটা নিৰ্জীব ঘৰত। সিফালে ওচৰৰ শৰ্ম্মা উকীল আৰু ঘোষ

ইঞ্জিনীয়াৰৰ ঘৰত নীলা আৰু উজ্বল বগা পোহৰৰ পয়োভৰ। ৰেডিঅ' বাজিছে। ল'নত ধুনীয়া ধুনীয়া চকি পাৰি পৰিয়ালৰ মানুহে ৰেডিঅ'ৰ গানকো তল পেলাই কথাৰ ৰগৰ তুলিছে। ডুকাষৰ ডুটা ঘৰৰ তুলনাত তাৰ ঘৰটো মৰিশালী যেন।

তাৰ মগজুত শনিয়ে বাঁহ ললে। জীৱনত প্ৰথম বাৰৰ কাৰণে ঈৰ্ষাৰ তাড়নাত পৰি দোষ কৰিবৰ মন গ'ল। তাৰ মনত পৰিল, বিজুলী তাৰ কেইডালমান আমগছ এজোপাৰ দালৰ কাষেদিয়েই গৈছে। ওচৰত মানুহ নাই। আছে অফিচ এটাহে। সি কাকো একো নক'লে। গোঁ গোঁ কৈ সেইফালে আগবাঢ়ি গ'ল। ৰাস্তাৰ লাইটটো ভাঙি আমজোপাত উঠিল আৰু কঁকালত ওলোমাই নিয়া থুক্ৰীখনেৰে সিহঁতৰ ফালে যাব খোজা বিজুলী তাঁৰ ডুডাল কাটি পেলালে। লৰালৰিকৈ গছৰ পৰা নামিল আৰু আলিৰ মানুহৰ মাজত সোমাল। এবাৰ উভতি চালে। এক স্বস্তিৰ নিশ্বাস ল'লে। বচ্। শৰ্ম্মা উকীলৰ ঘৰ অন্ধকাৰ। ঘোষ ইঞ্জিনীয়াৰৰ ঘৰ অন্ধকাৰ। ৰেডিঅ' বন্ধ। সি বাহিৰে বাহিৰে পাণ্ডু পালেগৈ। আঠটা বাজিলেই। ৰেল অহা নাই। সুধি জানিব পাৰিলে যে আৰু এসপ্তাহমান সেই ফালেদি ৰেল নাহে। বানপানীয়ে বঙাইগাৱঁৰ ওচৰৰ কেবাঠাইতো ৰেলৰ লাইন ছিঙিছে। সি দৰ আনন্দ মনেৰে ঘৰলৈ উভতি আহিল। চুবুৰীটো তেতিয়াও অন্ধকাৰ। অফিচত ফোন কৰি খবৰ

দিবলৈকো বোধকৰোঁ ফোনৰ লাইনদালো কটা পৰিল। কিন্তু বকুলহঁতক আৰু কবৰ দৰ্কাৰ নহল যে লাইন ছিগাৰ কাৰণেহে ঘৰত পোহৰ নাই। সি বহুত দীনতাই লুকুৱাবলৈ চেষ্টা কৰিছিল। কিন্তু যি মানুহৰ ঘৰলৈ আলহী অহাও বিপদ, সি জানো মানুহ? দাৰিদ্ৰই মানুহক মানুহ কৰি নেৰাখে। দাৰিদ্ৰই কাকো মহৎ কৰিব নোৱাৰে। কৰে নীচ, স্বাৰ্থপৰ আৰু দোষী।

সি মাইচাৰ মুখলৈকে চাব পৰা নাই, ভাত-পানী খাই বিচনাত পৰিযেই শুনিবলৈ পালে পাৰৰ গঁৰালত আকৌ কুৰুলি। সি উচপ খোৱা মানুহৰ দৰে উঠি বহিল। মাইচাক লগত লৈ গঁৰাল পালেগৈ। মম বাতিৰ পোহৰত দেখিলে এহাল পাৰ। গাত সেন্দুৰৰ ৰং। বোধকৰোঁ কামাখ্যাৰ পৰা আহি ইযাত বাঁহ লৈছে। সিহঁতৰ নতুন আলহীক গা ধুৱালে। পাৰ হাললৈ বৰ মৰম লাগি গ'ল।

ৰাতুলে ক'লে—তেনেহলে আমাৰ আৰু বিপদ নাহে। পাৰই আকৌ লগ লৈছেহি। একেবাৰে মন্দিৰৰ পাৰ।

মাইচাই ক'লে—এৰা, ভাল দিন আহিবৰে কথা, কিন্তু আমাৰ জানো আয় বাঢ়িব? ল'ৰা-ছোৱালী বাঢ়ে মানে দিনে দিনে লাগুলোৱা হৈছে যাব লাগিব। বিপদ হয়তো নাহিব পাৰে। কিন্তু দুখীয়া অৱস্থাটো খণ্ডাব পাৰিম জানো?

তাকে শুনি ৰাতুলে ক'লে—ভাল দিন আহিলে আৰু আমাক কি লাগিছে? সকলো কপালৰ লিখন। কাইলৈকে

যদি লটাৰীত আশী হাজাৰ টকা পাওঁ! এইবাৰ কি কথা ক'ব নোৱাৰোঁ, চিকিমৰ চিঠি খেলত দুটা টিকেট কিনি পেলালোঁ।

মাইচাই মাথোঁ এটা হুমুনিয়াহ কাঢ়িলে আৰু লগে লগে দুধাৰি চকুলো বৈ গ'ল।

মাপকাঠী

টঙ্কেশ্বৰ বৰুৱাৰ লগত জীযেকৰ হৈ দৰা বিচাৰিবলৈ যোৱা কথাটো আমাৰ কণিকাৰ মাকৰ আগত ঘূণাক্ষৰেও উলিওৱা নাই। তিৰিয়ে পুৰুষে হ'বা এক মতি বোলা কথা-ষাৰ আমাৰ মানুহৰ মুখে মুখে যদিও মই যোল্ল অনাই মানি নচলোঁ। সকলো কথাই শ্ৰীমতীক ক'বলগীয়া হ'লে তাইৰ কেংকঙনিত মোৰ কাণ ঘোগোলা হ'ব, কথাই পতি কাজিয়া লাগিব, ঘৰ গুচি বাঁহতল হব।

তথাপি পুৰাই পোছাক পিন্ধা দেখি শ্ৰীমতীৰ মনটো খুন্দুৱালে। যিকোনো পোছাক হোৱা হলে কাৰাবাৰ ঘৰলৈ যাওঁ বুলি কৈ থ'ব পাৰিলোহেঁতেন। মই আজি পিন্ধিছোঁ, তাহানি দৰা-বৰণত পোৱা 'ব্ৰেচ্‌লেট'ৰ ধুতি আৰু পাটৰ পাঞ্জাবী চোলাটো। বিচনাৰ তলত চুক ভেকুলীৰ দৰে পৰি থকা পামশ্যুযোৰ বং লগাই লৈছোঁ। বৰ সাৱধান হৈ যোৱাই ভাল। দৰাৰ ঘৰ আকৌ গাৱঁত। পিন্ধা-উৰাত অলপ জেঙা লাগিলেই বিপদ। লাগ-বান্ধ নোহোৱা পোছাক পিন্ধি ছোৱালীজনীৰ ভৱিষ্যত নষ্ট কৰাৰ ইচ্ছা নাই।

শ্ৰীমতীয়ে একো ধৰিব পৰা নাই বুলি অনুমান হ'ল। তাই ক'লে—আজি আকৌ নতুনকৈ দৰা হবৰ মন গ'লনেকি?

মই কলোঁ—এৰা, মনটো উৰঁলি উৰঁলি পাভটি চাঙৰ

এলাহ্নবোৰৰ দৰে হ'ল। মন আৰু নতুন নহয়। পোছাক-টোকে নতুন কৰিছোঁ।

একেবাৰে বিশ্বাস সুমুৱাই দিব পৰা মিছা কথাটো কৈ খুব ভাল লাগি গ'ল। তেনেহলে মোৰ উন্নতি আৰু হ'ব। আজিৰ দিনত সঁচাৰ দৰে মিছা কথা ক'ব পৰা মানুহৰে উন্নতি বেছি।

তাই সুধিলে—কিন্তু অফিচলৈ জানো এনেকৈ পিন্ধি যাব পাৰিবা? অফিচৰ পচুলিতে কলৰ পুলি পুতি থ'ব লাগিব।

তাই দৰাৰ পোছাক পিন্ধি থকা দেখি মনে মনে কিজানি বৰ আমোদ পাইছে। যদি কল্পনা আছে, তেনেহলে এটি শুভদিনৰ সোঁৱৰণে তাইৰ মনটো উজ্জলাই পেলাইছে। সেয়েহে তাইক ক'লো—কাৰ সাধ্য মোক উপলুঙা কৰিবৰ? অফি-চাৰ হ'লেই যে কোট-পেণ্ট পিন্ধিব লাগে, তাৰ কি মানে আছে? স্বৰাজৰ পাছত এইবোৰ পোছাকেহে আমাক শুৱায়। পিছে স্বৰাজৰ পাছত আমাৰ চাহাবী পোছাকৰ ধূণ চৰিছেহে। সিফালে আমাক শাসন কৰা সোপাই ধুতি-পাঞ্জাবী পিন্ধো-তেই ভৰ বয়স পাৰ হ'ল।

তাইৰ এইবাৰ উত্তৰটো আহ লগা। তাই ভাবি চিন্তি ক'লে—কথাবোৰ শুনিবলৈ ভালেই লাগিছে। পিছে এটা কথা। তুমি যদি এইবোৰ পিন্ধিয়েই দুদিনলৈ হ'লেও অফিচ কৰিব পাৰা, তেনেহলে মোৰ নামত এজনী বান্দৰী পুহিবা।

—মানে?

—মানে তুমি নিশ্চয অফিচলৈ নোযোৱা। মোক ভুৱা দিছা। নিশ্চয তোমাৰ মনোভাব জটিল।

জুলুমত পৰি গ'লোঁ। তিৰোতাৰ মন,—চোৰাংচোৱাৰ মন। তিৰোতাৰ চকু—শেণৰ চকু। তুমি অকণো একাটি-সিকাটি কৰিবৰ উপায নাই।

—মালতী, শুনা। মানুহৰ এটাইতকৈ লাগতিযাল বস্তু হ'ল ব্যক্তি স্বাধীনতা। ইচ্ছা মতে পিন্ধি উৰি গুলাই যাব-লৈকো তুমি মোক মুকলি মৃৰীযা হ'বলৈ নিদিলা। হোমৰ গুৰিত সাঙোৰ খালোঁ। বুলিযেই যিকোনো সমযতে তুমি মোক আজুৰি থাকিবানে ?

মালতীযে দৈনিক খবৰা কাগজ পঢ়ে। কলেজতো হেনো ৰাজনীতি, অৰ্থনীতি আদি পঢ়িছিল। গতিকে মোৰ কথাৰ মৰ্ম্ম বুজিবলৈ টান নহ'ব বুলি মোৰ বিশ্বাস। তাই বুজিলে। কিন্তু বেছিকৈ বুজি লেঠা লগালে।

তাই ক'লে—যিমানখিনি স্বাধীনতা পাব লাগে তাতকৈ বেছি পইছা। সেই বুলি টঙ্কেশ্বৰ বৰুৱাৰ জোঁৱাই বিচাৰি যে যাবা, তাকেনো নোকোৱা কিয় ?

এই তিৰোতা মানুহবোৰে খবৰবোৰ ক'ত সংগ্ৰহ কৰে ঠিক নাই। মই তাইক ক'ব খোজা নাছিলোঁ। এই কাৰণেই যে দৰা বা কইনা বিচাৰি দিয়াটো বৰ জেলেঙত পৰা কাম। ভৱিষ্যতে সম্বন্ধত আউল লাগিলে দৰা বা কইনা বিচাৰি দিয়াটোৱেহে এজোলোকা পায়। এই কথা মযো জানো।

মালতীয়ে কিজানি বেছিকৈহে জানে। তাই দীঘলীয়া বক্তৃতা এটা দিব পাৰে বুলিয়েই ঠিক ওলাই যাবৰ সময়ত কৈ যাম বুলি ভাবিছিলোঁ।

মই ক'লোঁ—তুমিনো নজনা কথা কি আছে? সেই কাৰণেই পৰীক্ষা কৰি চালোঁ। আজিহে তোমাক 'চাব্বাইচ্' দিব নোৱাৰিলোঁ।

ইয়াৰ পাছতেই তাইৰ পৰা সৰু সুৰা বক্তৃতা এটা শুনিবলৈ সাজু হৈ ৰলোঁ। তাই কিন্তু ৰান্ধনী ঘৰত সোমাল আৰু মোৰ আগত এজাপ লুচি থ'লেহি। ক'লে—দুপৰীয়া ভাত পোৱানে নোপোৱা ঠিক নাই। লুচি আটাই কেইখন খোৱা।

তাৰ পৰা অনুমান হ'ল, মই দৰা বিচাৰি ওলোৱাটো তাই পছন্দ কৰিছে।

কাষতে থিয় দি তাই কৈ গ'ল—কামাখ্যাৰ কাৰণে তুমি দৰা বিচাৰি ওলোৱা কথাটো শুনি স'চাকৈয়ে মোৰ বৰ গৰব হৈছে। তাই যে ইমান ভাল ছোৱালী! এনে নম্র স্বভাৱৰ ছোৱালী খুব কমেই আছে। তাইক যিটোৱে পাব, সি সঁচাকৈয়ে ভাল কপাল সাধি আহিব লাগিব।

কামাখ্যাক এই তিনি বছৰে দেখিছোঁ। তাইৰ গুণে মোক মুগ্ধ কৰিছে। নাৰীৰ অন্তৰমনে এতিয়াও মোৰ কাৰণে অচিন ৰূপে দেখা দিয়ে। সিহঁতৰ প্ৰতি ধাৰণা মই পলকে পলকে বদলাই থাকিব লগা হয়। তিৰোতাৰ চৰিত্ৰ দেৱতাবো অবি-

দিত বুলি সাকৰা বচন ফাকিৰ মাজে মাজে চমক লগা প্ৰমাণ পাই আহিছোঁ। সেই কাৰণেই কামাখ্যাক সাধাৰণ অৰ্থত ভাল ছোৱালী বুলি সিদ্ধান্ত কৰি আৰু বেছি ভবা নাছিলোঁ। মালতীয়ে কোৱাৰ দৰে ইমান বেছি ভাল হ'ব পাৰে বুলি কল্পনাও কৰা নাছিলোঁ। মালতীযে ভাল বুলি কৈছে যেতিযা তাই ভাল হ'বই লাগিব। কাৰণ তাই লোকক শলাগি-বলৈ বৰ টান পায। লোকৰ খুঁত বেছিকৈ দেখে। তাইৰ মানত তাইৰ ভনীযেক কেইজনীযেই আটাইতকৈ ভাল ছোৱালী আৰু মতা মানুহৰ ভিতৰত মযে পুৰুষ-পুঙ্গৱ। কামাখ্যাক শলগাটো এটা ব্যতিক্ৰমহে।

মালতীযে অৱশ্যে এটা সৰু সুৰা বক্তৃতাই দিলে। কিন্তু শুনি ভাল লাগিল। কামাখ্যাই হেনো নজনা কাম নাই। ঘৰখনত যেন তাই চিলনীৰ জীযেকহে! পিন্ধা উৰাতো খুণ পেচ নাই। বি, এ পাছ ছোৱালী বুলি ক'বই নোৱাৰি। গপ-গৰজ লেশমানো নাই। এতিযালৈকে এটা ডেকা মানুহৰ লগত যিকোনো এষাৰ কথা পাতিছে বুলি কোনো চকু চৰহা মানুহে প্ৰমাণ দিব নোৱাৰে। একেবাৰে বোৱাৰীৰ লাযকৰ ছোৱালী। গাৰঁতো কাৰা মাক, দোষ দেখা নবৌযেক আৰু সঘনে ধমক দিব পৰা কেবাটাও ককাযেকৰ মাজত ডাঙৰ-দীঘল হোৱা ছোৱালীৰ ভিতৰতো এনে ছোৱালী পোৱা টান বুলি মালতীৰ বিশ্বাস। গতিকে মই তাইলৈ দৰা বিচৰাটো সঁচাকৈয়ে পুণ্যৰ কাম।

যাবৰ সময়ত মালতীক এটা কথা সুধিলো। ইমান ভাল ছোৱালী যদিও তাই এই ত্ৰুবছৰ পৰি আছে কিয় ? বাপেকেতো ছোৱালী উলিযাই দিযাৰ তালতে আছে।

মালতীৰ উত্তৰ বৰ চমক লগা আৰু কিজানি মৌলিক : কথাতেই কয় বোলে ধান দোণীযা ছোৱালী, সোণসেৰীয়া ল'ৰা। ল'ৰা লাগে উনৈশত বা বনোৱা হওক, তথাপি সি ল'ৰা। ছোৱালীৰ গুণ মানুহৰ চকুত নপৰে। পোনতে তাইক মানুহে জানিব লাগিব। কিন্তু ভাল ছোৱালীক জানিবলৈ মানুহৰ সুযোগ ক'ত ? মানুহে জানে গান শিকি ফুৰা কেইজনীমানক, মিটিঙত সভাপতিক মালা দিযা এক শ্ৰেণী ছোৱালীক। তদুপৰি বাপেক যদি জনাজাত মানুহ নহয, তেনেহলে আজি কালিৰ দিনত ছোৱালীও চকুত নপৰে।

টঙ্কেশ্বৰ বৰুৱা জনাজাত মানুহ নহয। চাহ বাগানত গুদাম মহৰী আছিল। এতিযা পেঞ্চন পাই চহৰতে ঘৰ সাজি আছে। জনাজাত নহয সঁচা কথা। কিন্তু চিনাকি মানুহো বৰ কম। কিজানি বেছি ভাগ কাল বাগানত থকাৰ কাৰণেই। সেই কাৰণেই, যি কেইজন চিনাকি আছে, তাৰে ভিতৰত মোকে খুব ক্ষমতাপন্ন বুলি ভাবে। এৰা, আজি কালি নিজক জহাই ফুৰাটো সঁচাকৈয়ে বৰ লাগতিয়াল গুণ হৈ পৰিছে। টঙ্কেশ্বৰ বৰুৱা কোন শ্ৰেণীৰ ভিতৰত পৰে মই সঠিক নেজানো। তথাপি তেওঁৰ যদি এখন ধুনীয়া মটৰ থাকিলহেঁতেন আৰু সেইখন মটৰত উঠি কামাখ্যাৰ দৰে

ধুনীয়া ছোৱাজনীয়ে চিনেমা চালেহেঁতেন বা কৃষ্টি সভাৰ পহিলা শাৰীত বহি থাকিলহেঁতেন, তেনেহলে মটৰেৰে মানুহৰ মাপকাঠী বুলি ভবা এই চহৰখনত টঙ্কেশ্বৰ বৰুৱা জনাজাত হ'লহেঁতেন—কেৱল মটৰখনৰ কাৰণে আৰু ধুনীয়া ছোৱালী-জনীৰ কাৰণেও। তেতিয়া আৰু তেওঁ উপযুক্ত পাত্ৰক ছোৱালী যাচি হতাশ হ'ব নেলাগিলেহেঁতেন। মালতীৰ কথা শুনি মই ভাবি পালোঁ যে আৰু দুই ধৰণৰ ছোৱালী মানুহৰ মানুহৰ সোণকালে চকুত পৰে। মন-যৌৱনৰ কথা কোৱা, কথাক কৱিতাৰ ৰহণ দিয়া এবিধ কলেজীয়া ছোৱালী। সিহঁতে কৱিক কৱিতাৰ কথা কয়, সঙ্গীতজ্ঞক সঙ্গীতৰ কথা কয়, ৰাজনীতিৰ মানুহৰ আগত সংবিধানৰ কথা উলিয়ায়। একে লগে পঢ়া একুৰি ডেৰ কুৰি ল'ৰা তাকুৰি ঘূৰাদি ঘূৰায় আৰু ভোমোৰাৰ গুণগুণনি তোলায়. চাৰি পাঁচটা ডেকা প্ৰফেচাৰৰ মনত কৱিতাৰ জোৱাৰ উঠায়, বাকী দিব পৰা মণিহাৰী মালৰ দোকানীক নিয়মিত চকুৰ তৃপ্তি জগায় আৰু শেষত এটা গেজেটেড বিষয়া যোগাৰ কৰি তেওঁকো ঠগি-বলৈ বাট চাই ৰয়। কেৱল আকৰ্ষণীয় ৰূপটোৰ কাৰণেই। সিহঁতক কোনেও ধান দোনীয়া ছোৱালী বুলি ক'ব নোৱাৰে। আৰু এবিধ ছোৱালী আছে, সিহঁত জনাজাত কেৱল বাপেক-মাকৰ কাৰণেই। সকলো ঠাইতে বাপেক-মাকে সিহঁতৰ কথা ইমান জহাই ফুৰে যে সিহঁতৰ নামবোৰেও তেজ-মঙহৰ ৰূপ লয়। সিহঁত যেন বিজ্ঞাপনৰ পৃষ্ঠাত থকা একো একোজনী

অনিন্দ্য সুন্দৰী। কিন্তু টঙ্কেশ্বৰ বৰুৱা বা তেওঁৰ গৃহিনী তেনে ধৰণৰ নহয় কাৰণেই কামাখ্যাই ৰূপ আৰু গুণ লৈয়ো এই ডুবছৰ লটাৰীৰ টিকেট এটাৰ দৰেই এচুকত পৰি আছে। সঠিক কথা ক বলৈ হ'লে, লটাৰীৰ টিকেটো বুলিব নোৱাৰি। ঠিকনা নিলিখা লেফাফা এটাৰ লগতহে তাইৰ তুলনা হয়। লেফাফাই আবৰি ৰখা চিঠিখন কিন্তু বৰ ভাল চিঠি। এজ-নৰ জীৱনত কৰিতাৰ বোল সানিব পৰা উষা কুঁৱৰীৰ গোপন চিঠি। মাথোঁ চান্দো মেৰ ঘৰৰ পৰা বাহিৰৰ মুকলি বতা-হলৈ ওলোৱা নাই।

ছোৱালী কেইজনীৰ কাৰণে টঙ্কেশ্বৰ বৰুৱা বৰ বিপদত পৰিছে। চাৰিজনী গাভৰু ছোৱালী। এজনীও দিব পৰা নাই। মাকৰ বোলে ৰাতি টোপনিকে নাহে। গাভৰু ছোৱালী আৰু বনৰ বাঘে একে। হঠাৎ এটা ল'ৰাৰ সন্ধান পোৱাত মাক-বাপেক উত্ৰাৱল। বৰুৱাই কালি ক'লেহি যে মই যাবই লাগিব। ময়ো অমান্তি নহ'লোঁ। কামাখ্যাক বৰ ভাল লাগে যদিও তাইক গালি দিবৰহে মন গ'ল। সিহঁতৰ দৰে ছোৱালী-বোৰেইহে মাক-বাপেকৰ হাড়মাল। কামাখ্যা চাৰি বছৰ গুৱাহাটীত থাকিল। পঢ়াশুনাতো ভাল। দেখাতো ভাল। তাইৰ কি অসুবিধা আছিল? খুব সহজেই এটাৰ মন বিয়াকুল কৰিব পাৰিলেহেঁতেন। ছোৱালী ধুনীয়া হ'লে কৰিব নোৱাৰা কাম কি আছে? তাই হয়তো শুনিছে যে আজি

কালি ল'ৰাই ছোৱালীয়ে মনে মনে মিলি বিয়া পাতে? বাপেক-মাকেও সকাহ পায়। তথাপি তাই এইবোৰ কথালৈ পিঠি দি ভাল ছোৱালী হৈ ঘৰলৈ ঘূৰি আহিল। ফলত কি হ'ল? ভাবনাত টঙ্কেশ্বৰৰ চুলি পকিল। মাকৰ চকুত টোপনি হৰিল। এতিয়ালৈকে তাইক চাৰিটামান মানুহলৈ যাচিছে। এটাই ক'ব, ইমানখিনি টকা লাগে। কোনোবাই অভিমত দিব, বি, এ পাছ ছোৱালী নেলাগে। এঘৰে ক'লে বোলে দৰাক বিয়াখন পতাৰ খৰচটো নিদিলে উপায় নাই। টঙ্কেশ্বৰ বৰুৱাই কোৱা কথা এষাৰ মনত লাগিল। আজি কালিৰ ল'ৰাবোৰৰ হেনো বিয়া পতা বুলিলে বুকু ল'ৰে। তাৰ কাৰণ হ'ল সোনকালে চাকৰী-বাকৰি লৈ টনকিয়াল হ'ব নোৱাৰে। চাকৰী পোৱাবোৰৰ আকৌ বৰ গপ। সিহঁতে নিজকে দেৱতা বুলি ভাবে আৰু তিলোত্তমা একোজনী বিচাৰে। টঙ্কেশ্বৰৰ মতে, কেবাজনী গাভৰু ছোৱালীৰ বাপেকতকৈ দুৰ্ভগীয়া মানুহ আৰু নাই। তেওঁ কয়,—ধন ঘটা সহজ, ছকুৰি বছৰ জীয়াই থকাও সহজ, আনকি চোৰাং বেপাৰ কৰাও সহজ, কিন্তু ছোৱালীক এটা মনোমত পাত্ৰত গটোৱা টান। বৰুৱাৰ এই নিজস্ব মত যদি কোনোবা মহিলা সমিতিত ব্যক্ত কৰে, তেওঁৰ অৱস্থা কাহিল হ'ব। কাৰণ আমাৰ দেশত এতিয়া পুৰুষ আৰু তিৰোতাৰ সমান অধিকাৰ। আজি কালি তিৰোতাই কল খুচুৰীয়া সমাজক চমক লগাই জজ, হব পাৰে, মেজিষ্ট্ৰেট, হ'ব পাৰে, হাজাৰ হাজাৰ মানুহৰ

ভোট লৈ মন্ত্রী হ'ব পাৰে।

কোমোৰাকটা গাৱঁলৈ আমি ওলালোঁ। টঙ্কেশ্বৰ বৰুৱাক মই এতিয়া আচল কথাটো সুধিবৰ মন গ'ল। কাৰণ কামাখ্যাৰ ভৱিষ্যতৰ কাৰণে মই বৰ চিন্তিত। তেখেতে ক'লে যে ল'ৰাটোৱে এইবাৰ ইংৰাজীত এম, এ পৰীক্ষা দি আহিছে। চোকা ল'ৰা। ভালকৈ পাছ কৰিবই। আইনৰ পৰীক্ষা এটা পাছ কৰিলে। ল'ৰাটো অৱশ্যে তেখেতে দেখা নাই। শুনিছে বোলে, সি দেখাই শুনাই ভাল।

মই সুধিলোঁ—ঘৰৰ অৱস্থা কেনে ?

—গাৱঁৰ এঘৰ আঢ্যৱন্ত মানুহ। বাপেক কানানগু আছিল। ভালেমান মাটি-বাৰী।

—আপুনি ল'ৰাটোৰ খবৰ জানিলে কেনেকৈ ?

—ইয়াৰ বহুত কথা। তেওঁলোকৰ গাৱঁৰ ওচৰতে চাহ বাগিছা এখনত মোৰ ভটিজা এটাই কাম কৰে। তাৰ মুখেই খবৰটো পালোঁ। তাৰ যোগেদিয়েই প্ৰস্তাৱ পঠিযালোঁ। উত্তৰ আহিল। তেওঁলোকৰো মন আছে।

—আজি দৰা চাবলৈ যোৱাৰ দিন দিছিলনে কি।

—সিহঁতে ছোৱালী চোৱাৰ কথা আছিল। কিন্তু নহা দেখি আমিযেই আহিব লগীয়া হ'ল। এইবোৰ বৰ ছেগৰ কাম। দেৰি কৰিলেই বিপদ। তদুপৰি এঘৰলৈ ছোৱালী-জনী উলিয়াই দিম যেতিয়া আগতে মানুহৰ ঘৰ চাই লোৱা ভাল।

—পিছে, মানুহ ঘৰতকৈ ল'ৰাটোহে আচল। সি শিক্ষিত ল'ৰা যেতিয়া, যেনেকুৱা মানুহৰে ঘৰৰ হওক, ছোৱালীক সুখেৰে ৰাখিব।

—আৰু নিশ্চয় ছোৱালীক গাৱঁত নেৰাখিব। মগজত বিদ্যা আছে যেতিয়া চাকৰী এটা পাবই।

—সি চাকৰী নোপোৱাকৈ বিয়া পাতিবলৈ মত দিয়াক লৈ, চাকৰী নহ'লেও চলিব পৰা মানুহ যেন লাগে।

—ময়ো তাকে ভাবোঁ।

মই কিন্তু অনুমান কৰিলোঁ, বাপেকৰ বৰ ল'ৰাবোৰক গাৱঁত সোনকালে বিয়া পাতি দিয়ে। বিয়াৰ আগতে ল'ৰাৰ ভৱিষ্যত সম্পৰ্কে কোনো বাপেক-মাকে চিন্তা নকৰে। হয়তো মাক বেমাৰী হৈ ভাত ৰান্ধিব নোৱাৰা হৈছে। সোনকালে মৰিম বুলি বোৱাৰীৰ মুখ চাই যাবলৈ হামৰাও কাঢ়িছে। নতুবা বাপেকে ভাবিছে যে সোনকালে বিয়াখন পাতি নিদিলে ল'ৰাৰ স্বভাৱ-চৰিত্ৰ বেয়া হব। সিহঁত যদি ঘোকট গাৱঁৰ মানুহ, তেনেহলে পঁচিশ বছৰতে ল'ৰাৰ বিয়াৰ সময় পাৰ হ'ল বুলি ভাবিছে।

কোমোৰা কটা সঁচাকৈয়ে ঘোকট গাওঁ। য'ত মটৰৰ পৰা নামিলোঁ, তাৰ পৰা চাৰি মাইল খোজ কাঢ়ি যাব লাগে। তালৈ কিজানি ভুলতো মটৰ গাড়ী এখন যোৱা নাই। গাৱঁৰ মানুহবোৰো তেনেই পুৰণিকলীয়া। ইয়াৰ পৰা যে ল'ৰা এটাই ইংৰাজীত এম, এ পাছ কৰিব আৰু আইনো

পাছ কৰিব, এইটো বৰ সন্তোষৰ কথা। জুপুৰা হাবিতো বাঘ থাকে। মোৰ কামাখ্যালৈ মনত পৰিল। তাই ছোৱালী সঁচাকৈয়ে ভাগ্যৱতী। এইখন গাৱঁত ওপজি যিটো ল'ৰা ইমান অভিলাষী হব পাৰে, সি সঁচাকৈয়ে গুণী নহৈ নোৱাৰে। সি হয়তো এদিন ইয়াৰ দাৰিদ্ৰ্য-পীড়িত মানুহৰ ত্ৰাণ কৰ্ত্তা হ'ব, সি ৰাইজৰ প্ৰতিনিধি হ'ব। দেশে তাৰ পৰা বহুত বেছি আশা কৰিব পাৰে। আচলতে ভাল ছোৱালীৰ যেনে তেনে কপাল মুকলি হ'বই। গাৱঁত এটা কথা আছে যে সুলক্ষণীযা ছোৱালী এজনী এঘৰলৈ উলিয়াই দিলে, বাপেকৰ ঘৰৰ কিছু দিনলৈ অপায়-অমঙ্গল ঘটে আৰু গিৰিয়েকৰ ঘৰৰ চাৰিওফালে নদন-বদন অৱস্থা হয়। লখিমী ছোৱালীযে ভাগ্যখন লগতে লৈ আহে। কামাখ্যাযো নিজৰ ভাগ্য লৈ আহিব। মোৰ বিশ্বাস হ'ল।

খোজ কাটি কাটি ভাগৰি পৰিছোঁ। টঙ্কেশ্বৰ বকৰাই কিন্তু ভাগৰ লগা যেন দেখুৱা নাই। কিজানি ভাল জোঁৱাই এটা পোৱাৰ ভাবনাই তেখেতক দুখ ভাগৰ পাহৰাই পেলাইছে। মই এবেওঁ বাটো চাইকেল মাৰি যোৱা অভ্যাস। মোৰ কাৰণে খোজ কঢ়াটো বৰ এলাহৰ কাম। কলাফুল দুটা বিষাইছে। ৰ'দত মূৰ তিন তিনাইছে। তাকে বকৰাক কলোঁ।

তেখেতে ক'লে—মোৰো একো হোৱা নাই বুলি নেভাবিবা। কঁকালটো ঠাহ মাৰি ধৰিছে। এতিয়া বুজিলা, ছোৱালীৰ বাপেকী হোৱা কিমান সংকটৰ কথা?

—পহিলাতেহে জংকট। ভাল জোঁৱাই পালে, এই দুখ-ভাগৰ ক'ৰবালৈ যাব।

টঙ্কেশ্বৰ বৰুৱাই খুব তৃপ্তিৰে হাঁহিলে। ম'হৰ পিঠিত উঠি অহা মানুহ এটাক সোধাত সি ক'লে যে আৰু দুটা কেঁকুৰি পাৰ হোৱাৰ পাছত যিটো টিনপাতৰ ঘৰ পাম, সেইটোৱেই মহী কানাণগুৰ ঘৰ। কিন্তু এটা কেঁকুৰি পাৰ হোৱাৰ পাছতেই এটা টিনপাতৰ ঘৰ পালোঁ। সন্দেহ হৈ গ'ল। ম'হ গুৱালে ভুল কৰিলেনে কি? আলিটো লেং লেং কৰে দীঘল হৈহে গৈ আছে। কেইটামান ডেকা ল'ৰা আহি আছিল। সিহঁতৰ এটাক বৰুৱাই সুধিলে,—বোপাই, মহী কানাণগুৰ ঘৰলৈ আৰু কিমান বাকী?

সি ক'লে—গৈ থাওক, গৈ থাওক। নৰ'ব কিন্তু। কেঁকু-ৰিটো পাৰ হৈযে ভগাছিগা ঘৰ এটা পাব। সেই ঘৰৰ পদূলীতে ধুনীয়া ছোৱালী এজনী দেখা পাব। তাই ধুনীয়া যদিও পাগলী। তাইক সুধিলেই হ'ব।

মুঠতে সি একো ন'কলে। মই সুধিলোঁ—এইটো তেনে-হলে কাৰ ঘৰ?

কোনটো? —এইটো গোবৰ কেঞাৰ।

সিহঁত আঁতৰ হল। ইতিকিং কৰাৰ দৰে হাঁহি গ'ল। কোৱা-কুই কৰা শুনিলোঁ:

—হেৰ, বিপুলক শোধাবলৈ আহিছে যেন পাইছো।

—ছোৱালীবনো কি আকাল হৈছে? পিছে তাই যদি

সতিনীযেকৰ কথা জানে ?

সিহঁতে হাঁহিৰ ৰগৰ তুলিলে। সিহঁতৰ ধাৰণা যে আমি দৰাৰ ঘৰলৈ আহি বৰ ভুল কৰিছোঁ।

টঙ্কেশ্বৰ বৰুৱাই ক'লে—গাৱঁৰ ধিটিঙা লৰাবোৰৰ পৰা দেখোঁ বাটত অহাই টান।

মই সমৰ্থন কৰি কলোঁ—নেতাবোৰে খাটিৰ কৰিবলৈ লোৱাৰ পৰা এই লৰাবোৰে গুৰু-গোঁসাই নমনা হ'ল।

—আৰু সিহঁত এনে অভদ্ৰ। ঘৰটো কোনখিনিত সঠিককৈ ন'কলে।

আকৌ এটাক সুধিব লগা হ'ল। সি খৈণী মোহাৰি মোহাৰি আহি আছিল। লগে লগে অহাটোৰ পোছাক-পত্ৰ বেচ ভাল। সি কাগজ এখিলা পঢ়ি পঢ়ি আহিছে। কল্পনা কৰি ভাল লাগিল: এই চিকুণ ডেকাটোলৈ চাগে কোনোবা জেতুকী-মালতীয়ে কোমল লেহুকা হাতেৰে মৰমৰ দীঘ দি চেনেহৰ বাণিৰে চিঠিত বুটা বাচি পঠিয়াইছে। চিঠিৰ শেষত চাগে অলপ ৰস মিহলাই, অলপ নম্ৰতা দেখুৱাই লিখিছে—পান খালো চূণ খালোঁ আৰু খালোঁ লং, কাউৰী-ঠেঙীয়া আখৰ দেখি নকৰিবা খং।

খৈণী মোহাৰি থকাটোক সুধিলো—মহী কানাণগুৰ ঘৰটো কোন খিনিত ?

সি ক'লে—অ', চিত্ৰলেখাৰ বাপেক ? অলপ গৈয়ে টিন-পাতৰ ঘৰটো। ধাপত ওখ ওখ কেতেকী গছ আছে।

সিহঁতক এৰি দুখোজমান গৈয়ে সিহঁতৰ কথা পাছ ফালৰ পৰা শুনিবলৈ পালোঁ।

এটাই সুধিছে—আমাৰ গাৱঁত ক'ৰনো চিত্ৰলেখাজনী ওলাল অ'?

ইটোৱে কৈছে—কবই নোৱাৰ? ধিক তোৰ জনম। সেই যে নাটেসৰী জনী! জিলাত এবছৰমান পঢ়িযেই এতিয়া মাজে মাজে ক'লা চচমা পিন্ধিহে ৰ'দলৈ ওলায।

আকৌ আনটোৱে সুধিলে—তাইনো চিত্ৰলেখা হ'ল কেনেকৈ?

ইটোৱে উত্তৰ দিলে—তাই নোহোৱাহেঁতেন জানো যামিনীক বিপুলে ইমান চল কৰিব পাৰে? তাই ভালেই আছিল। কিবা এটা মাৰাত্মক কথা আছে বুলি মই ভাবি পালোঁ। সেইটো কথা কিজানি গাৱঁৰ সকলোৱে জানে।

বৰুৱাই ক'লে—অনুমান হৈছে, ইয়াৰ ডেকাবোৰ কামবন নকৰি গা ঘেলোৱা বিধৰ।

মই কলোঁ—আৰু পৰৰ আলোচনা কৰি মুখৰ খজুৰতি মাৰে।

—অ' তুমিও তেনেহলে কথাটো মন কৰিছা। ইহঁতে কানাগুৰ ঘৰকে খুটিযাইছে যেন পাইছোঁ। গাৱঁত এঘৰ জাকতজিলিকা মানুহ থাকিলে বাকীবোৰে হিংসা কৰেই।

দ্বিতীয় কেঁকুৰিটো পাৰ হোৱাৰ পাছতেই টিনপাতৰ ঘৰ এটা চকুত পৰিল। কিন্তু এটা কথাই আচৰিত কৰিলে। পোনতে লগ পোৱা ল'ৰা কেইটাই ঠিকেই কৈছিল। ওচৰতে

এখন মানুহ আছে। নিশ্চয় খুব দুখীয়া হ'ব। একেবাৰে সৰগ দেখা চালৰ আৰু চকুৱাৰে টাপলি মৰা বেৰৰ ঘৰ এটা। পদুলি মুখত ধুনীয়া ছোৱালী এজনী থিয় দি আছে। তাইৰ চুলিবোৰ তেলৰ অভাৱত বননিৰ দৰে হৈছে। বেছি দিন যদি চুলিৰ যত্ন নোলোৱাকৈ থাকে জঁটা বান্ধিব। পোছাক মলিয়ন। চকু লাটুমণিৰ দৰে। মূৰ জোকাৰি থকা ধৰণটো পাগলীৰ দৰেই।

তায়ে উপযাচি মাতিলে—আপোনালোক মহীৰ তালৈ যাব নহয় ?

কথাখিনি আকৌ ভাল। মাতটো বৰ মিঠা। এই মিঠা মাতটো অলপ লেনঁযা কৰি দিলেই যেন এটা গান হৈ পৰিব। আমাক কথাটো সুধিযেই উত্তৰলৈ বাট নেচালে। ঘৰলৈ ঢাপলি মেলিলে।

আমি টিনপাতৰ ঘৰটোত সোমালোঁ। সেইটোৱে মহী কানাগুৰ ঘৰ। গাৱঁৰ ভিতৰত যে ধনী হ'ব, ঘৰ দেখিয়েই ধৰিব পাৰি। প্ৰায আঠৈ কুৰি বছৰৰ মানুহ এজনে আমাক বহিবলৈ দিলে। নিশ্চয় ল'ৰাৰ বাপেক মহী কানাগু।

বুঢাই সুধিলে,—পিছে আপোনালোক ?

বুজা গ'ল টঙ্কেশ্বৰ বৰুৱাক তেওঁ চিনি পোৱা নাই।

বৰুৱাই ক'লে,—আপোনালোকে ছোৱালী চাবলৈ যোৱাৰ কথা আছিল দেখোন। নোযোৱা দেখি আমিয়েই আহিলোঁ। ভাবিলোঁ শুভ কাৰ্য্যত· ···

বুঢ়াই ক'লে—অ' বুজিছোঁ। আপুনি টঙ্কেশ্বৰ বৰুৱা। আপুনি যে ওলাবহি, ভাবিবই পৰা নাছিলোঁ।

ছুয়ো হাঁহিলে। মোক চিনাকি কৰি দিয়া হ'ল।

কানাগগু এবাৰ ভিতৰৰ পৰা আহিল আৰু নিজে চকি এখনত বহি লাহে লাহে ক'লে—মই আকৌ কালি চিঠি এখন দিম বুলিহে ভাবিছিলোঁ। বিপুলে ক'লে বোলে ছোৱালী হেনো সি নিজেই চাবগৈ। মই সকাহ পালোঁ। এতিয়া আৰু বুঢ়া কালত ঘূৰি ফুৰাৰ দিন নাই।

মই মাত লগালোঁ—আজি কালি ল'ৰাইহে ছোৱালী চোৱাৰ দিন আহিছে। আগৰ দৰে বাপেক-মাকৰ পছন মতে বিয়া পাতিবলৈ নিবিচাৰে। অৱশ্যে কথাটো ভালহে।

মোৰ কথাত টঙ্কেশ্বৰ বৰুৱা আৰু মহী কানাগগুৱে আমোদ পাই হাঁহিৰ ৰগৰ তুলিলে।

—এতিয়া তেওঁ ক'লৈ গ'ল?

—পৰীক্ষা দি অতাই কেইদিনমান ঘৰত আছিল। হাকিমৰ পৰীক্ষাটোতো ইণ্টাৰভিউ পাইছে। সেই কাৰণেই কালি গুৱাহাটীলৈ গৈছে।

এই দৰেই কথা আৰম্ভ হ'ল। বুঢ়াৰ কথাৰ পৰা জানিব পাৰিলোঁ,—বিপুল চাৰি দিনৰ পাছত গুৱাহাটীৰ পৰা উলটিব আৰু সেই ফালেই ছোৱালী চাই আহিব। ছোৱালীৰ ফটো সি পাইছে আৰু অপছন হোৱা নাই বুলিও বুঢ়াই অনুমান কৰে। তাৰ বিয়াখনৰ কাৰণে তেওঁ বৰ যত্ন কৰিছে।

বিপুলৰ মাক নাই। ঘৰুৱা কাম কৰিবলৈকে নিজৰ ছোৱালীজনী নৱম মান শ্ৰেণীৰ পৰা পঢ়া এৰুৱাব লগা হ'ল। বিপুলৰ বিয়াখনৰ পাছতহে ঘৰখন ঠান-ঠিত লাগিব। ইত্যাদি।

জীয়েকে পোনতে চাহ দুকাপ আমাৰ আগত থ'লেহি। বৰুৱাই সুধিলে—মইনা, তোমাৰ নামটো কি?

—অনিমা।

ছোৱালীজনী বৰ তজবজীয়া যেন লাগিল। অনুমান হ'ল এনেকুৱা ছোৱালীবোৰেই সাজি কাচি এফালে ওলাই গ'লে, চহৰৰ পাণ-দোকানত খাপ পিটি থকা ল'ৰাবোৰে পাছ-ফালৰ পৰা কিৰিলি পাৰে। এটা চিকুণ ডেকাৰ লগত চিনাকি হোৱাৰ অলপ দিনৰ পাছতেই, 'দাদা, আপুনি বৰ নিহকুটুমীয়া, আমাৰ ফালে যাবলৈ পাহৰিলেই' বুলি খুব আপোনভাৱে ইহঁতে ক'ব পাৰে। এমাহৰ পাছত জীৱন-যৌৱন, দূৰণিৰ পাহাৰ আৰু দূৰ দিগন্তৰ নীলা আকাশৰ অসীম বেদনাৰ কথা কৈ নিলিখা কবিতাৰ পাতনি মেলিব পাৰে।

কানাগুৰে ক'লে—আপোনালোকে কিন্তু ভাত মুঠি খাই যাব লাগিব।

আমি সবিনয়ে আপত্তি কৰিলোঁ। বান্ধনী ঘৰৰ ফালে কাঁহি-বাতিৰ শব্দ শুনা গ'ল। তেওঁ জীয়েকক কিবা কোৱা শুনিলোঁ। বোধকৰোঁ আমাৰ কাৰণে আন কিবা খোৱাৰ ব্যৱস্থা কৰাত বাপেক আৰু জীয়েক ব্যস্ত। তেওঁৰ কাৰণে

দুখ লাগিল। গৃহিণী নথকাৰ কাৰণেই আবিযৈ ছোৱালীৰ হাতে ভাত খাব লগা হৈছে। এই কথা আমাৰ আগতে কৰলৈকো সংকোচ নকৰিলে।

জীয়েক আৰু বাপেক ভিতৰত থাকোতেই এটা আচৰিত দৃশ্য উপভোগ কৰিলোঁ। আমি বাটত পাই অহা ছোৱালীজনী কোচত কেঁচুৱা এটা লৈ আমাৰ কাষতে পীৰা এখন পাৰি বহিল। তাই ভেবা লাগি আমাৰ ফালে চাই থাকিল। তাই যদি পাগলী, এনেকৈ শান্ত হৈ বহি থাকিব কিয়? তাইনো আমাৰ আগত বহিলহি কিয়? মোৰ বৰ কৌতূহল হ'ল। কানানগু আমাৰ ওচৰলৈ আহিব খুজি তাইক দেখিয়েই উচপ খোৱা যেন কৰিলে। তৎক্ষণাৎ ভিতৰলৈ সোমাই গ'ল। অনিমাই আহি তাইক চুপ চুপাই ভিতৰলৈ নিবলৈ চেষ্টা কৰিলে। তাই গেঙেৰী দিহে উঠিল। ক'লে—নেযাওঁ যা। কি জেলেঙত দিবি? মই এখেতসকলক এটা কথা ক'ব লাগে।

এইনো কি কথা ক'ব? মই একো ভাবি নেপালোঁ।

ভিতৰত অনিমাই কোৱা শুনিলে।—পিতাই এই উঠিবই নোখোজে। কানানগুৰ মুখত মাত নাই। কিজানি লাজ পাইছে। পাগলী এজনীৰ নতুন আলহীৰ আগত ওলোৱা লাজৰ কথাই। অণিমা ভিতৰৰ পৰা আহি খুব টানকৈ ক'লে—ভালে ভালে উঠ একা। চুলি ঘঁটা খাবি।

এইবাৰ পাগলীৰ উগ্র মূৰ্ত্তি। ক'লে—বাপেৰৰ সাহ!

তাই অণিমাক গটা মাৰি দি টঙ্কেশ্বৰ বকৰালৈ চাই ক'লে—দেউতা, আপুনি মোৰ বাপেকীৰ লগৰ মানুহ। এটা কথা কওঁ। বিপুলক আৰু এজনী ছোৱালী নিদিব। চাওক, এইটো মোৰে কেঁচুৱা। ইযাৰ ককাক কানানগু।

অণিমাই শুনিলে হ'বলা। তাই ভিতৰৰ পৰা বিস্মাশবদে লৰি আহিল। হাতত এখন মৈদা। পাগলীয়ে এখন হাতেৰে মৈদাখন কাটি লৈ মাটিলৈ দলিয়ালে। অণিমাই কঁকালত হাত দুখন থৈ ফোঁপাই ফোঁপাই ক'লে—চালি, ইমানে তোক মুজুৰিলে। যা, ভালে ভালে যা। শাংখিনী।

নেযাওঁ যা। তোৰ দৰে নাটেসৰ্বীজনীৰ কথা শুনিম? তোৰ দৰে মতা ভুলাই ভুলাই অনাই বনাই ফুৰা তিৰোতা মই নহয়। (অশ্লীল, অণিমাৰ অসতী কাৰ্য্যৰ বিষয়ে অশ্ৰাব্য অভিমত)

এতিযাহে তাইলৈ বেছি কৌতূহল হ'ল। কিন্তু খন্তেকতে পাগলীয়ে যেন ফেনাহে মেলিলে। কেচুৱাটো মাটিত থৈ মৈদাখন ডাঙি অণিমাৰ মূৰত মাৰেই। কথা বিষম হ'ল। নিজৰ হাতখন কটা যোৱাৰ আশঙ্কা থকা স্বত্তেও মই থাপ মাৰি মৈদাখন বহু কষ্টৰে কাঢ়ি লোৱাতহে অণিমাৰ মূৰ দুফাল নহল। তাইক খুব জোৰেৰে হেঁচা মাৰি ধৰিলোঁ। তাই ফোপাই দাঁত কৰচি আপোন মনে কৈ গ'ল—এইয়ে জটকুটৰ ঘাই। তাইৰ লগত মিলাবলৈ মেলা চাবলৈ যাওঁতেই এই অৱস্থা। তাতেই সি সুবিধা পালে। তায়ো

(অশ্লীল) মতা বিচাৰি ল'লে, মোকো ককাযেকৰ হতুৱাই লেখাত পেলালে। তাইহে বেশ্যা। এই চালি [অশ্লীল]

অণিমাৰ আৰু সহ্য ন'হল। তাই দুখৰি পীৰাখন ডাঙি লওতেই মই কাঢ়ি ল'লোঁ আৰু ঠেলি ভিতৰলৈ পঠিয়াই দিলোঁ। পাগলীয়ে আকৌ চোচা লৈছিল। মই দুৱাৰ ভেটি ধৰিলোঁ। তাই বকিবলৈ ধৰিলে—ইস্, সি আকৌ ভুমাহ-মান কি মিহি মিহি কথা ক'লে। কিমান লোভ দেখুৱালে! দেউতাইঁত, মোৰ বিয়া একৰকম হৈ গৈছে। সি মোৰ পৈ যদিও, পাতকী। মোক দেখিব লাগে বুলিযেই ঘৰলৈ নাহে।

পাগলীৰ চিঞৰি চিঞৰি কোৱা কথা, আৰু ভিতৰত অণিমাৰ বলকনিযে গোটেইখন ৰৌজাল-বৌজাল লগালে। টঙ্কেশ্বৰ বৰুৱা চকিত পুতলাৰ দৰে বহি থাকিল। ভিতৰত মহী কানানগু আছে নে ক'বই নোৱাৰি। কিজানি আছে। এইবোৰ হুলস্থুলৰ মাজত উপস্থিত থাকিবলৈ লাজ পাইছে হ'বলা।

এনে সময়তে পদুলিৰ মুখত এটা দুৰ্ব্বল কণ্ঠৰ মাত শুনি পাগলী থমকি ৰ'ল। পদুলি মুখলৈ চালোঁ। এটা কঙ্কাল-সাৰ বুঢ়াই কৈছে—যামিনী, গুচি আহ। আমি সিহঁতৰ লায়-কৰ নহয়। গুচি আহ। তই কাজিয়া কৰিলে কি লাভ হ'ব?

কঙ্কালসাৰ মানুহটোৱে লাখুটিদালত ভৰ দি দি আঁতৰি গ'ল। যামিনীয়ে কান্দি থকা কেচুৱাটো কোচত তুলি ল'লে।

খুব আদৰ কৰি চুমা এটা খালে আৰু অতি নিৰ্জ্জু ছোৱালী-জনী হৈ ওলাই গ'ল।

আমি বহি থকা কোঠাটো কঠোৰ নীৰবতাই গ্ৰাসী পেলালে। কোনেও কাৰো মুখলৈ চোৱা নাই। মহী কানাণগু আমাৰ আগলৈ আহিল। মই লাজতে তেওঁৰ মুখলৈ নেচালোৱেই। কিন্তু লাজ পাব লাগিছিল টঙ্কেশ্বৰ বৰুৱাই। বেছি লাজ পাব লাগিছিল মহী কানানগুৱে। তেওঁলোকৰ মুখৰ পৰা তেনে ভাব ধৰা নপৰিল। অণিমাই খোৱা-বস্তু টেবুলত সজাই দিলে। কানানগুৱে খাবলৈ অনুৰোধ কৰিলে। টঙ্কেশ্বৰ বৰুৱাই মোৰ মুখৰ ফালে চাই খোৱা বস্তুত হাত দিলে। ময়ো খোৱাৰ দৰে ইচ্ছা প্ৰকাশ কৰিলোঁ। কিন্তু ঘৃণাতে সেই-বোৰ বস্তু হাতেৰেই নুচুলোঁ। কানানগুৱে মোক ছুনাই অনুৰোধ নকৰিলে। হয়তো মোৰ দৰে মানুহ এটাক আপ্যা-য়িত কৰিবলৈ তেওঁৰ ইচ্ছা থাকিলেও, মোৰ দৰে মানুহ এটাই বেয়া পোৱাৰ কাৰণে তেওঁ আক্ষেপ নকৰে। এই কথা দুযোজন ভাবী বিয়ৈৰ আলোচনাৰ পৰাই বুজিলোঁ। মোৰ ক্ৰোধ সম্বৰণ কৰি থকাই টান হৈ পৰিল। মুখ জপাই বহি থাকিবলৈ যথেষ্ট সংযম লাগিছিল।

কানানগুৱে কৈছিল—আপোনালোকৰ এনেয়ে দুখ হ'ল। ল'ৰাটিও নাই। আকৌ এইবোৰ অঘটনো হৈ গ'ল। মোক ক্ষমা কৰিব।

টঙ্কেশ্বৰ বৰুৱাই কৈছিল—এস্, আপুনি কিয় ইমান চিন্তা

কৰিছে? মই সেইবোৰ সৰু সুৰা কথা ধৰা বিধৰ মানুহ নহয়। ডেকা কালত কাৰনো এনেকুৱা নহয়? পাছত বিয়া-বাৰু কৰিলেই সকলো ঠিক হৈ যায়।

কানানগুৱে কৈছিল—এৰা, তাৰো হাকিমৰ পৰীক্ষাটোৰ ভাল খবৰ এটা ওলালেই শতৰুৰ মুখত ছাঁই পৰিব। মোৰ ল'ৰাৰ বহুত শতৰু। সি দোপতদোপে উঠি যোৱা দেখি সকলোৰে চকু পৰিছে।

০ ০ ০ ০

ঘৰলৈ উভতি আহোঁতে বৰুৱা আৰু মই একো কথা-বতৰা হোৱা নাছিলোঁ। এৰা-এৰি হোৱাৰ সময়ত তেওঁ কৈছিল—তুমি আকৌ এইবোৰ কথা কামাখ্যাৰ মাকৰ আগত নক'বা। জানিছাই নহয়, আজি কালি 'ভাল' ল'ৰা এটা যোগাৰ কৰিবলৈ কিমান টান।

শুনিযেই আমাৰ শ্ৰীমতীয়ে কোৱা মতেই কামাখ্যাৰ সকলো গুণ এটা এটাকৈ মোৰ মনত পৰিছিল। তাইৰ সুন্দৰ শান্ত মুখশ্ৰীয়ে মোৰ মনত বিদ্ৰোহৰ ঢৌ তুলিছিল। যিমান সোন-কালে পৰা যায় সিমান সোনকালে এটা নিষ্ঠুৰ জন্মদাতাৰ কাষৰ পৰা আতৰি আহিছিলোঁ আৰু স্বস্তি অনুভৱ কৰিছিলোঁ।

———

মৰণ-পৰ্ব ঃ এজনী ডাইনীৰ

কাজলী বাতিটোৰ ভিতৰতে কৰবালৈ উধাও হ'ল। সত্ৰৰ প্ৰতাপী মুক্তিয়াৰ হৰি কান্ত। তেওঁৰে ন-ঘৈণী। একেবাৰে মান-সন্মানৰ মূৰ খোৱা কথা। এইটো এটা বিৰল ঘটনা।

মাথুন্দীক দেখোন গিৰিয়েক মহীৰামে কথাই কথাই খকৰা-মুকুতি দিয়ে, ভাত মুঠি দিয়াৰ অকণমান হেন-পেচ হ'লেই ফলীয়া বাঁহেৰে কোবায়, মাকৰ ঘৰলৈ যাওঁ বুলিলেই জেওৰা খৰিৰে পিঠি ডবলা-ডবল কৰে। সেইবুলি জানো মাথুন্দী মহীৰামক এৰি ক'ৰবালৈ গৈছে? পতি বিনে তিৰোতাৰ গতি নাই। শাস্ত্ৰৰ মৰ্ম্ম তাই কিজানি বুজি পায়। কিন্তু কাজলীয়ে কৰিলে কি? তাই গিৰিয়েকক কুটা এডাল বুলি নেভাবিলে।

সত্ৰ তল-ওপৰ লাগিল। কাজলী এনেকুৱা হ'ব পাৰে বুলি কেৰে সপোনতো ভৱা নাছিল। মুক্তিয়াৰৰ ইমান ধন-সোণ তাইৰ মানত পানীৰ মিঠৈ হ'ল। তিৰোতা বিজাত হ'লে আৰু উপায় নাই। লোহাৰ দুৱাৰত শলখা মাৰি থলেও মোৰ-পোলোকা দিবই।

হৰি কান্তই মানুহৰ আগত মুখ উলিযাব নোৱাৰা হ'ল। খুব কম মানুহহে তেওঁৰ খবৰ ল'বলৈ আহিছে। তাকো খুব পৰিচিত-বোৰেহে। আন আহিবলৈ সাহ কৰিব নোৱাৰে। অধিকাৰ প্ৰভুকো হোলোকে হোলোকে পানী খুৱাব পৰা মানুহ,—হৰি কান্ত মুক্তিয়াৰ। বুদ্ধিত শকুনি, অত্যাচাৰত যেন মান ৰজাৰ সেনাপতিহে। তেওঁ বহুতৰ সংসাৰত জুই জ্বলাইছে। অধিকাৰে এইবোৰত মাত দিব নোৱাৰে। তেখেত মাথোঁ পুতলাহে। এনে স্থলত, কোনোবাই যদি খবৰ ল'বলৈ আহোঁতে তেওঁ ভাবে যে ইহঁতে মোৰ ৰং চাবলৈহে আহিছে, তেতিয়া সেইপাত শেল জোঙাই থ'লেহে কথা বিষম হ'ব। উৰহুৰ খং ঢাৰি-পাটীত পৰিব।

অৱশ্যে পুৱাই তেওঁক সান্ত্বনা দিবলৈ আহিছিল,—লেতেকু-বড়িৰ হোদোৰ গাওঁবুঢা, সত্ৰৰে তোলন গায়ন, তিনিটা হাতীৰ গৰাকী মধুপদ্ম, পহুকটাৰ মৌজাদাৰ বিনন্দ আৰু কেন্দুগুৰিৰ আষোণা ঘাটুৱৈ। এওঁলোক মুক্তিয়াৰৰ নলে-গলে লগা। পিছে, এতিয়া সান্ত্বনা দিয়া মানে, বৰষুণৰ পাছত ছাতি বিচাৰি দিয়া। তাইক আগতেই ঘৰত মন বহুৱাব পৰা

বুদ্ধি দিব লাগিছিল। এতিয়া মুক্তিযাবৰ জোৰ পুৰি পুৰি হাতখনো পুৰিলে। তাই বনৰ পখী। মুক্তিযাৰক ডেউকাৰে কোবাই উৰি গ'ল। তেওঁক ইতিকিং কৰিলে। তেওঁ ভাবিলে, —মোৰ ইমান মাটি-বাৰী, ধন-সোণ আৰু ক্ষমতা, সকলোবোৰ তাই নৈৰ জাঁজী বুলি জ্ঞান কৰিলে? ভোলন গায়েনে ক'লে, "তিৰোতাৰ চৰিত স্বয়ং দেৱতাৰো অবিদিত। আনকি সীতা গোঁসানীয়েও বনবাস খাটি আহি ৰাৱণৰ মূৰ্ত্তিটো আঁকি চাইছিল।"

এই পাঁচজন মানুহো নিজৰ নিজৰ এলেকাত বেচ খিতাপ দেখুওৱা বিধৰ। প্ৰত্যেকেই কাজলীক তিনি দিনৰ ভিতৰতে বিচাৰি উলিয়াব পাৰিব বুলি কথা দিলে।

"তিৰোতা মানুহ এজনী কিমান দূৰলৈ পলাই যাব পাৰে? বুদ্ধিনো কিমান? সিহঁতৰ বুদ্ধিৰ সীমা অতি বেচি চ'ৰাঘৰৰ দুৱাৰ-দলি। তদুপৰি তিৰোতা বিজাত হ'লে জানো মতাটোৰ দুৰ্যশ? গুণীৰ গুণত কোনজনী কলঙ্কিণীয়ে ফুট ছাঁই সানিব পাৰিছে? সিহঁত ঢোলৰ লগত টেমেকা। পুৰুষ অবিহনে চকা নোহোৱা গাড়ী, পানী নথকা পুখুৰীৰ পুঠী মাছ। পুৰুষ বট গছ, তিৰোতা লতা।" হাতীধনী বুঢ়া মধুপদ্মই কথাই কথাই উপমা দি বুজালে।

হোদাৰ গাওঁবুঢ়ায়ো ক'লে, "বুইছে, মুক্তিয়াৰ, তাই নিজৰ ভৰিত বাগী কুঠাৰ মাৰিছে। সোনকালে তাৰ দেখ-দেখ প্ৰমাণ পাব। এদিন নৌ যাওঁতেই ঘূৰি আহি আপোনাৰ ভৰিত

পৰিবহি। তেতিয়া আপুনি সদয হলে নচলিব।"

আঘোণা ঘাটুৰৈ মুক্তিয়াৰৰ হিতাকাঙ্ক্ষী যদিও তেওঁ খ'টিৰ কৰা বিধৰ মানুহ নহয়। তেওঁৰ ভালেমান কথাত সন্দেহ উপজিল। কাজলী যে ইমান সুখত থাকিও পলাই গ'ল, ইয়াৰ নিশ্চয় কিবা কাৰণ আছে। মুক্তিয়াৰ জানো সুদা বিধৰ মানুহ ? সুবিধা আদায কৰিবৰ সময়তহে মুখখন গুড়ত-কৈও মিঠা। এওঁ একেটা কথাকে দহ বাৰ ক'লেও তাৰ তলা-নলা পোৱা টান। সেই কাৰণেই আঘোণা ঘাটুৰৈয়ে একো দিহা-পৰমাৰ্শ আগ নবঢালে। কাৰণ, তেওঁ ভাবি পালে যে কাজলী আপোনঘাতী হৈ মৰিল। বিনন্দ মৌজাদাৰে আইনৰ ধাৰা দুটামান মুখস্থ মাতি পুলিচত আশ্ৰয লোৱা ভাল হ'ব বুলি মুক্তিযাৰক বুজালে।

এওঁলোক বহি থকা সময়কণ মুক্তিযাৰৰ মনটো পাতল পাতল লাগিছিল। কিন্তু অকলশৰীয়া মানুহটোক নানা আশ-ঙ্কাই থকা সৰকা কৰিলে। তেওঁ কাজলীক একেবাৰে বুজিব পৰা নাছিল। তাই যদি কঁহুৰাবনৰ সেই ডেকাটোলৈ গুচি গ'ল ? তালৈ গ'লে কথা উজুৰেই হ'ব। পুলিচৰ হতুৱাই ধৰাই আনিব পৰা যাব। সি জেল-ভাত খাব লাগিব। আৰু কাজলীৰ ? তাইক দিনে দিনে ঘৰত কষ্ট দি পাপৰ পোটক তুলিব।

কিন্তু তেওঁৰ আজি নিজকে ইমান হীন হীন লাগিছে কিয় ? এজনী সাধাৰণ তিৰোতাই তেওঁক হেয়-জ্ঞান কৰি

গ'ল বাবে ? ধন-সোণ, মাটি-বাৰী, ক্ষমতা—এইবোৰ তাই অমূলক বুলি ভাবিলে ? এৰা, তাই শেষত তেওঁক কেতিয়াও পাহৰিব নোৱাৰা এটা অপমান কৰিলে। এই অপমান মৃত্যুতকৈও অবাঞ্ছনীয়। যযাতিৰ জৰাৰ প্ৰতি কোনো ৰূপহী কুৰঁৰীৰ ঘৃণাই নৃপতিৰ সিংহাসন তুচ্ছ কৰিব পৰা নাই, কিন্তু তুচ্ছ কৰিছে নৃপতিৰ অন্তৰাত্মাক। মুক্তিয়াৰৰ আত্মাক আজি সেই তুচ্ছতাবোধে বিন্ধিছে। মানুহ এটাৰ মুখলৈ স্পষ্টকৈ চোৱাৰ সাহসকণো হেৰাই গৈছে।

তেওঁক চিন্তাই অৱশ কৰিলে। কাজলীক বিচাৰি পায় যদি ভাল কথা। আপোনঘাতী হ'ল যদিও এনেকুৱা ভাবি লাভ নাই। পিছে নিজে কাজলীক বিচাৰি ফুৰাটোহে বেছি হাহিযাতৰ কথা হ'ব। চাৰি দিনৰ আগতে বৰ পুতেক শহুৰেকৰ ঘৰলৈ গ'ল। নাতি দুটা আৰু বোৱাৰীয়েকো গৈছে। সিহঁত এপষমান নাহে। বিয়া দিয়া জীয়াৰী দুজনী-য়েও এই কলঙ্কৰ ভু পাবলৈ এমাহমান লাগিব। মাজুটো ল'ৰা কন্দৰ্পই ৰহাত থাকি পঢ়া-শুনা কৰে। সিও সতকাই নাহে। কিন্তু ইহঁত ঘৰত থকা হ'লে তেওঁ ঘৰত বহি থাকি-বলৈকে লাজ পালেহেঁতেন। আলেণ্ডে আলেণ্ডে ঘূৰি ফুৰিব লাগিলহেঁতেন। বৰ পুতেক মহেশে কাজলীক বিয়া কৰোৱা প্ৰস্তাৱ শুনি জঁপি উঠিছিল। মুক্তিয়াৰৰ হাততেই ঘৰৰ উপা-ৰ্জ্জনৰ চাবি-কাঠী আছে কাৰণে মহেশৰ মত নৰজিল।

কাজলী আপোনঘাতী হ'ল বুলি আন মানুহে কোৱা-

কুই করিলে। হিজলবাৰী সত্ৰত আপোনঘাতী হোৱাৰ দৃষ্টান্ত বিৰল নহয়। মুপূৰে চন্দ্ৰাক বিয়া কৰাই সুখী হ'ম বুলি ভাবিছিল। কিন্তু ইজনীৰ পাছত সিজনীকৈ যেতিয়া লানি নিছিগা ছোৱালীৰ দলটো তাই জনম দিলে, সি অপুত্ৰক হোৱাৰ ভয়ত আৰু এজনী বিয়া কৰিবলৈ মন মেলিলে। বেইৰ তলত জোৰণৰ দিনা দৰা নোওৱা হ'ল আৰু সেই দিনাই চন্দ্ৰাই ডিঙিত কলহ বান্ধি সোণাই নৈত জাপ দিলে।

হিজলবাৰীৰ পূব ফালেদি সোণাই নৈ। কাছমাৰী ডুবিও নিলগত নহয়। যদি কাজলী তাতে পৰি মৰিল, ডুবিৰ তলত শটো বিচাৰিবলৈ টান হ'ব। কোনো পৈণত সাতুঁৰিয়ে বুৰ দিবলৈ সাহ নকৰিলে। কাছমাৰী ডুবিৰ তলী বিচাৰি নিজেহে হেৰাব লাগিব। কিমান দ' কোনেও ক'ব নোৱাৰে। এবাৰ হেনো ভাটীফালৰ নাৱৰীয়া এটাই সাতদাল চৈ জোৰা দিয়ো তলীখন নেপালে। এইটো কালিকা লগা ডুবি। মানুহৰ ধাৰণা, ইয়াৰ তলীখন হেনো পাতালত লাগি আছে গৈ। চলওত নোম গজা, বুকুত শেলুৰৈয়ে ধৰা বিয়াগোম বিয়াগোম কাছ কুটামানে হেনো মাজে মাজে ওপৰলৈ উঠি আহি দ'ৰক দি দি বতাহ খায়হি। এইটো ডুবিতে কাজলীয়ে যদি জাপ দিলে, তিন দিনৰ পাছতো ভেলটো ওপঙি নেথাকিব। কাছ বা বৰালি মাছে তলতে খুটি খাই শেষ কৰিব।

মধুপদ্মই নিজৰ হাতী তিনটাৰে দক্ষিণ ফালে থকা প্ৰকাণ্ড হাবিখন বিচৰালে। একো ফল ন'হল। এইখন বৰ জঁয়াল

হাবি। শলখ, গমাৰী, নিম, কৰৈ আদি গছে দিনতে এন্ধাৰ কৰি ৰাখে। দুডাল শলখ গছৰ মাজত থিয় দি ওপৰলৈ চালে বেলিটো দেখা নেযায়, চকুত ছুটা এটা তৰাইহে ধৰা দিয়ে। বাঘেও ঘনাই ঘনাই হাওৰিযাই থাকে। কুকুৰনেচীযা আৰু বন গাহৰিৰ উৎপাত আৰু বেছি। গতিকে নিজৰ ইচ্ছাৰে প্ৰাণ এৰিব খুজিলে ইযালৈ গ'লেই হ'ল। খন্তেকতে বাঘে একে মোচোকাতে ডিঙিৰ হাড ভাঙি পিঠিত তুলিব নাইবা বন গাহৰিযে দাঁত বজুৱাই নাড়ীভেক বাজ কৰিব। কাজলীও ৰাতি ইযালৈ আহিছিল বুলি বহুতৰ সন্দেহ। তিনটা হাতীযে শটো নেপালে কাৰণে তাই ইযাত মৰা নাই বুলি ভাবিব নোৱাৰি। হাতীযে গোটেইখন হাবি চলাথ কৰিব পাৰিছে বুলি বিশ্বাস নহয। হাতী হেন চিকাৰী জন্তুৰো ইযাৰ ভিতৰত দিক্‌জ্ঞান শূণ্য হ'ব।

এইখন হাবিৰ উত্তৰে হিজুলবাৰী সত্ৰৰ দক্ষিণ সীমাত লগা লগি হৈ আছে—যমতুবাৰ মৰিশালী। প্ৰায়ে পোন্ধৰ পূৰামান মাটি এইখন মৰিশালীযে জুৰি আছে। ডাঠ সেউজীযা পাতৰ যুটুৰাবাৰ জুতকুন্দা চুলিৰ যখিনী যেনহে লাগে। ফুলবোৰো যেন যখিনীৰ তেলেকা তেলেক চকুহে। নিলগে নিলগে থিয় দি থকা ওখ ওখ নিমগছবোৰ বা চটিয়না গছবোৰ একো একোটা দ'ত যেন লাগে। বেছি ভয়াতুৰ মানুহে কয়, এইবোৰ গছ হেনো দ'তহে। দিনতহে গছৰ ৰূপ লৈ থাকে। দ'তৰ বৰ মায়া। সিহঁতে মানুহৰ ৰূপ লৈয়ো ছলনা কৰিব

পাৰে। মৰিশালীলৈ লৈ গৈ ভুকুৱাই মাৰিব পাৰে। খেৰজাঁই কাকতিক এবাৰ দ'তে মায়া কৰিছিল। সেইবাৰ সোণাইত উজান উঠিছিল। মাছ মাৰিবলৈ বুলি ৰাতি দ'তে সখীযেকৰ ৰূপ লৈ খেৰজাঁইক জগাইছিল। সি চাকিটো লৈ ওলাই আহোতে কৈছিল, "সখি, উজান ধৰিবলৈ যাওঁ আহক। বেগেতে ওলাওক।" কিন্তু ওলোৱাতেতেনেই খেৰজাঁইৰ আইধা। বাৰুকৈ, তাৰ গালৈ হুঁচ আহিল। সি লক্ষ্য কৰিলে, সখীযেকৰ ছাটো মাটিত পৰা নাই। দ'তৰহে ছা নপৰে। তাৰ গাটো জ্বৰে ঘমা দিলে। চকু মুদি ভগৱন্তক চিন্তিলে: ৰাম কৃষ্ণ হৰি, ৰাম কৃষ্ণ হৰি, ভাবিযো ভাবক ভাই। ৰাম কৃষ্ণ হৰি, গোবিন্দ বুলিযা, ৰাখিযো যমৰ দাই॥ তেতিয়াহে তাৰ চকু মেলি চাবলৈ সাহে কুলালে। দেখিলে, মায়াবীটোৱে তেওঁ ভেচৰৰ বাঁহ এডাল ভাঙি ফাহিচিটিকা দিলে।

মুকুন্দকো ফুচুলিয়াই নিছিল। মানুহে গম পাই খোলতাল বজাই মৰিশালী ওলালগৈ আৰু দেখিলে যে সি মুখেৰে ফেন কাঢ়ি জিভা উলিয়াই পৰি আছে। তাক ঘৰলৈ অনা গ'ল। পিছে এমাহ জ্বৰ নেৰানেপেৰা জ্বৰে বুকুৰ হাড় লেখিব পৰা কৰিলে।

সেই কাৰণেই কাজলীকো দ'তে মায়া কৰিলে বুলি মানুহে সন্দেহ নকৰি নোৱাৰিলে। কলীয়াৰ কৈচুৰা এটা মাকৰ গাখীৰ নেখাই শুকনি লাগি মৰিল। সি যম-দুৱাৰ মৰিশালীত নিজে পুতি থৈ আহিবলৈ সাহ নকৰিলে। লগতে

ভালেমান মানুহ গ'ল। মানুহবোৰে এই চলতে মৰিশালীৰ ভালেখিনি ঠাই চালে। ক'তো কাজলীৰ শটো বা কংকালটো দেখা নেপালে। তাইৰ কংকালটোও সিহঁতে চিনি পালেহেঁতেন। কাৰণ, সকলোৱে শুনিছে যে তাই ওলাই অহাৰ সময়ত খাৰু এযোৰ পিন্ধি আছিছিল। খাৰু যোৰ আৰু দামি ভগা যটা ছাতি এটাহে হৰি বাস্তু মুক্তিয়াৰে ঘৰত বিচাৰি পোৱা নাই।

একোতে সন্ধান নিমিলাত কাজলীৰ হঠাতে নাইকীয়া হোৱা ঘটনাটোৱে ল'বাৰ পৰা বুঢ়ালৈকে সকলোৰে মনত অসীম ৰহস্যৰ খলক তুলিলে। কাজলীকে লৈ বহুত আলোচনা চলিল। আচলতে কাজলী পাপিনী নে, মুক্তিয়াৰ পাপী, এয়ে লৈ বুঢ়াৰ মাজত শাস্ত্ৰৰ ব্যাখ্যা চলিল। কোনোৱে ক'লে যে কাজলী যদি আপোনঘাতী হৈছে, তেনেহলে তাইহে পাপিনী। কিয়নো, ভগৱন্তত বিশ্বাস নেথাকিলে আৰু নিজৰ আত্মাক বিশ্বাস নকৰিলেহে জীৱ আপোনঘাতী হয়। খুব কম মানুহেহে অভিমত দিলে যে মুক্তিয়াৰো পাপী হ'ব পাৰে। তেওঁলোকৰ মতে মুক্তিয়াৰক হেনো বুঢ়া কালত ভীম ৰতিয়ে পাইছিল। এইটো বয়সত নিস্পৃহ নিষ্কলুষ হৈ নিজকে দয়াময় প্ৰভুত সঁপি দিব লাগে। কিন্তু মুক্তিয়াৰক 'দুষ্ট কলিসৰ্পে দংশিলে'। তেও আকৌ গাভৰু এজনী বিয়া কৰাই ডেকা কালৰ উপভোগ বাঞ্ছা কৰিলে। এয়া কপট ভকতৰ চিন। সঞ্জয় বুঢ়া বৰ 'ধৰ্মিষ্ঠি' মানুহ। নামঘৰত তিনি প্ৰসঙ্গ কৰে। তেখেতে ক'লে, "ধৰম মূৰ্ত্তি বস্তুৱে (মাধৱদেৱে) পাৰোতেনো

এই কলম লেখি গ'লনে ?—অন্ন যোনি কিছু নকৰে বিচাৰ জাতিকুল ভৈল নষ্ট। বৈষ্ণবৰ বেশ ধৰিযা ফুৰয বেদপথ কৰি নষ্ট॥ মুক্তিযাৰো সেই। বোৱাৰীও আছে, নাতি-পুতিও আছে। অথচ তেওঁ উঠন যুবতীৰ সঙ্গ-সুখ বিচাৰিলে।"

ডেকাবোৰৰ তেতিযাহে কাজলীলৈ কৰুণা হ'ল। সিহঁতৰ মানত তাই বেচেৰী এজনী ঠেং ভগা হৰিণী। উপমাটো স্বৰূপতে খাপ খোৱা। সকলোৱে একমুখে স্বীকাৰ কৰিব যে কাজলীৰ দৰে দুখিনী হৈ জনম নোলোৱাই ভাল। তাইৰ দশা সকলোৱে জানে। এতিযা তাইৰ কাৰণে এযাৰি আই ঐ দেহি নোবোলা মানুহ নোলাব। তাই আপোনঘাতী হোৱাৰ কাৰণে নহয, নাইবা ঘৰৰ পৰা ওলাই যোৱাৰ কাৰণেও নহয। হৰি কান্তক বিযা দিযা কাৰণেহে। হৰি কান্তৰ বয়স তিনি কুৰিৰ দেওনা পাৰ হৈছে। ওপৰৰ দাঁত নাই। তলৰ পাৰিৰ কেবাটাও সৰিছে। গাৰ ছালো সোপোকা-সোপোক। আনকি মাতটোও দাঁত সৰা কাৰণে থোতা-মোজা হৈছে। সিফালে কাজলীৰ বযস সোতৰ বছৰ পাৰ হৈছে মাথোঁ।

কিন্তু হৰি কান্ত মুক্তিযাৰৰ যে সকলো কামেই আচৰিত। নতুনজন অধিকাৰ কৃপাসিন্ধু এলেহুৱা আৰু উদাসীন ধৰণৰ লোক। তথাপি অধিকাৰ যেতিযা তেখেতৰ ক্ষমতা বজাৰ পাছতেই। কিন্তু তেখেতৰ দুৰ্ব্বলতাৰ চেলু লৈ মুক্তিযাৰে তেখেতক হাত কৰিলে। তেওঁ সত্ৰৰ সকলো কামতে অপৰিহাৰ্য্য

হৈ পৰিল। মুক্তিযাৰৰ হাতৰ পুতলা হ'ল কৃপাসিন্ধু অধিকাৰ। হিজলবাৰী সত্ৰৰ নামত বহুত মাটি। প্ৰায় পঁচিশ হেজাৰ টকাৰ কৰ উঠে। তাৰ গৰাকী কৃপাসিন্ধু। তেখেত পিছে নামতেহে। প্ৰকৃত তদাৰক হ'ল হৰি কান্ত মুক্তিযাৰ। তেওঁ কৰ-কাতল তোলে, বেছি আদায় কৰি টকা আত্মসাৎ কৰে, দুখীয়া ৰায়-তক বেছিকৈ উৎপীড়ণ কৰে। তেওঁ বহুতৰ মানত বিভী-ষিকা। তেওঁ দুখীয়াক বেছি দুখীয়া কৰিছে। সুবিধাবাদী ধনীবোৰক বেছি ধনী কৰিছে। তাৰ প্ৰমাণ হ'ল—হোদোৰ, মধুপদ্ম আৰু আঘোণা। ভকতৰ কষ্টোপাৰ্জ্জিত ধন তেওঁ নিৰ্বিবাদে হজম কৰিব পৰা হ'ল। কামনা-বাসনা বেছিকৈ অনুভৱ কৰিবলৈ ধৰিলে। চৰিতাৰ্থ কৰাৰো বহুত উপায় ওলাল। কৃপাসিন্ধুৰেও স্বীকৃতি পোৱা গাদীখনত বহি যি পাশে তাৰেই ভোগ-বাসনাত মত্ত থাকিল,—কেৱল ভগৱানক পাহৰিবলৈকে। তেওঁৰ আৰু মুক্তিযাৰৰ যুটীয়া ক্ষমতা সদায় নিষ্কণ্টক। কাৰণ সাত সাগৰ তেৰ নদীৰ সিপাৰৰ বৃটিছ সিংহ দেশৰ ভাগ্য-নিয়ন্তা যদিও ধৰ্ম্মানুষ্ঠানৰ অসততা লক্ষ্য নকৰে। বৰঞ্চ ধৰ্ম্মৰ ধুমকেতুবোৰক (?) কৃপাৰ দৃষ্টিৰেহে চায়।

তেনেহলে প্ৰকাৰান্তৰে হৰি মুক্তিযাৰ বজাৰেই প্ৰতিনিধি। কাৰণ সত্ৰৰ কৰ-কাতলৰ পৰা বজায়ো অলপ অংশ পায়। তেওঁলৈ কোনে তোচ নস'ব? তিনি কুৰি বছৰত পত্নী বিয়োগ হোৱাৰ পিছতো তেওঁ যদি কোনোবা ছোৱালীৰ বাপেক-

মাকক বিয়াৰ প্ৰস্তাৱ কৰে, সেই প্ৰস্তাৱ উলাই কৰিবলৈ কোনে সাহ কৰিব পাৰে? যোগ্যা ভোগ্যা বসুন্ধৰা। তদ্রূপৰি নাৰী মাথোঁ ভোগৰ কাৰণেহে। যাৰ যোগ্যতা আছে, তেওঁ এজনী নেলাগে দহ জনী সুন্দৰীৰ দেহৰ মাধুৰী উপভোগ কৰিব পাৰে। নাৰী অবলা। সিহঁতক লালন-পালন যি কৰিব পাৰে, সিয়েই যোগ্য পুৰুষ।

অৱশ্যে কাজলীক পাবলৈ মুক্তিয়াৰৰ বেছি সহজ হ'ল। তাই মোমায়েকৰ ঘৰত আছিল। আচল ঘৰ কলুৰাবনত। তাই মাক-বাপেকৰ একমাত্ৰ ছোৱালী। অতি আদৰৰ। কিন্তু সেই মৰম বেছি দিন নেপালে। কলুবাবনত মাউৰ মহামাৰীয়ে ভালেমান মানুহৰ ভেটি উচন কৰিলে। সেইবাৰ মাউৰতে কাজলীৰ মাক-বাপেক কাল হ'ল। বহল পৃথিৱীত তাই ঘাত মাউৰী হ'ল। বাৰুকৈ মোমায়েক আছিল কাৰণেহে। তেতিয়াৰেপৰা প্ৰায় সাত মাহ কাল তাই মোমায়েকৰ ঘৰত কোনো দুখ নোপোৱাকৈ আছিল। কিন্তু য'তে বাঘৰ ভয় ত'তে ৰাতি হয়। এদিন মাটিৰ খাজনাৰ তাগিদা দিবলৈ মুক্তিয়াৰ মোমায়েকৰ ঘৰত সোমাল। তেওঁ কাজলীক দেখা পালে। হৰিণাৰ মাংসই বৈৰী হ'ল। তেওঁৰ বাসনাৰ জুইত তাই যেন ঘিঁউহে ঢালিলে।

তাইৰ মোমায়েক বৰ নিচলা মানুহ। কোনো মতে সংসাৰৰ জোৰা মাৰে যদিও সময়মতে কৰ-কাতল শোধাব নোৱাৰে। সেই কাৰণেই কেবা দবা মাটি লোকক দিব লগা হৈছে।

হৰি মুক্তিয়াৰ নিজে উপস্থিত হোৱা দেখি মোমায়েকৰ চুলিৰ আগে জীৰ গ'ল। দুবছৰ একো পৰিশোধ কৰা নাই। হৰি কান্তক সাক্ষাৎ তেওঁ যমদূত যেন দেখিলে। তদুপৰি হৰি কান্তৰ চেহেৰাটোহে যি!—"কৃষ্ণ বৰ্ণ কায দেখি জীউ যায, হাতত লোহাৰ ডাং।" ইযাতকৈনো কিমান অমিল? তথাপি মোমাযেকৰে কপাল ভাল। কাৰণ কাজলীক দেখি মুক্তিয়াৰৰ মনত কোমল কুঁহিপাত মেলিলে। এইজনী দেখোন বৰ শুৱনি ছোৱালী। একেবাৰে "নৱ যৌৱন স্তন বদৰী প্ৰমাণ। উৰু কৰিকৰ কটি ডম্বৰুক থান।।" হাঁহিটোও আচৰিত। "ঈষৎ হাসি মদন মোহ যায়।" খন্তেকলৈ তেওঁ নিজক পাহৰিলে, নিজৰ উদ্দেশ্য পাহৰিলে। নিজৰ কুৰূপতাও পাহৰি গ'ল। তাইৰ ৰূপে যেন তেওঁকো ধুনীয়া কৰিলে। বহুত দিনৰ মূৰত তেওঁৰ মনলৈ আহিল,—যে পৃথিবীত ফুল আছে, ফুলৰ সুবাস আছে। তেওঁ তাইৰ মোমাযেকক তাগিদা দিব নোৱাৰিলে। খুব ভালকৈ কথা বতৰা পাতিলে। খুব সদয় ভাব দেখুৱালে।

কিন্তু তাগিদা নিদিলে কি হ'ব? বহুত মূল্যবান বস্তু আদায় কৰি ল'লে। যি হৰিকান্তই অধিকাৰীক হাতৰ পুতলা কৰিব পাৰে, সেই হৰি কান্তৰ কাৰণে মোমায়েকক হাত কৰি কাজলীক বিয়া কৰোৱা অতি সহজ কথা। তিনি দিনৰ ভিতৰত মোমাযেকক হাত কৰিলে আৰু পাচৰ তিনি দিনৰ মূৰত বিয়াৰ দিন ঠিক হল। কাজলী বলিৰ পাঠী হ'ল।

এই কথাত সকলো আচৰিত। সঞ্জয় বুঢ়াই অভিমত দিলে, "বৃদ্ধস্য তৰুণী ভাৰ্য্যা।—এই উক্তি তাহানি কালৰে। শাস্ত্ৰৰ কথা চাৰিও যুগতে চলে। হৰি মুক্তিযাৰ কলিৰ যযাতি। পিছে শেষ-ফল হলে বেযা দেই।"

আচল কথা কবলৈ হ'লে, কাজলীক সমৰ্পণ কৰাত মানুহ আচৰিত হোৱা নাছিল। কাৰণ বিযাৰ ক্ষেত্ৰত কাজলীৰ মত অচল। হিজলবাৰী সত্ৰত ছোৱালীৰ মত লৈ বিযা দিযাটো চলিত নিযম নহয। সেইটো চকুক সুধি ভাত বহোৱা কথা। আনকি সত্য যুগতো দ্ৰৌপদীৰ সযম্বৰ হৈছিল দ্ৰুপদ ৰজাৰ আহ্বানত। সীতাযো শ্ৰীৰামচন্দ্ৰক মালা পিন্ধাইছিল জনক ৰজাৰ পণ অনুসৰি হৰধনু ভাঙিলতহে। কিন্তু মানুহ আচৰিত হ'ল এটা কথাত। বুঢ়া মানুহজনৰ কাজলীৰ দৰে ছোৱালীজনীক বিযা কৰাবলৈ সংকোচ নহ'ল কিয? তেওঁৰ বুঢ়া কালত পৰকিতি লৰিছে? এৰা, ঘোষাত দেখোঁ আছেই :

"বালকে কৰোক বহুমান, যুবাযে সেৱোক পাৰেমান
বৃদ্ধ বিষযৰ বহিৰ্ভূত হুযা গৈল।
ভোগ কৰিবাক নপাৰয় তথাপিতো আশা নছাডয
হৰি হৰি হৰি কিনো বিপৰীত ভৈল॥"

সেই কাৰণেই বহুতে মুক্তিয়াৰক আলেঙে আলেঙে হাঁহিলে। কাজলীৰ মোমাযেকেও বেঁকা কথা শুনিবলৈ পালে। এতিযা ছমাহ মুক্তিযাৰৰ ঘৰত থাকি কাজলী হঠাতে ক'ৰবালৈ উধাও হোৱাৰ খবৰটো শুনি সেইবোৰ মৰমিয়াল মানুহে মনে

মনে ভালেই পালে। কাজলী মৰি যোৱা, পলোৱা আৰু মুক্তিযাবৰ ঘৰত বোৱাৰী থটা, একে কথা।

কাজলী মুক্তিযাৰক নেওচা দি যোৱাৰ দুদিনৰ পাছতে সত্ৰৰ দুই এজন বুঢা ভকতে দুটামান অমঙ্গলৰ চিন দেখিলে। সত্ৰত ধৰ্ম্মৰ নামত ব্যভিচাৰ হৈছে। সেই কাৰণেই আন-বোৰ মানুহো উলুৰ লগত বগৰী পোৰা যাব।

সোন্দৰ বাপে তাৰ প্ৰমাণ পাইছে। সন্ধিয়া তেওঁ হেৰোৱা দমৰা গৰুটো বিচাৰি বিচাৰি যম দুৱাৰ মৰিশালীৰ কাষ পালেগৈ। হঠাতে তেও থৰ হৈ গ'ল। তেওঁ শুনিবলৈ পালে, একে লগে ছয় সাতটা ঘোঁৰা চেকুৰাৰ শব্দ। নিশ্চয় জুনুকা লগোৱা ঘোঁৰা। জনুকাৰ শব্দ খুৰাৰ শব্দতকৈ বেছি। তেওঁৰ বুকু কঁপি গ'ল। ৰাইজে এইবাৰ এশিকনি পাব। কোন ৰয়, কোন বাচে, প্ৰভুৱেহে জানে। তেওঁ মৰিশালীৰ ফালে খুব কৌতূহলেৰে চালে। সন্ধ্যাৰ ধূসৰতাই মৰিশালী-খন বেছি বেদনাময় কৰি তুলিছে। অস্পষ্টতাই বেছি ৰহস্যময় কৰি তুলিছে। মাথোঁ দেখিবলৈ পালে, ওখ ওখ গছৰ গা ছোৱা। অৱশ্যে এইবোৰ ঘোঁৰা মানুহে নেদেখে। দেশত মাৰী-মৰক হোৱাৰ আগতে মায়াবী ঘোঁৰাত উঠি সাক্ষাৎ কালেহে ফুৰা চকা কৰি যায়হি। ওঠৰ বছৰৰ আগতে বৰ আয়ে সত্ৰৰ মানুহ পাতলাইছিল। মাউৰতো সেই বছৰ বহুত মৰিল। সেইবাৰো জুনুকা লগোৱা ঘোঁৰাৰ শব্দ মৰিশালীত শুনিবলৈ পোৱা গৈছিল।

কানু আতৈযেও জঁযাল হাবিখনৰ মাজৰ পৰা তিৰোতাৰ বিননি ভাঁহি অহা শুনিবলৈ পালে। সেযা যে দেশৰ ভাগ্য-লক্ষ্মীয়ে বিনাইছে। নিশ্চয় এইবাৰ ৰাইজৰ দুখ কুলাই পাচিয়ে নধৰা হ'ব। দেশৰ অমঙ্গল হলেহে ভাগ্যলক্ষ্মীয়ে দুখত বিনায়। কানুৰ কথা শুনি সঞ্জয় বুঢ়াই এইবাৰ অভি-মত দিলে, "মানুহ এইবাৰ চিলনী-শগুণৰ ভোজ হ'ব। বোপা-ককাৰ মুখে শুনিছিলোঁ, মান অহা বছৰহে হেনো যম দুৱাৰৰ কাষৰ হাবিখনত ভাগ্যলক্ষ্মীয়ে বিনাইছিল। বদনৰ কাৰণে মান আহিল। এতিয়া আৰু তেনে দিন নহয়। পিছে আমি একমাত্ৰ অধিকাৰ আৰু মুক্তিযাৰৰ কাৰণেই আকাল মহামাৰীত মৰিব লাগিব যেন পাইছোঁ।"

সঞ্জয় বুঢ়াৰ কথা শিলৰ ৰেখা। সকলোৱে বিশ্বাস কৰিলে। মুক্তিযাৰ যে সকলোৰে গুৰি, মানুহে বহুত দেৰিকৈ বুজিলে। অৱশ্যে অধিকাৰক খুব কম মানুহেহে বুজি পায় কাৰণে তেওঁৰ বিপক্ষে মত নিদিলে। সঞ্জয় বুঢ়া অপুত্ৰক। তিনি-জনীকৈ ছোৱালী উলিয়াই দিয়াৰ পাছত তেওঁ ঘৰত অকল-শৰীয়া। গৃহিনী বিশ বছৰৰ আগতেই কাল হ'ল। তেওঁ সদায় সন্ধিয়া ঘৰত থাকিব নোৱাৰে। উকুডা উকুডা লাগে। সেই কাৰণেই সদায় নামঘৰত চাকি জ্বলায় আৰু ভালেখিনি সময় পুথি পঢ়ি কটায়। হিজলবাৰী সত্ৰৰ প্ৰকাণ্ড নামঘৰটো ডেৰ কুৰি তুলসীৰ খুটাৰে সজোৱা। অকলে সোমালেই গাটো গহীন গহীন লাগি যায়। সেই গহীন নিৰবতাত অপুত্ৰক

সান্ত্বনাকুল সঞ্জয় বুঢ়াই ঈশ্বৰৰ উপস্থিতি উপলব্ধি কৰে। তেওঁ আজি নামঘৰত পুথি পঢ়ি থাকোতে হঠাতে চাকি গছি মুমাওঁ মুমাওঁ হ'ল। ভাবিলে, শলিতা বঢ়াই দিবৰ হৈছে। নামঘৰৰ আন্ধাৰবোৰ বৰ ডাঠ হৈ পৰিল। শলিতা বঢ়াই দিবলৈ তেওঁ কাষত খৰিকা এডাল বিচাৰি যি দেখিলে, আন মানুহ হোৱা হ'লে বুকুৰ দম বন্ধ হ'লহেঁতেন। কিন্তু নামঘৰত ভগৱানৰ উপস্থিতি অনুভৱ কৰে কাৰণেই তেওঁ সদায় নিৰ্ভয়। তেওঁ খন্তেকতে বুজি উঠিল যে বুঢ়া ডাঙৰীয়া চোঁ মাৰি চাকিগছিৰ কাষেদি অহাৰ কাৰণেহে মুমাওঁ মুমাওঁ হৈছিল। নামঘৰৰ তদাৰক হ'ল বুঢ়া ডাঙৰীয়া' সাক্ষাৎ দেৱতা। ছহাত মান ওখ। গাৰ বং সেন্দুৰীয়া ভাৰৰৰ দৰে। গাত ৰূপৰ দৰে বগা পোছাক। কঁহুৱা ফুলৰ দৰে ডাঢ়ি-কোচা এহাত এমোঠন দীঘল। চকু দুটা ডাঙৰ যদিও ধুনীয়াকৈ হেলনীয়া। মুঠতে বৰ মৰমিয়াল চেহেৰা। সঞ্জয় বুঢ়াই ডাঙৰীয়াক আৰু এবাৰ দেখিছিল। চাৰি বছৰৰ আগতে। সেইবাৰ মুখত প্ৰসন্ন ভাব বিৰিঙিছিল। এইবাৰ কিন্তু ওলোটা। চকু দুটা লাটুমণিৰ দৰে ৰঙা। বুঢ়া ডাঙৰীয়াই যেন সংহাৰ মূৰ্ত্তি ধৰিছে তেওঁৰ ওচৰত থিয় দিলে।

সঞ্জয় বুঢ়াই কাতৰভাৱে সুধিলে, "বুঢ়া ডাঙৰীয়া, এখেৰ কিহত দোষ? নামঘৰত নিয়মমতে শৰাই দিয়া হৈ আছে। নাম-প্ৰসঙ্গো হয়।"

বুঢ়া ডাঙৰীয়া অলপপৰ তভক মাৰি ৰ'ল। হাত এখ-নেৰে চকু দুটা লুকুৱালে। চকুপানী লুকুৱা নাইতো? এটি হুমুনিয়াহ বুঢ়াৰ কাষেদি সৰকি গ'ল। বুঢ়া ডাঙৰীয়া খন্তে-কতে অন্তৰ্ধান হ'ল। মাথোঁ মণিকূটৰ ফালে শুনিবলৈ পোৱা গ'ল, "সত্ৰত পাপ সোমাইছে, সঞ্জয়। তইঁতৰ নিস্তাৰ নাই। হৰি কান্তই তইঁতক ডুবাব।"

অশৰীৰী বুঢ়া ডাঙৰীয়াৰ কথাৰ সাৰ্থকতা সকলোৱে বুজিলে। মুক্তিযাৰৰ বিপক্ষে যে মানুহবোৰ জাঁকি আছে, কৃপাসিন্ধু অধিকাৰে জানিও নজনা ভাও ধৰিলে।

অৱশেষ মুক্তিযাৰে তেওঁৰ বিষয়ে আলোচনা কৰা সকলো গম পায়। তেওঁ লাজ অপমান আৰু বিক্ষোভত ঘৰৰ পৰা নোলোৱা হ'ল। তেওঁলৈ ঘৃণা কাৰণেই কোনো মানুহ তেওঁক এই দুখৰ দিনতো খবৰ কৰিবলৈ নগ'ল।

তেওঁৰ ওচৰতে পদুমী বঢ়ীৰ ঘৰ। তালৈ যে কাজলীৰ অহা-যোৱা আছিল, বহুতেই জানে। মুক্তিযাৰেও নিশ্চয় জানিছিল। তেওঁ বঢ়ীক ভেটিবপৰা খেদাবলৈ ফাং পাতিছিল। বুঢ়ীৰ ঘৰলৈ বোৱাৰী মানুহজনী যোৱাটোনো কি জেঙা লগা কথা? নিশ্চয় ইয়াৰ মূলতে কিবা কথা আছে। মুক্তিযাৰে বুঢ়ীক হুমিয়াই কেইটামান মানুহক কৈছিল, "এইটো ভেটিত তাই থকাতকৈ ঢেপাইতিতা গজাও ভাল। তাই শাখিনী। এটাৰ মাইকী হওঁতেই গিৰিয়েকৰ মূৰটো চোবালে। যি এটা ল'ৰা আছিল, সিও চুতীয়ানীত জাত গ'ল। এই-

বোৰ তাইৰ পাপতেই হৈছে। এতিয়া মোৰ মানুহজনীও সাং কৰিবলৈ চাইছে।”

তেওঁ এনেকৈ প্ৰতিশোধ ল’বলৈ বিচৰাৰ কাৰণটো এতিযাহে ওলাই পৰিল। অৱশ্যে বুঢ়ীয়ে এতিয়া ভেঁটিৰ পৰা খেদা খোৱাৰ কথা ভাবিব নেলাগে। কাজলী যোৱাৰ পাছত তেওঁৰ অৱস্থা চিকুট মাৰিলেও সাৰস্থুৰ নোহোৱা বিধৰ। সেযেহে এতিয়া পদুমী বুঢ়ীযে আটাইবোৰ কথা মানুহক জানিবলৈ দিলে। কাজলীক কৰুণাৰ দৃষ্টিৰে চোৱা মানুহবোৰৰ তাইক নতুন পটভূমিত বিচাৰ কৰিবলৈ হেতু ওলাল।

ঃ কাজলী ঘৰ এৰি যোৱা আগৰ দুদিনৰ কথা। শনিবাৰে (কাজলী নিখোজ হৈছিল সোমবাৰে) মাজনিশা পদুমী বুঢ়ীযে তামোল খুন্দি আছিল। তাৰে শবদ শুনি কাজলী হাতত সাৰে ভৰিত সাৰে পাটীৰ পৰা উঠি আহিল আৰু বুঢ়ীৰ ঘৰৰ দুৱাৰ ডাংদালত টুকুৰিযালে। বুঢ়ীয়ে চোৰ নহয় বুলি বুজি পালে। চুৰ কৰিবলৈনো কি বস্তুবোৰ আছে? ভিতৰত চাকি জ্বলিযেই আছে। খুন্দনাৰ মাত আৰু ফাঁহ লাগি থকা কাঁহটোৰে বুঢ়ী সাৰে থকাৰ আগ জাননী দিবই। চোৰবো আও মূৰ্খটোৱেও বুঢ়ী শুলেনে নাই জানিবলৈ দুৱাৰ-ডাঙত টুকুৰিযাই চাবৰ দৰ্কাৰ বুলি নেভাবিব। বুঢ়ীযে ভাবিলে, নিশ্চয় কাৰোবাৰ প্ৰসূতা ৰোগ হৈছে আৰু নিৰুপায অৱস্থাত পৰি বেজিনী মাতিবলৈ আহিছে। পদুমী নাম থকা বেজিনীও। তাই দুৱাৰ খুলি দিলে। কিন্তু জোনৰ

পোহৰত কাজলীক দেখা পাই হুতভম্ব হৈ গ'ল। তুপৰ ৰাতি-খন এইৰ কি চুট্‌খৰে খাইছে? নে, কাৰোবাৰ অথন্তৰ?

"কাৰোবাৰ অসুখনে কি কাজলী?" বুঢ়ীয়ে জানে, 'নব মনিচ'ক বেমাৰে ধৰাৰ পৰ-অপৰ নাই।

কাজলী নিমাতে ৰ'ল।

"সি হৰি কাস্ত ঘৰত নাই নেকি?" কাৰণ হৰি কাস্তই মাজে মাজে গৈ আৰোণা ঘাটুৰৈ নাইৰা বিনন্দ মৌজাদাৰৰ ঘৰত ৰাতি কটায়।

"মুখত চামোনে বাহ ল'লেনে কি? নে, পকৰাই পোৱা কাৰণে মোৰ ঘৰ পালি? ক'ৰবাৰৈ গৈছিলি?" এৰা, ৰাতি লগ পাবলৈ আছিও তাই একো উত্তৰ দিব পৰা নাই। নিশ্চয় কিবা ক'ব নলগীয়া কথা ক'ব। তাইৰ মুখ মলিন। চকু ৰংচীয়া। তাই উচুপিছে।

"কি হ'ল? হৰি কাস্তই তোক কিলালে? সি কিলা-ৰও পাৰে। তাৰ মুৰত শনিয়ে বাহ ল'লে।"

এইবাৰ কাজলীয়ে ক'লে, "আইতা, তোৰ খাটত শুই শুই ক'ম। বহুত কথা।"

তাই খাটত পৰিল। ঘৰৰ মাবলীবোৰ এনেয়ে চাই থাকি ঢুলঢুলীয়া চকুহাল বিহাৰ আঁচলেৰে মুচি ল'লে। বুঢ়ীও কাষতে বহিল।

"মোৰ তালৈ অহা যদি হৰি কান্তই গম পায়?"

"লেচুলেতু হৈ বিচনাৰ এচুকত সেইটো মৰি আছে।

মইহে যেনেকৈ খৰলি পিটি বাত্তিটো কটায় দিওঁ, সি ক'বকে নোৱাৰে। মৰা মানুহবো কিজানি চেতনা আছে, তাৰ নাই।"

অতিপাত অশ্ৰদ্ধাৰ কাৰণেই গিৰিয়েকক 'সি' বুলি ক'লে। বুঢ়ীয়ে কথাটো লক্ষ্য কৰিলেও প্ৰতিবাদ নকৰিলে। কামনাৰ অতৃপ্তিৰ ইঙ্গিত থকা কথাখিনি বুঢ়ী মানুহজনীৰ আগত কৈ পেলোৱাৰ কাৰণে তাই লাজতে চকু দুটা আকৌ মুদি দিলে। বুঢ়ীয়ে বহুত নোকোৱা কথা আৰু দুবুজা বেদনা খন্তেকতে বুজি পেলালে। ভাবিলে, হৰিকান্ত ব'দৰ তাপত শিপা নোহোৱা লকচা বন, বৰ গছৰ কাষৰ নিশকতীয়া সোণাৰু। বুঢ়ীৰ কাজলীৰ কাৰণে কান্দি পেলাবৰ মন গ'ল। মনত পৰিল দুকুৰি বছৰৰ আগৰ কথা। গিৰিয়েকৰ লগত যে তাই কেনে বোৰ হৈছিল। তাৰ বহল বুকুত সোমাই তাই উত্তাপতে পমি গৈছিল। সেইবোৰ কথা এতিয়া সপোন সপোন লাগে। পদুমীৰ কাজলীলৈ বৰ মায়া হ'ল। তাইৰ আউল বাউল চুলিবোৰ স'থন লগাই দিলে। পূবে ভোটা তৰা ওলোৱা সময়লৈকে কাজলী বুঢ়ীৰ লগত আছিল। অনেক ভিতৰুৱা কথা কৈছিল।

... বিয়াৰ এপষমান পাছৰে পৰা কাজলীৰ হৰিকান্ত কাষ চাপিলেই বিছা বৰলে ডকা যেন লাগিছিল। হৰি-কান্তয়ো তাইক নিমিষে নিমিষে সন্দেহ কৰিছিল। তাইক ক'লৈকো ওলাবলৈ নিদিয়ে। আনকি নামঘৰত ভাওনা চাবলৈকো নপঠিয়ায়। হৰি কান্তৰ শেন চকুৱে তাইক ঘৰত বন্দিনী কৰিলে। মোমায়েক আহিলেহে তাইৰ চ'ৰাঘৰথন

গছকিবলৈ ভাগ্য হয়। কাজলীয়ে কয় যে তাইৰ মোমায়েক আচল শত্ৰুক। তাইক জ্বলা জুইত জাপি দি ৰং চাইছে। পত্নমী বুঢ়ীয়ে মানুহক কয়, "সি হৰিকান্ত এটা মাংসলোভী কুকুৰ। তাক কোনো তিৰোতাই পতি বুলি ভাবিব নোৱাৰে। ঘোষাতো কৈছে—দশনবিহীন কুটা যেন, হাড় চোবাইবাক নেপাৰয়, জিহ্বা লডবড কৰি মাত্ৰ চেলেকয়। "

সেইদিনা যাবৰ সময়ত কাজলীয়ে কৈছিল, "কাইলৈ সন্ধিয়া তোৰ তালৈ আকৌ আহিম। গজেনে ইযাতে আহি মোক লগ ধৰিম বুলি কথা দিছে। ঘৰলৈ যাবলৈ হাক দিছোঁ। জানই নহয়, তাত মোৰ ওপৰত সকলোৰে চোভা।"

শুনিয়েই বুঢ়ীয়ে চকুৰে ধোঁৱা-কোৱা দেখিলে। কি দুৰ্দ্দান্ত সাহস কাজলীৰ। আকৌ ভাবিলে, এয়া অদমনীয় যুৱতী মনৰ সাহস। এই বয়সত সকলো সম্ভৱ। আজি, সোণাইৰ বাঢনী পানীৰ দৰে তাইৰ ভেটা দি ৰাখিব নোৱাৰা মন। তাইৰ দেহত সোতৰ বছৰীয়া তেজৰ উজান উঠিছে। পাৰ ভাঙি বাগৰি পৰিবৰ হৈছে। এই সোঁত হৰিকান্তই বালিৰ ভেটা দি বন্ধ কৰিব নোৱাৰে।

"কাজলী, গজেনলৈ তই কেনেকৈ খবৰ পঠালি ?"

"কঁহুৱাবনৰ চম্পক সিদিনা আহিছিল। সি আমাৰ কথা-বোৰ জানিছিল। গজেনৰ বন্ধুও। তাকে জনালোঁ। সিয়েই গজেন কাইলৈ অহাৰ খবৰটো দিলে।"

"হৰি কান্তই জানো চম্পকক লগ ধৰিবলৈ অনুমতি দিলে ?"

"তাৰ চকুত বালি মাৰি বৰ ভাল পাওঁ। চৰাঘৰত মাত শুনিয়েই কোনে কথা কৈছে গম পাওঁ। সেই কাৰণেই কথাটো সহজ হ'ল।"

বুঢ়ীয়ে কাজলীৰ বুদ্ধিক প্ৰশংসা নকৰিলেও তাইৰ চালা-কীটো মনে মনে ভালেই পালে। ভাবিলে, অসন্তুষ্ট তিৰো-তাই অনেক অসাধ্য কাম কৰিব পাৰে। প্ৰেম পাগলিনী গোপিনীৰ বিৰহ বিননিয়ে যমুনাৰ সোঁতো উজাই বোৱায়।

গজেন নামটো পদুমী বুঢ়ীৰ কাৰণে নতুন নহয়। কাজ-লীৰ মুখৰ পৰা আগতেই শুনিছিল। কঁহুৱাবনত মাউৰ হোৱা সময়ত গজেন নাছিল। সি মণ্ডল পঢ়িবলৈ জালুক-বাৰীলৈ গৈছিল এবছৰৰ কাৰণে। সি থকাহেঁতেন তাই মোমায়েকৰ ঘৰত আশ্ৰয় নল'লেহেঁতেন। কিন্তু আহিয়েই যে এই বিপদত পৰিল। তালৈ তাই খবৰ এটাও দিয়াব নোৱা-ৰিলে। জালুকবাৰী কিমান দূৰৈত তাই কোনো পধ্যে অনুমান কৰিব নোৱাৰে। শুনিছে বোলে কঁহুৱাবনৰ পৰা ডেৰকুৰি আঁঠ মাইল খোজ কাটি গৈ চাপৰমুখত ভাটীলৈ যোৱা ৰেলখন ধ'ৰিব লাগে। ৰেলতো এবেলা গ'লেহে সেইখিনি ঠাই পায়গৈ। হিজলবাৰীলৈ আহি তাৰ শুংস্মৃত্ৰ নৌ পাওঁতেই তাইৰ বিয়া হৈ গ'ল। কিন্তু সেইটো গজেনকে বিয়া কৰাম বুলি কীৰ্ত্তন পুথিত হাত দি তাই শপত খাইছিল। সি জালুকবাৰীৰ পৰা অহাৰ খবৰটো সিদিনা চম্পকৰ মুখেহে শুনিলে। সি হেনো নিজৰ ঠাইতে লাট এটা পাইছে।

গজেনে পদুমী বুঢীৰ ঘৰত গোপনে লগ পাম বুলি চম্পকৰ মুখে আকৌ খবৰটো পাই কাজলীৰ ধমণীৰ সোঁত উজাই বলে। নিজক আটাইতকৈ ধুনীয়া যেন লাগিল। মুক্তিয়াৰৰ পচুলি মুখত থকা শেৱালি জোপাৰে বুজাব নোৱাৰা মোহ উপজিল। শেৱালিৰ সুবাসত বেছি তীব্ৰতা অনুভৱ কৰিলে। নাদৰ পাৰৰ পৰা উষাৰ সূৰুযটো বেছি তেজ-গোৰা দেখিলে। আকাশৰ হেঙুলীয়া ডাৱৰবোৰে মনটো বেছি উৰণীয়া কৰিলে। বতাহত হয়তো বাঁহগছৰ পাত ছুটামান লৰিল। লগে লগে তাইৰো বুকুৰ ধপধপনি উঠিল। তাইৰ মন গ'ল,—গাটো উদঙাই যেন নিজম নাদৰ পাৰত থিয় দি থাকিব আৰু তাক দেখি আকাশৰ তৰাবোৰ বৰকৈ উজলি উঠিব। অশিষ্ট ভাববোৰ সংযমৰ লেজুৰে তাই বান্ধি ৰাখিব নোৱাৰা হ'ল। গজেনৰ দেহাটো যে শিলত কটা মূৰ্ত্তিৰ দৰে। সি খামুচি ধৰিলেই যেন নধৰ নিপোটল দেহাটো ধুনা কপাহৰ দশা হ'ব। সবল পুৰুষৰ হাতত যে তিৰোতা কপাহৰ দৰে লেতু সেতু।

গজেনৰ কথা উল্লেখ কৰিযেই যে কাজলী উত্ৰাৱল হৈ পৰিছে, বুঢীয়ে তাইৰ চকু দেখিয়েই ধৰিব পাৰিছে। বুঢী বৰ চিন্তাত পৰি গ'ল। খুব গহীন হৈ সুধিলে, "কাজলী, তই জানো সন্ধিয়া ইয়ালৈ আহিব পাৰিবি? হৰি কান্তৰ যে কাৰা নজৰ।"

"কাইলৈ বিনন্দ মৌজাদাৰৰ ঘৰলৈ যাব। নাম গোৱা সবাহ আছে। পুতেক বোৱাৰীয়েকো নাই। অধিকাৰৰ পাঁচনি

ছুটা ঘৰত থৈ যাব। সিহঁতক মই কুটা বুলিও নেভাবো।”

পদুমী বুঢ়ীয়ে আপত্তি নকৰিলে।

পাছদিনা সন্ধিয়া প্ৰকাণ্ড মানুহ এটা পদুমীৰ দুৱাৰমুখত হাজিৰ হ’ল। ইতিমধ্যে কাজলী, বুঢ়ীৰ ঘৰত সোমাই আছিলেই। তাক ভিতৰত বহিবলৈ দিলে। কাজলী কাষতে থিয় দিলেহি। বুঢ়ীযে দুয়োলৈকে চাই ৰ’ল। গজেনক ভাই আজিহে দেখিছে। একেবাৰে কুন্দত কটা চেহেৰা। তাৰ গলগলীয়া মাতটোৱে খুব সাহসী মানুহৰ পৰিচয় দিয়ে। কাজলীৰো আজি নতুন ৰূপ। ওৰণি লোৱা নাই। সেওঁতাত সেন্দুৰ নাই। কপালৰ সোঁ মাজৰ সেন্দুৰৰ ফেঁটটোহে জুইৰ মাজৰ আঙঠাৰ দৰে দগ মগাই আছে। ভাইৰ পোছাকবোৰো মগুহৰ লগত লিপিট খাই ধৰা।

এহাল ডেকা-গাভৰুৰ ওচৰত বুঢ়ীৰ বয়সটো নিমিষতে অলায়ক হৈ পৰিল। ইয়াকে বোলে যৌবন। ইয়ে বসন্তৰ ফুল আৰু প্ৰকৃতিৰ ৰূপহৰ প্ৰচুৰ প্ৰেৰণা। ইয়াৰ বৰ্ণ আৰু ৰূপত আকস্মিক আশ্চৰ্য্য আছে।

বুঢ়ী সিহঁতৰ ওচৰৰ পৰা কালৰি কাটি শোৱনি ঘৰত সোমাল। এখনমান তামোল খোৱা সময় সিহঁতৰ মুখত ওঁ-আঁ এবাৰ নাই। মাথোঁ কাজলীৰ নাকৰ পানী উজোৱা শব্দটো। কান্দোনতকৈও বেছি কৰুণ।

অৱশেষত গজেনৰ মাত শুনা গ’ল, “তেনেহলে তুমি মোক নচুৱালা। এতিয়া তোমাৰ দেহ অশুচি হ’ল। আকৌ

পুতলা নচুৱাবলৈ ৰচি টানিছা ?”

কাজলীৰ উচুপনিত কোঠালিৰ বায়ু সেমেকি গ’ল। তাই নিমাত। নিজৰ নিৰপৰাধ প্ৰমাণ কৰিবলৈ অকণো চেষ্টা নকৰিলে। গজেনে নিজকে কোৱাৰ দৰে তাইকে উদ্দেশ্য কৰি কৈ গ’ল, “মই জানো, ৰূপ বৰ অসপ্তাতী। ৰূপ বৰ দুষ্ট। মই জানো, ৰূপে মৰম নুবুজে, মাথোঁ ছলনা বুজে। ধন-সোণ বুজে। মুক্তিয়াৰৰ চন্দুকত ঢেৰ ধন-সোণ ঠাহ খাই আছে। তাৰ চিকমিকনি বেছি। আৰু মই মগুলে মাহেকত পাওঁ বাৰ টকা চিকা ৰূপ।”

কাজলীয়ে এইবাৰ মাত লগালে, “তুমি মোক বেছিকৈ দুখ দিবলৈহে ইমান দূৰ আহিলা ? তোমাক মই বুজাব নোৱাৰিম। মোৰ যে একেবাৰে উপায় নাছিল। মই একেবাৰে নিঠৰুৱা। মোমাইদেৱেও আশ্ৰয় দি চুকতে থাকি বুকত কামোৰ মাৰিলে। মই পৰৰ কাৰণে বিকা গ’লো।”

“খবৰ এটাও দিয়াব নোৱাৰিলা ?”

“তুমি কিমান দূৰৈত আছা, কেনেকৈ খবৰটো পঠিওৱাৰ উপায় হয়—একোৱে উৱাদিহ নেপালোঁ। তুমি কঁহুৱাবনত থকাৰ কথা চম্পকৰ মুখৰ পৰাহে জানিলোঁ।”

“হিজলবাৰীলৈ আহি মোৰ খবৰ লৈছিলা ?”

“জালুকবাৰীত এবছৰ থাকিম বুলি কৈছিলা। মোৰ হিচাব মতে এবছৰ পূৰ হোৱা যেন পাই খবৰ লোৱাইছিলোঁ। একো খবৰ নেপালোঁ। তাৰ পাছত সময়েই

নহ'ল। তিনি দিনৰ ভিতৰতে মোৰ বিয়া হৈ গ'ল।"

"কিন্তু সেই সময়ত মই কঁহুৱাবনত আছিলোঁ। তুমি গুচি যাব পাৰিলাহেঁতেন। মই এদিন আহিছিলোঁ। মোমা-যেৰাই ঘৰত নাই বুলি ক'লে। বোধকৰোঁ তুমিয়েই তেনেকৈ ক'বলৈ দিলা। মন তোমাৰ মলিন। মুক্তিয়াৰত অমান্তি হোৱাৰ সাহস তোমাৰ নাছিল।" গজেনৰ মাতটো বেছি কৰ্কশ লাগিল।

কাজলীয়ে ৰাউচি জুৰি কান্দিলে। গজেনে আকৌ ক'লে, "বুজিলোঁ, তুমি দুমুখীয়া সাপ। সাজি কোৱা কথা মই ধৰিব পাৰো। তুমি ভবাৰ দৰে মই হোজা নহয়। আজি মাতিলা, মোৰ পৰা ডেকাৰ মৰম পাবলৈ। আৰু মুক্তিয়াৰক বৰিলা সোণ-ৰূপৰ মায়াত? তোমাক মই তালুৰ পৰা তলু-ৱালৈকে চিনি পালোঁ।"

এই নিষ্ঠুৰ উক্তি শুনাৰ পাছত কাজলীয়ে প্ৰত্যুত্তৰ দিব নোৱাৰিলে। এটা প্ৰকাণ্ড দৈত্যাইহে যেন তাইৰ নেলু চেপি ধৰিলে। কান্দোনো বোধ হ'ল। দুদাল শলিতাৰে জ্বলোৱা চাকি গছিও তাইৰ চকুত জলক-তবক লাগিল। গজেন গুপ্ গুপ্ কৰে ওলাই যোৱাৰ পাছত তাই মাটিত ঢলি পৰিল।

তাৰ পিছদিনা ৰাতিয়েই কাজলী মুক্তিয়াৰৰ ঘৰৰ পৰা নাইকীয়া হ'ল। আজি চাৰি দিন পাৰ হ'ল। একো গুংসূত্ৰ পোৱা নগ'ল। মুক্তিয়াৰেও তিনি দিনৰ মূৰত চুৱা খেদিলে। পদুমীৰ মুখে সকলো বৃত্তান্ত শুনি মানুহে মন্তব্য কৰিলে যে

এনে অকস্থাত তাই আপোন-ঘাতী হোৱাহে সম্ভৱ। কাছমাৰী ডুবিব অথাই পানীৰ তলত চাগৈ তাইৰ দেহা কাছ বা বৰালি মাছে খাই ওৰ পেলালে। তথাপি পত্নমী বুঢীয়ে ছই একক ক'লে, "ছুটামানে ক'ছুৱাবনৰ গজেনৰ ঘৰত বিচাৰগৈ। সিহঁতে সিদিনা কাঁজিয়া কৰিলে যদিও এৰা-এৰি হ'ল বুলি ক'ব নোৱাৰি। পীৰিতিৰ জোৰ, বলিয়া হাতীৰ জোৰ। একো বাধা নেমানে। 'ভূত ভবিচত' নেভাবে।"

গজেনৰ ঘৰত খবৰ কৰা হ'ল। কাজলী নাই। মানুহৰ মনত কাজলীয়ে বিজুলীৰ ৰহস্য দেখুৱালে।

° ° ° °

কাজলী নিখোজ হোৱাৰ পাঁচ দিনৰ পাছৰ কথা। যম ছুৱাৰ মৰিশালীত হেনো খৰিকটীয়া বঙাল এটাই ভালেমান দূৰৈৰ পৰা কাজলীক দেখা পালে। সি কাজলীক আগেয়েও দেখা পাইছিল। এই কথাই সত্ৰ তল-ওপৰ লগালে। তাই জকৰ ডাইনী হ'ল। সঞ্জয় বুঢা, কানু আতৈ আৰু সোণৰ বাপৰো বিশ্বাস হ'ল। কিয়নো আপোনঘাতী হোৱা জীৱই পৰকালত নতুন জনম নেপায়। ইহকালৰ মায়াও এৰিব নোৱাৰে। সিহঁত ভূত-প্ৰেত হয়। কাজলীও ডাইনী হ'ল যেতিয়া মানুহক কম লটি ঘটি নকৰিব। এইবিধ ডাইনীয়ে মানুহ দেখিবই নোৱাৰে। মুক্তিয়াৰলৈ বিপদ আৰু বেছি।

এঘৰত গৰু এটা মৰিছিল। আৰু এটা মানুহ লগত লৈ ভাৰ বান্ধি গৰুটো মৰিশালীত পেলাবলৈ গৃহস্থৰ সাহে

মুকুলালে। বলুকা গাৱঁৰ পৰা মুচিয়াৰ দুটা মাতি আনিলে। সিহঁতে দুপৰীয়া মৰিশালীত ডাইনীক দেখা পাই হৃত-বুদ্ধি হ'ল। গৰুৰ ছাল চেলাই আনিবলৈ অকণমান সময় নৰ'ল। সাহ নহ'ল। দুৰমূৰ কৰে সত্ৰ পালেহি। মানুহে এইবাৰহে খৰিকটীয়া বঙালৰ কথা সঁচা বুলি জানিলে।

এটাই সুধিলে, "ডাইনীয়ে তহঁতক দেখি কি কৰিলে?"

"হাবিৰ ফালে সোমাই গ'ল।"

সিহঁতৰে এটা মুচিয়াৰে ডাইনীক লক্ষ্য কৰিছিল। তাৰ মতে ডাইনীৰ ওপৰ ওঁঠত মাহ এটা আছে। খাক এযোৰো পিন্ধিছে। হাতত এটা টোপোলা। কাজলীৰহে ওপৰ ওঁঠত মাহ আছে। তাই ওলাই যোৱা দিনা হাতত খাক আছিল বুলি মুক্তিয়াৰেও কৈছে। টোপোলাটোত তেনেহলে সৰিয়হ আৰু মানুহৰ লাওখোলা। ডাইনীয়ে এইবোৰেৰেই মানুহক মায়া কৰি মৰিশালীলৈ নিয়ে। এইবাৰ কথা বিষম। কাজলী ডাইনীয়ে কাক তিনি টেলেঙনা খুৱায় ঠিক নাই।

সেইদিনা আগ ৰাতিয়েই ডাইনী সত্ৰ সোমাল। পদুমী বুঢ়ীৰ ঘৰৰ পৰা এৰেওমান আঁতৰত কুমলীৰ ঘৰ। ওচৰত জাৰ্ম্মানী বনেৰে ভৰা বহল বাকৰি এখন আছে। নমান বজালৈকে গিৰিয়েক ঘৰত নাছিল। ঘৈণীয়েক কুমলীক কেঁচুৱা-টোৰে সৈতে এৰি থৈ সি আকৌ কাবোবাৰ ঘৰত ভাং খাই খাই কথাৰ মহলা মাৰিবলৈ গৈছিল। কুমলীয়ে কেঁচুৱাটো খান খেৰ জখোৱা পাচি এটাত আলফুলকৈ শুৱাই ভাত বাঢ়ি

আছিল। হঠাতে কেঁচুৱাটোৰে বেছিকৈ কন্দা শুনি লৰি আহিল আৰু দেখা পালে কাজলী ডাইনীক। ডাইনীয়ে কেঁচুৱাটো কোলাত লৈ বৰ মৰম কৰি চুমা খাইছে। সাক্ষাৎ মাতৃৰূপী পুতনা ৰাক্ষসী। কুমলীৰ চেতন হেৰাই গ'ল। "খালে ঐ, মোকো খালে, পোনাটোকো খালে ঐ" বোলা বিকট চিঞৰটো ওচৰচুবুৰীয়াই শুনি হুৰা তুৰাকৈ আহি পালেহি। কিন্তু ডাইনী নাই। কিজানি জাৰ্ম্মানী বনৰ মাজত অন্তৰ্ধান হ'ল। মূৰত পানী দিহে কুমলীৰ জ্ঞান ফিৰাই আনিলে। তাইৰ মুখে সকলো শুনি মানুহ তধা লাগিল। পদুমী বুঢ়ীও আহিছিল। তাই সুধিলে, 'তই চাকিটো লৈ সোমাইছো বুলি কৈছ। পিছে ডাইনীৰ জানো ছাঁটো দেখিলি ?" হয়তো। ডাইনীৰ যে ছাঁ নপৰে।

"সিমান লক্ষ্য কৰিবলৈ দেখোন তাৰ আগতেই মোৰ পিলাই চমকি গ'ল।"

'হয়নে কি ? তথাপি তোৰ কেঁচুৱাৰ অথন্তৰ নহ'ব দেই। তোৰো একো নহয়। ভয় নকৰিবি। অপকাৰ কৰোঁ বোলা-হেঁতেন, কেঁচুৱাটো দাঙি নিলেহেঁতেন। কাজলী ডাইনী যদিও বৰ ভাল ডাইনী। তাই বৰ ভাল ছোৱালী আছিল। তাইক মই হাতে হিমজুৰে চিনি পাইছিলোঁ।" এই বুলি কৈয়ে পদুমী বুঢ়ীয়ে এটা দীঘল হুমুনিয়াহ কাঢ়িলে।

সেই ৰাতিয়েই আৰু এটা ঘটনা হৈ গ'ল। মুক্তিয়াৰৰ সোঁ কাষৰ মানুহ ঘৰত। মাজ নিশা ভাত-চৰু ঘৰত শব্দ

হ'ল। বোৱাৰীযেক এজনী সাৰ পাই শহাকণীয়া হৈ শুনিলে, টকালি পাৰি ভাত খোৱাৰ শব্দ। ভাবিলে, নিশ্চয় শিযালে চৰু চুইছে। চৰুত পঁইতা ভাত আছিল। বান বাটি এটাত ভঁজামাছ অলপো আছিল। বোৱাৰীযেকে শাহুয়েকৰ সৈতে ভাত চৰু ঘৰলৈ গ'ল। হাতত লৈ যোৱা চাকিটো হঠাতে জ্বলাই দেখিলে, কাজলী ডাইনীযে পঁইতা ভাত খাইছে। তাইক আচল কাজলীতকৈ বহুত খীণ দেখা গ'ল। সিহঁতে হুৱা-দুৱা লগালে।

পাছ দিনাহে মানুহে গম পালে যে কাজলী ডাইনীয়ে এদিনৰ ভিতৰতে ডুবাৰ মানুহৰ ঘৰ সোমাল। ডাইনী হয় বুলি এইবাৰহে পদুমী বুঢীৰ বিশ্বাস হ'ল। মজিয়াখন জেকা আছিল। খোজ পোৱা গ'ল। সেই খোজ তিৰোতা মানুহৰ। বোৱাৰীযেক বা শাহুযেকৰ নহয। পদুমীযে ঠিক চিন ধৰিছে। সেই কেইটা কাজলীৰ খোজ।

হৰি কান্ত মুক্তিয়াৰে নিশ্চয এইবোৰ কথা গম পাইছে। এইবোৰ উপযাচি গম পোৱা কথাই। কাৰণ, তেওঁ কাকো একো নোসোধে। এইবোৰ আলোচনাৰ পৰা ফালৰি কাটি থাকে। মানুহটো এই পাঁচ দিনৰ ভিতৰতে মাটি যেন হ'ল। মুখত আগৰ দৰে বৰ বৰ কথা নাই। পুতেক বোৱাৰীযেকহঁতো ঘৰ পোৱাহি নাই। অকলশৰীয়া হৈ জীয়াতু ভুগিছে। সিহঁতক তেওঁ খবৰ এটা দিছে। তেওঁৰ সময়বোৰ নেবায় দুপুয়ায় লাগিছে। ওচৰেদি যোৱা মানুহে

তেওঁক পুথি পঢ়ি থকা শুনে। সিহঁতে অনুমান কৰে যে মুক্তিয়াৰে অনবৰত শাস্ত্ৰত লাগিল কেৱল ডাইনীৰ ভয়তহে। তেওঁ টানত পৰিলেহে ৰাম নাম লোৱা বিধৰ মানুহ। তাকে জানি সঞ্জয় বুঢ়াই অভিমত দিলে, "পুথি পঢ়া এৰিলেই পাতকীক ডাইনীয়ে ধৰিব। কিমান দিননো পুথি পঢ়ি কটাব? শাস্ত্ৰৰ মৰ্ম্ম বুজিলেহে পুথি পঢ়ি আমনি নেলাগিব। ডাইনীয়ে পাবৃ লাগিলে কিন্তু ইয়াক ঔ-ভুকুৰা দি মাটিৰ লগত চেপেতা কৰিব।"

বুঢ়াই স্বৰূপ কথাই ক'লে। কথাটো খুব সোনকালে ফলিয়ালে। কাজলী নিখোজ হোৱাৰ ছয় দিনহে হৈছে। ভৰ দুপৰ ৰাতি। চৌদিশ নিমাত নিজম। মাথোঁ যম দুৱাৰ মৰিশালীৰ পৰা ভাঁহি আহিছে ফেঁচা আৰু ফেঁউৰাৰ মাত। সেই ভয়াবহ মাতে হয়তো ৰাতি সাৰে থকা বা পাতল টোপনিৰ বুঢ়া-বুঢ়ীক দেহৰ নশ্বৰতা সোঁৱৰাই দিছে।

হৰি কান্ত মুক্তিয়াৰ সাৰে আছে। তেওঁক দুদিনমানৰ-পৰা টোপনিয়ে এৰিলে। তেওঁক বহুত ভাবে জৰ্জ্জৰিত কৰিলে: তেনেহলে ময়ে হত্যাকাৰী? মোৰো প্ৰাণৰ আশঙ্কা? কিজানি খুব সোনকালেই। প্ৰায় ছমাহৰ আগতে মোৰ বিয়া হৈছিল। মনত পৰিছে, নোওৱাৰ পাছত তিনিজনী ছোৱালীয়ে দৰাৰ মূৰত চাউল দি গাইছিল, 'ভজ ভজ হৰি পদ শুন মেৰি মন। নেজানোতে যাইতে লাগে যমেৰ সদন॥ ৰাম ৰাম।" এয়া যে জীৱনৰ সতৰ্ক বাণী। এতিয়াহে বহুত দেৰিকৈ বুজি পাইছোঁ। নিজকে এটা কঙ্কাল যেন লাগিছে। মই মৰি-

লোনে জীয়াই আছোঁ? আৰু একুট বৰগীত মনত পৰিছে। "অথিৰ ধন জন, অথিৰ জীৱন, অথিৰ এহু সংসাৰ। পুত্ৰ পৰিবাৰ সকলো অসাৰ কৰবি কাহেৰি সাৰ ॥" মই কিন্তু সেইবোৰকে সাৰ কৰি এতিয়া ডেৱা গৈছোঁ। মোৰ আসক্তি কমোৱা উচিত আছিল।

ফেঁচা আৰু ফেউৰাৰ মাতে তেওঁক আৰু অস্থিৰ কৰিলে। এন্ধাৰত পাটীত পৰি থাকিবলৈ ভয় লাগিল। প্ৰকাণ্ড ঘৰ-টোৱে যেন দৈত্যৰ মুখ এখন হৈ তেওঁক গিলি পেলালে। তেওঁ চাকি দুটা জ্বলালে। কোঠালিটো পোহৰ হ'ল। কিন্তু মনৰ ভয় নাতবিল। চকু দুটা মুদি বিছনাত ঢলি পৰিল।

হঠাতে বাহিৰত এটা চৰৰ্ চৰক্ শব্দ শুনি তেওঁ উচপ খাই উঠিল। কুকুৰে মাটি খন্দা নাইতো? তেওঁ কুকুৰৰ ফোঁপনিও লগতে শুনিবলৈ কাণ পাতি ৰ'ল। এইবাৰ বেলেগ শব্দ শুনিলে। তেওঁ নিৰ্ভুল অনুমান কৰিছে যে চোৰে কটাৰীৰে বা সৰু চিপ্ৰাঙেৰে বেৰৰ পোলা কাটিছে। কিন্তু চোৰটো আঁতৰি যাবৰ কাৰণে তেওঁ গলা হেকাৰি এটাও নেমাৰিলে। চ'ৰা ঘৰেদি মনে মনে ওলাই গৈ ভঁৰালৰ কাষৰ ছালিখনৰ তলত শুই থকা চাকৰটোক জগাই দিব-লৈকো সময় আছিল। কিন্তু নজগালে। ভাবিলে, ভূত-প্ৰেত ডাইনীতকৈ চোৰেই আপোন।

চকু দুটা মুদি দিলে। নিৰ্বিকাৰ হৈ নহয়, বেছি বিব্ৰত

হৈছে। হঠাতে ওচৰতে ভৰিৰ খোজৰ শব্দ শুনি জীৱ উৰি গ'ল। কাজলী ডাইনী থিয় দি আছে। তাইৰ এহাতে এখন মিতদা আৰু ইহাতে দুই মূৰে জোঙোৱা এদাল ছাতিৰ দাণ্ডি। সাইলাখ ৰণচণ্ডীৰ ৰূপ। চকু দুটা অমৰাগুটীযা আৰু তেজৰঙা। কজলা সিৰবোৰেৰে হাত দুখন মৰাশৰ হাত যেনহে লাগে। ক্ৰোধত তাইৰ হাত থৰ থৰ কৈ কঁপিছে আৰু লগে লগে মিতদাখন আৰু আগজোঙা ছাতিৰ দাণ্ডিদাল যেন প্ৰতিশোধৰ প্ৰবৃত্তি লৈ নাচিব লাগিছে।

মুক্তিয়াৰে ঘৰটো আৰু সংহাৰ মূৰ্ত্তি ধৰা ডাইনীজনীক মূৰৰ চাৰিওফালে ঘূৰি থকা যেন অনুভৱ কৰিলে। তেওঁ চিঞৰিবলৈকো চেতন হেৰাল। কণ্ঠৰোধ হ'ল।

তাই দাঁত কৰচি কৰচি ক'লে, "এতিযা তোক কোনে ৰক্ষা কৰিব? ধন আৰু ক্ষমতাই? শাস্তি লবলৈ সাজু হ।"

মুক্তিয়াৰ বেঙে মূতা গৰুৰ দৰে কঁপিবলৈ ধৰিলে।

"পাতকী, মোক চিনি পাইছ?"

মুক্তিয়াৰে চকু মুদি দিলে। বীভৎস তাইৰ চেহেৰা।

"তই চকুৰে ভালকৈ দেখ?"

মুক্তিয়াৰে হাত এখনেৰে চকু দুটা ঢাকি পেলালে। তাই হাতখন জোৰেৰে একৰাই আনিলে।

"পাষণ্ড, কাক দেখা পাইছ? মই কাজলী। তোৰ কাল।" তাইৰ খঙটো অকস্মাতে অদমনীয় হৈ পৰিল। তাই মিত-দাখন মাটিত থ'লে। ছাতিৰ দাণ্ডিদালেৰে চকুলৈ টোৱাই

ক'লে, "কি চাইছ? অঁ, চাই ল ভালকৈ। মই ডাইনী কাজলী নহয়। আচল জনীয়েই। ভয় নকৰিবি। তোক মই নেমাৰোঁ। নৰহত্যা মহা পাপ। কিন্তু মোৰ কথাৰ উত্তৰ দে। ন'হলে নেৰোঁ। ক, তই নিজক দেখা পাইছ?"

"পাইছোঁ।"

"আয়নাত কেতিয়াবা নিজৰ মুখখন চাইছিলি?"

ভেলেকি লগোৱা মানুহ এটাৰ দৰে মুক্তিয়াৰে ক'লে, "হুঁ।"

"তেনেহলে তই এইহাল লুভীয়া চকুৰেই মোকো পছন্দ কৰিছিলি? এইহাল চকুত জালো নপৰিল।"

তাইৰ মুখখনত বহুত তেজ গোট খাই ক'লা হৈ পৰিল। নিজক নিজে ক'লে, "ইয়াৰ এইহাল চকুৰেই মোৰ কাল হ'ল। চাওঁ বাক ·।" তাৰ পাছতেই অমানুষিক কাণ্ড। ছাতিৰ দাত্তিৰ জোঙা মূৰটোৰে মুক্তিয়াৰৰ চকু দুটা ফুটাই পেলালে। তাতো সন্তুষ্ট নহৈ নিমিষৰ ভিতৰতে দুইটা চকুতে কেবাটাও খোচ মাৰি এটা চকুত দাত্তিদাল বহুৱাই থৈ লৰ মাৰিলে।

মুক্তিয়াৰৰ চকুৰেদি বৈ পৰা তেজ বুকু পালেহি। তেওঁ যন্ত্ৰণাত পাৰেমানে চিঞৰিলে। মানুহক কিজানি নচঁচা শূলত দিলেহে তেনে বিকট আৰ্ত্তনাদ কৰে!

মানুহ গোট খালে। আচল কাজলীৰ প্ৰতিশোধৰ নিষ্ঠুৰতা দেখি সকলোৱে ইস ইস, আস, আস্ কৰিলে।

পদুমী কিন্তু মুক্তিয়াৰৰ খবৰ ল'বলৈ নাহিল।

পাছদিনা পুলিচ আহিল। সকলো চাই চিতি ল'লে আৰু সকলো বৃত্তান্ত শুনিলে। গাৱঁৰ মানুহ কেইটামান লৈ যম দুৱাৰ মৰিশালী পালেগৈ। তাত গৈ সকলোৱে দেখিলে, কাজলীৰ শটো ডাঙৰ শিল এটাৰ ওপৰত পৰি আছে। হয়তো মৰা অলপ সময়হে হৈছে। কাউৰী শগুণৰ চকুতো পৰা নাই। শিলটোৰ এডোখৰ ঠাই জুয়ে পোৰাৰ দৰে হৈ আছে। ওচৰৰ পৰা চাই জানিব পৰা গ'ল যে তাত কিবা খুন্দিছিল। শিলটোৰ চাৰিওফালে চোৱাত পোৱা গ'ল কেইটা-মান আধাখুন্দা বৰ বিহৰ গুটি আৰু এটা পতা গুটি। সম্ভৱ তাই যি ঘৰ মানুহত চুৰ কৰি পঁইতা ভাত খাইছিল তাৰে পৰা পতাগুটিটো আনিছিল।

কাজলীৰ শটো পৰীক্ষাৰ কাৰণে জিলালৈ নিবৰ সময়ত পদুমী বুঢ়ী আহিছিল। ধুনীয়া কাজলীজনীৰ বিকট মূৰ্ত্তি দেখি দুগালে চকুলো বাগৰিছিল। এদিনৰ পাছত শুনিবলৈ পাইছিল যে জিলালৈ আহি কঁহুৱাবনৰ গজেনে কাজলীৰ শটো খৰি দিবৰ কাৰণে দাবী কৰিছিল। সেই খবৰে বুঢ়ীৰ মনটো বৰ গধুৰ কৰি তুলিছিল।

—অন্ত—